
২০২৫ বৰ্ষ

# ই-আলাপ

An Annual Bilingual E-Magazine of the Department of Political Science, Khowang College

*Thinking Without Wall*



সম্পাদক || ঘোৰণজ্যোতি চেলেং

Volume I 15th December, 2025

# ই-আলাপ

# E-AALAAP

AN ANNUAL BILINGUAL E-MAGAZINE OF THE DEPARTMENT OF POLITICAL SCIENCE, KHOWANG COLLEGE

EDITOR

Ghoranjyoti Chelleng

**E-AALAAP: An Annual Bilingual E-Magazine of the Department of Political Science, Khowang College, Khowang Ghat, 785676**

**Volume I** **15th December, 2025**

# Editorial Board

**Chief Advisor**

Dr. Trailokya Dehingia, Principal

**Advisors**

Dipali Saikia, Vice Principal

Protim Sarmah, Associate Professor & HoD

Mikail Ansari, Assistant Professor

**Teacher in-charge**

Nityanandra Das, Assistant Professor

Tapan Sarmah Assistant Professor (Temporary)

**Released By**

Department of Political Science, Khowang College

**Cover By**

Ghoranjyoti Chelleng

**Editor**

Ghoranjyoti Chelleng

**Members**

Pratim Sonowal | Girish Dutta | Monikha Lahon | Utjjal Hazarika | Trishna Saikia | Sujyamoni Dutta | Niharika Saikia | Himashree Borah | Kalpajit Hazarika |Saraswati Borah | Lakhi Borah | Nikita Gogoi | Nihamoni Gogoi | Kristirekha Bharali | Moonmi Khanikar | Jyotiska Tanti

OFFICE OF THE PRINCIPAL
# KHOWANG COLLEGE
P.O. KHOWANG GHAT, PIN - 785676
DIST. DIBRUGARH (ASSAM)
Web : www.khowangcollege.edu.in
e-mail : principalkhowangcollege1982@gmail.com
Ph. : 03754-291256
Mobile : 7002639223

Ref. No....................

Date..০৯/১১/২০২২

## শুভেচ্ছাবাণী



সাম্প্ৰতিক যুগ বিজ্ঞানৰ যুগ, তথ্য-প্ৰযুক্তিৰ যুগ। তথ্য-প্ৰযুক্তিক এৰাই চলাৰ দিন উকলিল। তথ্য-প্ৰযুক্তিৰ সু-প্ৰয়োগেৰে মানৱ সভ্যতাক সমৃদ্ধ কৰাটোৱেই একৈশ শতিকাৰ মানুহৰ জীৱনৰ ব্ৰত হোৱা উচিত। খোৱাং মহাবিদ্যালয়ৰ শৈক্ষিক তথা বৌদ্ধিক উত্তৰণ এক নতুন সংযোজন হিচাপে মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগে এই বৰ্ষৰ পৰা "ই-আলাপ" নামেৰে এখন বাৰ্ষিক দ্বিভাষিক অনলাইন আলোচনী প্ৰকাশৰ যো-জা চলোৱা বুলি জানিবলৈ পাই আনন্দিত হৈছোঁ। মহাবিদ্যালয়ৰ বিভাগসমূহৰ ভিতৰত অনলাইন আলোচনীৰ এয়া প্ৰথম প্ৰচেষ্টা। ছাত্ৰ-ছাত্ৰীৰ মানসিক তথা বৌদ্ধিক বিকাশৰ কচৰতৰ এক মঞ্চ হিচাপে আলোচনীখনে জ্ঞান অন্বেষণ আৰু চৰ্চাৰ এক পৰম্পৰা সূচনা কৰক। এই প্ৰচেষ্টাৰ লগত জড়িত সকলোকে আন্তৰিক অভিনন্দন জনাই আলোচনীখনৰ উত্তৰোত্তৰ কামনা কৰিলোঁ।

(ডঃ ত্ৰৈলোক্য দিহিঙীয়া)
অধ্যক্ষ
Principal
Khowang College
Khowang Ghat

# শুভেচ্ছাবাণী



নতুনত্বই আমাৰ মনলৈ সদায় নতুন উদ্যম আৰু আনন্দ কঢ়িয়াই আনে। নতুন কামৰ আৰম্ভণি হৈছে এটা সতেজ অধ্যায়ৰ প্ৰাক মুহূৰ্ত য'ত উৎসুকতাৰে ভৰা প্ৰত্যাহ্বান, আৰু নতুন কৌশল শিকাৰ তথা অভিজ্ঞতা আহৰণ কৰাৰ সুযোগ অন্তৰ্নিহিত হৈ থাকে। সৰু-বৰ নতুন পদক্ষেপবোৰে  মগজুৰে বহন কৰি থকা বুদ্ধিমত্তাক কৰ্ষন কৰাৰ সুবিধা প্ৰদান কৰে। মই জানিবলৈ পাই অতি আনন্দিত হৈছোঁ যে, মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে তেনে এক নৱতম প্ৰয়াস হিচাপে “ই-আলাপ” নামেৰে এখন বাৰ্ষিক দ্বিভাষিক অনলাইন আলোচনী প্ৰকাশৰ দিহা কৰিছে। যদিও মহাবিদ্যালয়ত ই নতুন নহয় তথাপি বিভাগীয় হিচাপে এইয়া প্ৰথম পদক্ষেপ। ছাত্ৰ-ছাত্ৰী সকলৰ এই প্ৰয়াসে মোক নিশ্চিতভাৱে অতি আনন্দিত কৰাৰ লগতে বিভাগীয় শিক্ষক স্বৰূপে গৌৰৱৰ অংশীদাৰ কৰি তুলিছে। এনেদৰে বিভিন্ন মঞ্চৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিভা বিলাক বিকাশ হওক তাকেই কামনা কৰোঁ। মই আশাবাদী যে এই নতুন প্ৰচেষ্টা সৰ্বাংগ সুন্দৰ ৰূপত আত্মপ্ৰকাশ কৰিব।

বিভাগীয় ই-আলোচনীখনৰ প্ৰস্তাৱনা সংখ্যাৰ প্ৰকাশৰ ফেঁহুজালিতে নতুন চিন্তাৰ উকমুকনি আৰু সৃষ্টিৰ কৰ্ষণত জড়িত প্ৰতি গৰাকী ছাত্ৰ-ছাত্ৰীক মোৰ শুভাশীষ যাচিলোঁ। লগতে মোৰ প্ৰিয় সহকৰ্মী তপন শৰ্মা আৰু নিত্যানন্দ্ৰ দাসৰ প্ৰচেষ্টাৰ অকপট শলাগ ললোঁ। তেওঁলোকৰ অবিহনে এনেবোৰ কাৰ্যই কেতিয়াও বাস্তৱ ৰূপ নাপায়। শেষত ই-আলোচনীখনৰ দীৰ্ঘায়ু কামনা কৰিলোঁ।

দীপালি শইকীয়া
উপাধ্যক্ষা
খোৱাং মহাবিদ্যালয়
খোৱাংঘাট, ডিব্ৰুগড়, অসম

# সম্পাদকীয়

খোৱাং মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগে *প্ৰত্যয়* শীৰ্ষক এখন প্ৰাচীৰ পত্ৰিকা আৰু ***A Journal of Politics*** শীৰ্ষক এখন আলোচনী প্ৰকাশ কৰি বিভাগটোৰ ছাত্ৰ-ছাত্ৰীসকলক বৌদ্ধিক চিন্তা-চৰ্চাৰ মঞ্চ প্ৰদান কৰি আহিছে। শেহতীয়াকৈ বিভাগৰ পৰা *ই-আলাপ* নামেৰে এখন ই-আলোচনী প্ৰকাশ কৰাৰ সিদ্ধান্ত লোৱা হয়। আলোচনীখনে বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলক বিশ্বৰ ভিন্ন বিষয়ৰ সমালোচনাত্মক জ্ঞান-চৰ্চাৰ প্ৰতি আগ্ৰহী কৰি ক্ষেত্ৰত সহায় কৰিব। আলোচনীখনৰ প্ৰস্তাৱনা সংখ্যা সম্পাদনাৰ গুৰুদায়িত্ব আমাক অৰ্পণ কৰা হয় আৰু সকলোৰে সহায় সহযোগিতাত এই সংখ্যাটি প্ৰকাশৰ বাবে সাজু হৈছে।

সাহিত্যৰ বিভিন্ন শিতান প্ৰবন্ধ, গল্প, কবিতা, লিমাৰিক, গ্ৰন্থ সমালোচনা, চলচ্চিত্ৰ আলোচনা আদি এই সংখ্যাত ঠাই পাইছে। সাম্প্ৰতিক কালৰ সদ্য ব্যৱহৃত কৃত্ৰিম বুদ্ধিমত্তাৰ শৈক্ষিক ব্যৱহাৰিক দিশটোৰ সন্দৰ্ভত সংক্ষেপে আলোকপাত কৰি *কৃত্ৰিম বুদ্ধিমত্তা : ইয়াৰ শৈক্ষিক আৰু ব্যৱহাৰিক দিশ* শীৰ্ষক লেখাটিৰ জৰিয়তে এই বিষয়টোৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰিবলৈ ঘোৰণজ্যোতি চেলেঙে প্ৰয়াস কৰিছে। আলোচনীখনত নিহাৰিকা শইকীয়াই *নাৰীবাদ, নাৰীমুক্তি আৰু বৰ্তমান ৰাষ্ট্ৰ ব্যৱস্থা* শীৰ্ষক লেখাত নাৰীবাদৰ মূল ধাৰণাসমূহৰ সন্দৰ্ভে সংক্ষেপে আলোচনা কৰি নাৰীবাদৰ বিভিন্ন পৰ্যায় বা স্তৰসমূহ আলোচনা কৰিছে। লগতে ভাৰত ৰাষ্ট্ৰই মহিলা সুৰক্ষা সন্দৰ্ভত গ্ৰহণ কৰা আইন তথা কাৰ্যপন্থাৰ আলোকপাত কৰি প্ৰবন্ধটো সামৰিছে। তৃষ্ণা শইকীয়াই *জল জীৱন মিছন আৰু অসম* শীৰ্ষক প্ৰবন্ধত পানীৰ প্ৰয়োজন তথা পানীৰ ফলত হোৱা ৰোগৰ উল্লেখ কৰি ভাৰত ৰাষ্ট্ৰৰ জনকল্যানকামী আঁচনি জল জীৱন মিছনৰ সবিশেষ বৰ্ণন কৰিছে। আঁচনিখনৰ লক্ষ্য, উদ্দেশ্য আৰু সম্ভাৱনীয় যোগাত্মক ভূমিকাৰ পোষকতা কৰি আঁচনিখনে কিদৰে অসমৰ পানীৰ সমস্যাক ৰোধ কৰিব পাৰে সেইয়া উল্লেখ কৰি প্ৰবন্ধটি সামৰিছে। প্ৰবন্ধৰ শিতানটিত প্ৰতীম সোনোৱালে *ইক'টুৰিজিম* শীৰ্ষক লেখাত উত্তৰ-পূৰ্বাঞ্চলৰ কেতবোৰ পৰ্যটন ক্ষেত্ৰ, উদ্যান, পক্ষীৰ আৱাসভূমি তথা পৰিৱেশ সংক্ৰান্তীয় সমস্যাবোৰৰ ওপৰত আলোকপাত কৰি সামৰিছে। মনীষা লাহনে *পানী সংৰক্ষণ* শীৰ্ষক লেখাত পানী সংৰক্ষণৰ ক্ষেত্ৰত ভাৰতৰ পদক্ষেপ তথা আঁচনিৰ বৰ্ণনা সামৰি লৈছে। সম্প্ৰতি প্ৰযুক্তিবিদ্যাৰ যুগত দেখা দিয়া চাইবাৰ অপৰাধক এক সামাজিক ব্যাধি হিচাপে উল্লেখ কৰি এনে অপৰাধবোৰক কেনেধৰণেৰে নিৰ্মূল কৰিব পাৰি সেই সম্পৰ্কে গিৰিশ দত্তই *চাইবাৰ অপৰাধ* শীৰ্ষক প্ৰবন্ধত আলোচনা কৰিছে। একেদৰে বৰ্তমান সময়ৰ তথ্য প্ৰযুক্তিৰ যুগত দৈনন্দিন ব্যৱহৃত ইলেক্ট্ৰনিক সা-সঁজুলিৰ পৰা উৎপন্ন হোৱা ই-আৱৰ্জনাৰ সঠিক ব্যৱস্থাপনাৰ **3R** পদ্ধতিৰ উল্লেখেৰে হিমাশ্ৰী বড়াই *ই-আৱৰ্জনা* শীৰ্ষক প্ৰবন্ধটিত আলোকপাত কৰিছে। নিহামণি গগৈয়ে সাম্প্ৰতিক অসমৰ চৰ্চিত বিষয় উচ্ছেদৰ সন্দৰ্ভত *উচ্ছেদ অভিযান* শীৰ্ষক প্ৰবন্ধত এই বিষয়টিক আন্তৰাষ্ট্ৰীয় প্ৰেক্ষাপটত উপস্থাপন কৰি ইয়াৰ ইতিহাস আৰু আইন সম্পৰ্কীয় আলোচনা আগবঢ়াইছে। অসমৰ

জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ সামাজিক দায়বদ্ধতাৰ সন্দৰ্ভে *শিল্পী, সামাজিক দায়বদ্ধতা আৰু জুবিন গাৰ্গ* শীৰ্ষক প্ৰবন্ধত সূৰ্যমণি দত্তই এক ব্যাখ্যা আগবঢ়াইছে। *জলবায়ু পৰিৱৰ্তন আৰু মানৱ সভ্যতা* শিৰোনামেৰে এটি প্ৰবন্ধত উজ্জ্বল হাজৰিকাই মানৱ সভ্যতাৰ বিকাশত জলবায়ু পৰিৱৰ্তনৰ ভূমিকাৰ বিষয়ে আলোচনা কৰিছে। একদৰে ভাৰতত নাৰীৰ সামাজিক প্ৰস্থিতিৰ সন্দৰ্ভে *ভাৰতৰ প্ৰেক্ষাপটত নাৰীৰ নেতৃত্বঃ এক বিশ্লেষণ* নামৰ প্ৰবন্ধটিত হিমাশ্ৰী বড়াই বিস্তৰ আলোচনা আগবঢ়াইছে। আকৌ, ***PIL*** *আৰু সামাজিক ন্যায়* নামৰ প্ৰবন্ধত PIL কি, কিয় আৰু কেনেকৈ ব্যৱহাৰ কৰিব পাৰি, সেই সম্পৰ্কে ৰাহুল দাসে ব্যাৱহাৰিক দিশটোৰ বৰ্ণনা কৰিছে।

গ্ৰন্থ সমালোচনা শিতানত হিমাশ্ৰী বড়াই হোমেন বৰগোহাঞিদেৰৰ *হালধীয়া চৰায়ে বাওধান খায়* শীৰ্ষক গ্ৰন্থৰ আলোচনা আগবঢ়াইছে। উপন্যাসখনত ধনী শ্ৰেণীৰ দ্বাৰা দুখীয়া শ্ৰেণীৰ কিদৰে শোষণ হয়, অন্ধবিশ্বাস, কু-সংস্কাৰ আদিয়ে ন্যায় ব্যৱস্থাক কিদৰে দুৰ্বল কৰে, কৃষক-মাটিৰ সম্পৰ্ক আদিৰ প্ৰশ্নত ঔপনাসিকৰ দৃষ্টিভংগী আলোকপাত কৰিছে।

চলচ্চিত্ৰ সমালোচনা শিতানত ঘোৰণজ্যোতি চেলেঙে *মট্ৰো কী সাইকিল* বাস্তৱিক ছবিখনত এজন দিন হাজিৰা কৰা শ্ৰমিকৰ দৈনন্দিন জীৱন-গাঁথা, বিপদ আপদ তথা আৰ্থিক দৈন্যতাই তেওঁলোকক জুৰুলা কৰা আদি বিষয়বোৰ কিদৰে ছবিখনত উপস্থাপন কৰা হৈছে সেইয়া আলোকপাত কৰিছে। একেদৰে সৰস্বতী বড়াই *বসুন্ধৰা দ্য আৰ্থ* ছবিখনৰ আলোচনাত হাতী-মানৱৰ সংঘাতৰ বিষয়টো ছবিখনত কিদৰে তুলি ধৰা হৈছে, অসাধু চক্ৰই ৰাজনৈতিক আশীষধন্য হৈ অৰণ্য ধ্বংস কৰাৰ ফলত এই হাতী-মানৱৰ সংঘাতে কেনে এক ব্যাপকতা লাভ কৰিছে, এই বিষয়বোৰক ছবিখনে সামৰি লৈ এই সংঘাত দূৰ কৰাত আমাৰ দায়িত্ব কি হোৱা উচিত সেই সম্পৰ্কে ছবি নিৰ্মাতাৰ বক্তব্যক আলোকপাত কৰিছে।

গল্পৰ শিতানত সূৰ্যমণি দত্তই *ভোক* শিৰোনামেৰে এটি গল্পৰ দ্বাৰা নাৰী নিৰ্যাতনৰ বিষয়টো সাঙুৰি লোৱাৰ সমান্তৰালকৈ নিকিতা গগৈয়ে *সামৰ্থ* শিৰোনামৰ গল্পত বৰ্তমান সময়ত ধনী শ্ৰেণীয়ে বিবাহ অনুষ্ঠানত কৰা লাস-বিলাসিতাই দুখীয়া শ্ৰেণীক কেনে এক বিপাঙত পেলাইছে তাক ফুটাই তুলিছে।

ৰাজনীতি বিজ্ঞান বিভাগৰ জেষ্ঠ অধ্যাপিকা আৰু খোৱাং মহাবিদ্যালয়ৰ উপাধ্যক্ষা দীপালী শইকীয়া বাইদেউয়ে “আহিনৰ কবিতা”, সহকাৰী অধ্যাপক ক্ৰমে তপন শৰ্মা ছাৰে “মই, মোৰ অস্তিত্ব আৰু এই সময়” আৰু মিকাইল আনছাৰী ছাৰে “এমুঠি শ্বায়েৰী” শীৰ্ষক কবিতাৰে কবিতাৰ শিতানটি শুৱনি কৰিছে। একেদৰে কৃষ্টিৰেখা ভৰালী, নিহাৰিকা শইকীয়া, ৰিয়ান আহমেদ, ৰিষামণি বৰুৱা, ৰিংকু বড়া, বিশাল দাস, বৰষা দাস আৰু ঘোৰণজ্যোতি চেলেঙে ভিন্ন বিষয়ক কবিতা চৰ্চা কৰিছে।

ঘোৰণজ্যোতি চেলেঙে *আপদ চন্দ্ৰ বিপদ গগৈৰ বচন* শীৰ্ষক লিমাৰিকত জৰাজীৰ্ণ বাট-পথৰ সম্পৰ্কে ব্যংগ কৰি এটি লিমাৰিক লিখিছে।

উল্লেখ্য যে কথোপকথন শিতানত ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক প্ৰতীম শৰ্মা ছাৰে প্ৰদান কৰা লেখাই ই-আলাপৰ সোণত সুৰগা চৰাইছে।

আলোচনীখনৰ পৰিকল্পনাৰ সময়ত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° সচ্চিদানন্দ শইকীয়া ছাৰৰ পৰামৰ্শ অনুসৰি যিধৰণে পেইজ মেকাৰত আলোচনীখন প্ৰস্তুত কৰাৰ কথা আছিল, মই খুবেই দুঃখিত যে সেইয়া ভিন্ন কাৰণবশতঃ হৈ নুঠিল। ই-আলোচনীখনৰ পৰিকল্পনাৰ সময়ৰ পৰা সকলোবোৰ সমাপন নোহোৱা পৰ্যন্ত তত্ত্বাৱধায়ক হিচাপে কাৰিকৰী দিশত নিত্যানন্দ্ৰ দাস ছাৰে প্ৰদান কৰা দিহাবোৰৰ বাবে সম্পাদক হিচাপে কাৰ্যবোৰ কৰিবলৈ সহজ হৈছিল। দুয়োজন শিক্ষাগুৰুলৈ মোৰ আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰিলোঁ। ই-আলোচনীখনৰ নামকৰণৰ বেলিকা যথেষ্ট চিন্তা-চৰ্চা হোৱাৰ পাছত ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰদ্ধাৰ প্ৰতীম শৰ্মা ছাৰে প্ৰস্তাৱ দিয়া “ই আলাপ” শীৰ্ষক নামটি সৰ্ব সন্মতিত গ্ৰহণ কৰি আমি খোৱাং মহাবিদ্যালয়ৰ প্ৰথমখন বিভাগীয় ই-আলোচনী প্ৰস্তুত কৰা বাটে অগ্ৰসৰ হৈছিলোঁ। এই মুহূৰ্তত পাঠ পৰীক্ষণ কৰাৰ লগতে সৰু-বৰ প্ৰায়বিলাক কামতে ছাঁৰ দৰে লাগি থকা তপন শৰ্মা ছাৰৰ নাম উল্লেখ নকৰাকৈ নোৱাৰি। পাঠ পৰীক্ষণ আৰু সংশোধনৰ বেলিকা প্ৰতীম সোনোৱালকে মুখ্য কৰি গিৰিশ দত্ত, তৃষ্ণা শইকীয়া, হিমাশ্ৰী বড়া, পৰাণ বেজবৰুৱা আদি সকলোকে তেওঁলোকৰ দায়িত্ববোধৰ বাবে ধন্যবাদ জনালোঁ। বিনা দ্বিধাই নিজা লেপটপ প্ৰদান কৰি আলোচনীখনৰ প্ৰস্তুতিৰ কাৰ্যভাগত গতি প্ৰদান কৰা সহপাঠী মনীষা লাহনৰ এনে দায়িত্ববোধ শলাগনীয়। তদুপৰি “ই-আলাপ”ৰ সম্পাদনাত প্ৰত্যক্ষ বা পৰোক্ষভাৱে সহায়ক হৈ পৰা আৰু অজ্ঞাতে উল্লেখ কৰিবলৈ বৈ যোৱা সকলো সদস্যবৃন্দলৈ পুনৰ কৃতজ্ঞতা প্ৰদান কৰিলোঁ।

সদৌ শেষত, “ই-আলাপ” ৰ উত্তৰোত্তৰ কামনা কৰিছোঁ। অনিচ্ছাস্বত্বেও বৈ যোৱা ভুল-ক্ৰুটিবোৰক বিজ্ঞজনে আঙুলিয়াই দিলে নথৈ আনন্দিত হ’ম।

জয়তু ৰাজনীতি বিজ্ঞান বিভাগ।
জয়তু খোৱাং মহাবিদ্যালয়॥

ঘোৰণজ্যোতি চেলেং
সম্পাদক
ই-আলাপ

# সূচীপত্ৰ

**প্ৰবন্ধ শিতান ঃ**


- কৃত্ৰিম বুদ্ধিমত্তা ঃ ইয়াৰ শৈক্ষিক আৰু ব্যৱহাৰিক দিশ — ঘোৰণজ্যোতি চেলেং, পঞ্চম ষাণ্মাসিক || ১-৫
- নাৰীবাদ, নাৰীমুক্তি আৰু বৰ্তমান ৰাষ্ট্ৰব্যৱস্থা — নিহাৰিকা শইকীয়া, প্ৰথম ষাণ্মাসিক || ৬-১০
- জল জীৱন মিছন আৰু অসম — তৃষ্ণা শইকীয়া, পঞ্চম ষাণ্মাসিক || ১১-১৪
- ইক'টুৰিজিম — প্ৰতীম সোনোৱাল, প্ৰথম ষাণ্মাসিক || ১৫-১৭
- পানী সংৰক্ষণ — মনীষা লাহন, পঞ্চম ষাণ্মাসিক || ১৮-২০
- চাইবাৰ অপৰাধ — গিৰিশ দত্ত, প্ৰথম ষাণ্মাসিক || ২১-২৩
- ইলেকট্ৰনিক আৱৰ্জনা (E-Waste) — হিমাশ্ৰী বড়া, প্ৰথম ষাণ্মাসিক || ২৪-২৭
- উচ্ছেদ অভিযান — নিহামণি গগৈ, পঞ্চম ষাণ্মাসিক || ২৮-২৯
- শিল্পী, সামাজিক দায়বদ্ধতা আৰু জুবিন গাৰ্গ — সূৰ্যমণি দত্ত, পঞ্চম ষাণ্মাসিক || ৩০-৩৩
- জলবায়ু পৰিৱৰ্তন আৰু মানৱ সভ্যতা — উজ্জ্বল হাজৰিকা, প্ৰথম ষাণ্মাসিক || ৩৪-৩৬
- ভাৰতৰ প্ৰেক্ষাপটত নাৰীৰ নেতৃত্বঃ এক বিশ্লেষণ — হিমাশ্ৰী বড়া, প্ৰথম ষাণ্মাসিক || ৩৭-৩৮
- PIL আৰু সামাজিক ন্যায় — ৰাহুল দাস, তৃতীয় ষাণ্মাসিক || ৩৯-৪৫


**গ্ৰন্থ-সমালোচনা ঃ**


- হোমেন বৰগোহাঞিদেৱৰ "হালধীয়া চৰায়ে বাওধান খায়" — হিমাশ্ৰী বড়া, প্ৰথম ষাণ্মাসিক || ৪৬-৪৭


**চলচ্চিত্ৰ-আলোচনা ঃ**


- মট্টো কী সাইকিল — ঘোৰণজ্যোতি চেলেং, পঞ্চম ষাণ্মাসিক || ৪৮-৫০
- বসুন্ধৰা (The Earth) — সৰস্বতী বড়া, পঞ্চম ষাণ্মাসিক || ৫১-৫৩


**গল্প ঃ**


- সামৰ্থ — নিকিতা গগৈ, পঞ্চম ষাণ্মাসিক || ৫৪
- ভোক — সূৰ্যমণি দত্ত, পঞ্চম ষাণ্মাসিক || ৫৫


**কবিতা ঃ**


- আহিনৰ কবিতা — দীপালি শইকীয়া, উপাধ্যক্ষা, খোৱাং মহাবিদ্যালয় || ৫৬
- মই, মোৰ অস্তিত্ব আৰু এই সময় — তপন শৰ্মা, সহকাৰী অধ্যাপক (অংশকালীন) || ৫৭
- এমুঠি শ্বায়েৰী — মিকাইল আনছাৰী, সহকাৰী অধ্যাপক || ৫৮
- নতুন পুৱাৰ নতুন ৰং — কৃষ্টিৰেখা ভৰালী, পঞ্চম ষাণ্মাসিক || ৫৯
- একৈশ শতিকাৰ নাৰী — নিহাৰিকা শইকীয়া, প্ৰথম ষাণ্মাসিক || ৫৯
- আধৰুৱা সপোন — ৰিয়ান আহমেদ, প্ৰথম ষাণ্মাসিক || ৬০
- নিশা — ৰিষামণি বৰুৱা, প্ৰথম ষাণ্মাসিক || ৬০

❍ আবেলিৰ ৰ'দালি ✍ ৰিংকু বড়া, তৃতীয় ষাণ্মাসিক || ৬১
❍ নতুন প্ৰভাত ✍ বিশাল দাস, প্ৰথম ষাণ্মাসিক || ৬১
❍ তুমি নাৰী ✍ বৰষা দাস, তৃতীয় ষাণ্মাসিক || ৬২
❍ শূণ্যতা ✍ ঘোৰণজ্যোতি চেলেং, পঞ্চম ষাণ্মাসিক || ৬২

**লিমাৰিক ঃ**

❍ আপদ চন্দ্ৰ বিপদ গগৈৰ বচন ✍ ঘোৰণজ্যোতি চেলেং, পঞ্চম ষাণ্মাসিক || ৬৩

**কথোপকথন ঃ**

❍ মুকুতা সৃষ্টিৰ বেদনা ✍ প্ৰতীম শৰ্মা, বিভাগীয় প্ৰধান, ৰাজনীতি বিজ্ঞান বিভাগ || ৬৪-৬৫

**কৃতিত্ব**

❖ পুৰস্কাৰ ৬৬-৬৯
❖ ফলাফল আৰু জলপানি ৭০-৭২


**শৈক্ষিক-অনাশৈক্ষিক কাৰ্যসূচী** ৭৩-৭৮

**ফটো গেলেৰি** ৭৯-৮০

# কৃত্ৰিম বুদ্ধিমত্তা :- ইয়াৰ শৈক্ষিক আৰু ব্যৱহাৰিক দিশ

**ঘোৰণজ্যোতি চেলেং**
**পঞ্চম ষাণ্মাসিক**

কৃত্ৰিম বুদ্ধিমত্তা সাম্প্ৰতিক কালৰ সৃষ্টি নহয়। ১৯৫০ দশকৰ পৰা ইয়াৰ বিকাশ সাধন হ'বলৈ আৰম্ভ কৰিছিল। মানৱ সভ্যতাৰ ইমান দ্ৰুত গতিত বিৱৰ্তন হোৱা নাছিল যিমান এই প্ৰযুক্তিৰ বিকাশ আৰু নৱ-সংযোজনৰ গতিধাৰাত দেখা পোৱা গৈছে। সেয়েহে এই প্ৰযুক্তিৰ বিকাশৰ ফলশ্ৰুতিত মানৱ সম্পদে নিজা কৰ্ম সংস্থাপন হেৰুৱাৰ উপক্ৰম হ'ব বুলি বহুতে মত প্ৰকাশ কৰিছে। নিৰন্তৰে নৱ সংস্কৰণেৰে আগতকৈ অধিক উন্নত আৰু প্ৰভাৱশালী হৈ পৰা এই কৃত্ৰিম বুদ্ধিমত্তাৰ সন্দৰ্ভে নানান সমালোচনাত্মক প্ৰবন্ধবোৰত সমাজত ইয়াৰ নেতিবাচক আৰু ইতিবাচক প্ৰভাৱৰ বিষয়ে আলোচনা কৰা হৈছে। পিছে ইয়াৰ ব্যৱহাৰিক দিশটোক উপেক্ষা কৰা যেন অনুভৱ হয়। মন কৰিবলগীয়া যে কৃত্ৰিম বুদ্ধিমত্তা মাথোন এক সঁজুলি হে। গতিকে ইয়াৰ প্ৰভাৱ কেনে হ'ব সেইয়া সম্পূৰ্ণভাৱে ব্যৱহাৰকাৰীজনৰ ওপৰত নিৰ্ভৰশীল। অন্ততঃ বৰ্তমানলৈকে ই স্বয়ংক্ৰিয় নহয়। ব্যৱহাৰকাৰীৰ আদেশ নোপোৱা পৰ্যন্ত কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ৰিয়াৰ স্বভাৱ নিষ্ক্ৰিয় বুলিব পাৰি।




যিকি নহওক, সদ্যহতে শিক্ষাৰ্থীসকলে কৃত্ৰিম বুদ্ধিমত্তাক শৈক্ষিক দিশত কিদৰে ব্যৱহাৰ কৰিব পাৰে সেইয়া জনাটো অতিকৈ প্ৰয়োজনীয়। বিশেষকৈ সহজলভ্য কৃত্ৰিম বুদ্ধিমত্তা যেনে ChatGPT, Gemini, Grok, Perplexity, Google NotebookLM আদিবোৰৰ ব্যৱহাৰে শিক্ষাৰ্থীসকলক তেওঁলোকৰ শৈক্ষিক আৰু বৌদ্ধিক বিকাশত যথেষ্ট সহায় কৰিব পাৰে।

## কৃত্ৰিম বুদ্ধিমত্তা কি আৰু কিয় ?

কৃত্ৰিম বুদ্ধিমত্তাৰ ইংৰাজী প্ৰতিশব্দ Artificial Intelligence চমুকৈ AI দৰাচলতে এনে এক প্ৰযুক্তি যি মানৱীয় বুদ্ধিমত্তাৰ দৰে ভিন্ন কৰ্ম যেনে সমস্যাৰ চিনাক্তকৰণ আৰু সমাধান, সিদ্ধান্ত গ্ৰহণ আদি সুকলমে কম সময়ৰ ভিতৰত সম্পাদন কৰিব পাৰে। অৱশ্যে কৰ্মৰ ভিত্তিত ইয়াৰ নানান প্ৰকাৰ দেখিবলৈ পোৱা যায়। Generative Ai হ'ল ইয়াৰে এটি অন্যতম। Generative Ai বোৰৰ উপলব্ধ তথ্যক নিজা সৃষ্টিশীলতাৰে ন-কৈ উপস্থাপন কৰিব পৰা ক্ষমতা আছে কিন্তু সাধাৰণ কৃত্ৰিম বুদ্ধিমত্তা (Non Generative Ai) ত তেনে ক্ষমতা নাথাকে। মোবাইলৰ গেলেৰীত ফটোবোৰৰ ভিন্ন গ্ৰুপবোৰ নিজাকৈ গঠন হোৱা কাৰবাৰটো সাধাৰণ কৃত্ৰিম বুদ্ধিমত্তাৰ উদাহৰণ। সমান্তৰালকৈ ChatGPT, Gemini, Grok, Perplexity, Google NotebookLM আদিবোৰ একো একোটা Generative Ai যাৰ সন্দৰ্ভে এই লেখাত আলোচনা কৰা হৈছে।

শিক্ষাৰ্থীসকলে বৰ্তমানৰ সময়ত কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰৰ সম্পৰ্কে জনাটো অতিকৈ প্ৰয়োজন কিয়নো ইয়াৰ ব্যৱহাৰ সম্প্ৰতি নাজানিলে এক দক্ষতাৰ অভাৱ হোৱাহে বুজাব। যিদৰে কম্পিউটাৰৰ ব্যৱহাৰৰ নজনাটোৱে দক্ষতাৰ অভাৱক সূচায়। একেদৰে AI ৰ সঠিক ব্যৱহাৰ নজনাটোও এক দক্ষতাৰ অভাৱ বুলি ক'ব পাৰি। যিহেতুকে প্ৰায় প্ৰত্যেক কৰ্মক্ষেত্ৰতে কৃত্ৰিম বুদ্ধিমত্তাৰ সংযোজন বাঢ়িব লাগিছে গতিকে ইয়াৰ ব্যৱহাৰিক দিশটোৰ ওপৰত থকা জ্ঞানে শিক্ষাৰ্থীসকলক পৰৱৰ্তী পৰ্য্যায়ত নিয়োগ সম্ভাৱনা বৃদ্ধিত সহায় কৰিব পাৰিব।

## কৃত্ৰিম বুদ্ধিমত্তাই কি কৰিব নোৱাৰে ?

কৃত্ৰিম বুদ্ধিমত্তাই যথেষ্ঠ সংখ্যক কাম কৰিব নোৱাৰে। তলত এই বিষয়ে আলোচনা কৰা হ'ল-

ক) ইণ্টাৰনেটত উপলব্ধ নথকা তথ্যবোৰক কৃত্ৰিম বুদ্ধিমত্তাই ব্যৱহাৰকাৰীজনৰ বাবে উপলব্ধ কৰোৱাব নোৱাৰে। বিশেষকৈ স্থান, কাল, পাত্ৰ ভেদে আঞ্চলিক তথ্যবোৰ

এতিয়াও ইণ্টাৰনেটত উপলব্ধ নহয়। অৱশ্যে নিৰ্দিষ্ট বিষয়বোৰৰ বাবে আগতীয়াকৈ তথ্যবোৰ PDF বা আন ফৰ্মেটত ৰাখি কৃত্ৰিম বুদ্ধিমত্তালৈ প্ৰেৰণ কৰি সবিশেষ জানিব পাৰি।

খ) ভিন্ন কৃত্ৰিম বুদ্ধিমত্তাৰ ভিন্ন মডেলবোৰে বৰ্তমানলৈকে অসমীয়া ভাষাত লিখিব আৰু পঢ়িব পৰাকৈ সক্ষমতা দেখুৱাব পৰা নাই। যাৰ বাবে অসমীয়া ভাষাত প্ৰশ্ন কৰিলে ব্যৱহাৰকাৰীয়ে এই মডেলবোৰৰ পৰা অদ্ভুত বাক্য গাঁথনি তথা ভুল তথ্য পোৱাৰ সম্ভাৱনা বাঢ়ি যায়। এনে নহ'বলৈ ইংৰাজী নাইবা অন্য ভাষাৰ ব্যৱহাৰ কৰাই শ্ৰেয়।

গ) প্ৰশ্নকৰোঁতাৰ সাপেক্ষে হে উত্তৰ দিয়া হয়। শিক্ষাৰ্থী আৰু শিক্ষক দুয়োজনে একেটি প্ৰশ্ন কৰিলেও উত্তৰ ভিন্ন হ'ব লাগিব কিয়নো প্ৰশ্ন কোনো, কাক, কি উদ্দেশ্যে সুধিছে সেইয়া বিচাৰ কৰিহে উত্তৰ দিয়া হয়। কৃত্ৰিম বুদ্ধিমত্তাই ব্যৱহাৰকাৰীজনৰ পৰিচয় কিম্বা প্ৰশ্ন কৰাৰ অভিপ্ৰায়ৰ সম্বন্ধে মুঠেই নাজানে। সেয়ে প্ৰশ্ন কৰাৰ আগেয়ে সঠিক Prompt ব্যৱহাৰ কৰি ব্যৱহাৰকাৰীয়ে তেওঁৰ পৰিচয়ৰ সৈতে প্ৰশ্নৰ পটভূমি জনাই ল'ব লাগে।

ঘ) কৃত্ৰিম বুদ্ধিমত্তা কোনো বিষয়ৰ বিশেষজ্ঞ নহয়। গতিকে গা বেয়া হ'লে কি ঔষধ ল'ব লাগে, মূৰৰ বিষ কি ৰোগৰ লক্ষণ আদি বিষয়ক প্ৰশ্নবোৰৰ জৰিয়তে কৃত্ৰিম বুদ্ধিমত্তাৰ পৰা পৰামৰ্শ লোৱাৰ পৰা বিৰত থাকিব লাগে।

উল্লেখ্য যে আমেৰিকাৰ এজন ৬০ বছৰীয়া ব্যক্তিয়ে ChatGPT ৰ পৰা নিমখ (Sodium Chloride)ৰ সলনি Sodium Bromide গ্ৰহণ কৰাৰ পৰামৰ্শ লাভ কৰি ৩ মাহৰ বাবে নিতৌ আহাৰৰ লগত ব্যৱহাৰ কৰি যি মাৰাত্মক ৰোগক নিমন্ত্ৰণ জনাইছিল, সেইয়া নকলেও হ'ব।

ঙ) যিহেতু কৃত্ৰিম বুদ্ধিমত্তাৰ তথ্যবোৰ ইণ্টাৰনেটৰ ওপৰত নিৰ্ভৰশীল। সেয়ে ইণ্টাৰনেটৰ ভিন্ন উৎসত ভুলকৈ তথ্য থাকিলে অথবা তথ্যবিলাক ৰাজনৈতিকভাৱে উদ্দেশ্য প্ৰণীত হ'লে কৃত্ৰিম বুদ্ধিমত্তাই তথ্য প্ৰদানত বিভ্ৰান্তি সৃষ্টি হ'ব পাৰে। সেয়ে কেৱল কৃত্ৰিম বুদ্ধিমত্তাৰ ওপৰতে নিৰ্ভৰশীল নহৈ অন্য উৎসৰো সহায় ল'ব লাগে।

## কৃত্ৰিম বুদ্ধিমত্তাই কি কৰিব পাৰে ?

### ক) তথ্যৰ সন্ধান আৰু ৱেব ছাৰ্চ (Web Search)

ভিন্ন ফৰ্মেটত কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে তথ্যৰ সন্ধান কৰিব পাৰি। নিজা পাঠ্যক্ৰম আৰু কেতবোৰ বিষয়ৰ সম্বন্ধে সম্যক ধাৰণা এটিৰ বাবে যিদৰে প্ৰশ্ন কৰা হয়। একেদৰে ৱেব ছাৰ্চ (Web Search) ৰ সহায়ত বিষয়ভিত্তিক নথি পত্ৰ যেনে কিতাপ, পি.ডি.এফ, ৱেবচাইটৰ লিংক আদিবোৰ কিছু ছেকেণ্ডৰ ভিতৰতে লাভ কৰিব পাৰি। বিষয়ভিত্তিক তথ্যৰ সন্ধানৰ বাবে আটাইতকৈ ভাল কৃত্ৰিম বুদ্ধিমত্তাটো হ'ল Perplexity। ই উপৰোক্ত আন কৃত্ৰিম বুদ্ধিমত্তা কেইটাতকৈ অধিক সক্ৰিয়তাৰে তথ্যভিত্তিক সন্ধানত কাৰ্যসক্ষমতা দেখুৱাব পাৰে।

### খ) ফটো আৰু ভিডিঅ'ৰ সৃষ্টি

শৈক্ষিক দিশত ফটো আৰু ভিডিঅ'ৰ সৃষ্টি ভিন্ন প্ৰকল্প, গৃহকৰ্ম তথা চেমিনাৰ সম্পৰ্কীয় কাৰ্যত ব্যৱহাৰ হ'ব পাৰে। এইক্ষেত্ৰত যিকোনো কৃত্ৰিম বুদ্ধিমত্তাৰ সহায় ল'ব পাৰি যদিও Gemini ৰ সহায়ত সহজে Nano Banana আৰু Veo ব্যৱহাৰ কৰিব পৰা যায়।

### গ) অডিঅ' সৃষ্টি

সাধাৰণতে শৈক্ষিক ক্ষেত্ৰত শিক্ষাৰ্থী হিচাপে আমি কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে ভিন্ন তথ্যৰ সন্ধান কৰোঁ। আহৰণ কৰা তথ্যবিলাক আমি বিচৰা ধৰণেৰে নাথাকিবও পাৰে। Text, PDF নাইবা অন্য ধৰণেৰে থকা তথ্যবোৰক নিজা ভাষালৈ অডিঅ' ফৰ্মেটত আমি তৈয়াৰ কৰি ল'ব পাৰোঁ। ধৰা — ১৯৫০ চনৰ পৰা ২০০০ চনলৈ আমেৰিকাত কি কি ৰাজনৈতিক ঘটনা সংঘটিত হ'ল নাইবা কোনো এখন PDF ত থকা কিতাপ অডিঅ' ফৰ্মেটত প্ৰয়োজন হৈছে। তেতিয়া বিনামূল্যে Google NotebookLM ৰ জৰিয়তে এইয়া কৰিব পাৰি। ই কিছু সময়ৰ ভিতৰতে ৫ বা ১৫ মিনিটৰ অডিঅ' সৃষ্টি কৰি দিব পাৰে।

শেহতীয়াকৈ এই কৃত্ৰিম বুদ্ধিমত্তাত অডিঅ'ৰ লগতে Slide Deck, Quiz, Flashcards আৰু Info graphic সুবিধা প্ৰদান কৰা হৈছে। অৰ্থাৎ ইয়াৰ যোগেদি সকলোৱে PDF নাইবা অন্য তথ্য প্ৰদান কৰি PPT Presentation আৰু কুইজ, কাৰ্ডৰ সহায়ত তথ্য তথা গ্ৰাফিকৰ

সহায়ত যিকোনো বিষয় অধ্যয়ন কৰাৰ সুবিধা ল'ব পাৰে।

কেৱল উপৰোক্ত এনে কাৰ্যবোৰতে কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ শেষ বুলি কব পৰা নাযায়। পিছে এইয়া স্পষ্ট যে শৈক্ষিক দিশত প্ৰধানকৈ এনে কাৰ্যবোৰৰ জৰিয়তে শিক্ষাৰ্থীসকলে কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ কৰি নিজা পাঠ্যক্ৰম আৰু বিষয়ভিত্তিক জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিব পাৰে। কৃত্ৰিম বুদ্ধিমত্তাৰ সক্ষমতাবোৰ পৰিৱৰ্তনশীল। ওপৰৰ কাৰ্যবিলাক নতুন প্ৰযুক্তিৰ ক্ৰমবিকাশৰ বাবে কিছু সময়ৰ পাছত প্ৰযোজ্য নহ'ব পাৰে। সেয়ে শিক্ষাৰ্থীসকলে কৃত্ৰিম বুদ্ধিমত্তাৰ বাবে আটাইতকৈ প্ৰয়োজনীয় প্ৰম্'ট শৈলী (Prompt Engineering) ৰ ব্যৱহাৰ শিকাৰ থল আছে।

***Facts on an Artificial intelligent:***

- **কৃত্ৰিম বুদ্ধিমত্তা (AI) শব্দটো প্ৰথমে John McCarthy এ ১৯৫৬ চনত ব্যৱহাৰ কৰিছিল।**
- **Open AI ২০১৫ চনত প্ৰতিষ্ঠা কৰা হৈছিল। Open AI এ ChatGPT ক পোন প্ৰথমবাৰৰ বাবে ৩০ নৱেম্বৰ ২০২২ চনত উন্মোচন কৰিছিল।**
- **সম্প্ৰতি সহজলভ্য কৃত্ৰিম বুদ্ধিমত্তা কিছুমান হ'ল ChatGPT, Gemini, Grok, Perplexity, Google NotebookLM আদি।**

# নাৰীবাদ, নাৰীমুক্তি আৰু বৰ্তমান ৰাষ্ট্ৰব্যৱস্থা

নিহাৰিকা শইকীয়া
প্ৰথম ষাণ্মাসিক

নাৰীবাদ হৈছে এক গভীৰ আৰু বহল ধাৰণা যি কেৱল নাৰীৰ অধিকাৰৰ আন্দোলন নহয়, বৰঞ্চ ই এক সামাজিক, ৰাজনৈতিক আৰু দাৰ্শনিক দৃষ্টিভংগী যিয়ে লিংগৰ সমতা স্থাপনৰ পোষকতা কৰে। নাৰীবাদৰ লক্ষ্যই হৈছে সমাজত নাৰী আৰু পুৰুষৰ মাজত থকা সকলো প্ৰকাৰৰ বৈষম্য, অন্যায় আৰু অসমতা দূৰ কৰা। এই নাৰীবাদ শব্দটো ফৰাচী দাৰ্শনিক তথা ইউৰোপীয় সমাজবাদী চাৰ্লছ ফুৰীয়ে ১৮৩৭ চনত আনুষ্ঠানিকভাৱে ব্যৱহাৰ কৰিছিল বুলি ধাৰণা কৰা হয়। এই নাৰীবাদৰ মূল ধাৰণা সমূহ হ'ল-

- **সমান অধিকাৰ**
  - আইন, শিক্ষা, কৰ্মসংস্থাপন, আৰু সম্পত্তিৰ ক্ষেত্ৰত নাৰী আৰু পুৰুষৰ মাজত সম্পূৰ্ণ সমতা নিশ্চিত কৰা।
- **শাৰীৰিক স্বায়ত্তশাসন**
  - নাৰীয়ে নিজৰ শৰীৰ আৰু প্ৰজননৰ বিষয়ে নিজেই সিদ্ধান্ত লোৱাৰ ক্ষমতা, যেনে - গৰ্ভপাতৰ অধিকাৰ, স্বাস্থ্যসেৱাৰ বাছনি আদি।
- **লিংভিত্তিক ভূমিকাৰ প্ৰত্যাহ্বান**
  - সমাজত পুৰুষালি আৰু নাৰীসুলভ বুলি ধৰি লোৱা যি সংকীৰ্ণ ধাৰণা সমূহ ভংগ কৰা।
- **হিংসা আৰু উৎপীড়নৰ অন্ত**
  - যৌন নিৰ্যাতন, ঘৰুৱা হিংসা, আৰু কৰ্মক্ষেত্ৰত উৎপীড়নৰ পৰা নাৰীক সুৰক্ষা প্ৰদান কৰা।
  - নাৰী আন্দোলনসমূহক সাধাৰণতে তিনিটা ঐতিহাসিক পৰ্যায়ত ভগোৱা হয়, যিবোৰ ভিন ভিন গুৰুত্ব পূৰণ বিষয়ক কেন্দ্ৰ কৰি গঢ়ি উঠিছিল।

# নাৰীবাদৰ পৰ্যায়সমূহ

## প্ৰথম পৰ্যায় (The First Wave )

এই প্ৰথম পৰ্যায়ৰ নাৰীবাদৰ বিকাশ হৈছিল ১৮৩০ ৰ পৰা ১৯৩০ ৰ ভিতৰত। এই সময়চোৱাত উদাৰ নাৰীবাদী চিন্তাধাৰাৰো বিকাশ হৈছিল। ই ৰাজনৈতিক অধিকাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা দেখা গৈছিল।

## দ্বিতীয় পৰ্যায় (The Second Wave )

এই দ্বিতীয় পৰ্যায়ৰ নাৰীবাদ আমেৰিকা যুক্তৰাষ্ট্ৰত ৬০ দশকত আৰম্ভ হৈ পিছত বিভিন্ন ঠাইলৈ বিয়পি পৰিছিল। এই পৰ্যায়টি আমেৰিকা যুক্তৰাষ্ট্ৰত নাৰী মুক্তি আন্দোলন হিচাপে আৰম্ভ হৈ ১৯৮০ৰ দশকলৈ থাকিল।


## তৃতীয় পৰ্যায় (Third Wave)

এই পৰ্যায়টি ১৯৮০-১৯৯০ৰ দশকলৈ হৈছিল। প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ নাৰীবাদে মহিলাৰ নানান সমস্যাসমূহ সমাধান কৰিল আৰু মহিলাৰ ওপৰত চলি থকা শোষণ-শাসনৰ অন্ত পেলোৱাৰ কথা কৈছিল, তথাপি ই সকলো শ্ৰেণীৰ মহিলাৰ আশা আকাংক্ষাবোৰ প্ৰতিফলিত কৰিব পৰা নাছিল। প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ নাৰীবাদে উন্নয়নশীল দেশৰ মহিলা, সমকামী মহিলা, কৃষ্ণবৰ্ণী মহিলা আৰু নৱপ্ৰজন্মৰ মহিলাসকলক পৃথক জ্ঞান কৰা নাছিল। কিন্তু জাতি আৰু বৰ্ণভেদে মহিলাসকলৰ সমস্যাসমূহ ভিন ভিন হোৱাৰ বাবে তৃতীয় পৰ্যায়ৰ নাৰীবাদৰ উত্থান হয়।

নাৰীবাদৰ চেতনা আমাৰ নিজা নহয়, ই এক পশ্চিমীয়া ধাৰণা। ঊনৈশ শতিকাত মেৰী ওলস্তনক্ৰাফট, ষ্টুৱাৰ্ট মিল, হেৰিয়েট টেইলৰ, এলিজাবেথ আদিয়ে নাৰীবঞ্চনা, অত্যাচাৰৰ বিৰুদ্ধে পশ্চিমীয়া দেশসমূহত যি আন্দোলন চলাইছিল তাৰ মাজতেই নাৰীবাদী চেতনাৰ উন্মেষ ঘটিছিল। বিংশ শতিকাৰ মাজভাগত চিমন দ্য ব'ভোৱাৰ ‘দ্বিতীয় লিংগ’ (The Second Sex) নামৰ গ্ৰন্থখনে পশ্চিমীয়া নাৰীবাদী আন্দোলনৰ জোৱাৰ আনে। পৰৱৰ্তী সময়ত ইয়াৰ প্ৰভাৱ সকলো ৰাষ্ট্ৰলৈ বিয়পি পৰে ইয়াৰ প্ৰভাৱত আমাৰ দেশতও নাৰীমুক্তিৰ আন্দোলন গঢ়ি উঠিছিল।

ভাৰতত নাৰী মুক্তি আন্দোলনৰ আৰম্ভণিতেই ৰাজা ৰামমোহন ৰায়, দয়ানন্দ সৰস্বতী, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ আদিৰ নাম লেখত ল'ব লাগিব। এওঁলোকৰ সংস্কাৰ কাম কাজৰ মূল লক্ষ্য আছিল ভাৰতীয়

সমাজৰ নাৰীসকলক মুক্তি দিয়া আৰু অন্ধবিশ্বাস দূৰ কৰা। তেওঁলোকে সতীদাহ প্ৰথা নিষিদ্ধকৰণ, বহুবিবাহ বন্ধ আৰু বিধবা বিবাহ প্ৰচলন, নাৰীক পৈতৃক সম্পত্তিৰ অধিকাৰ দিয়া আৰু নাৰী শিক্ষাৰ ওপৰত যথেষ্ট গুৰুত্ব দিছিল। এওঁলোকৰ অহোপুৰুষাৰ্থৰ বাবে তেতিয়াৰ গৱৰ্ণৰ জেনৰেল লৰ্ড উলিয়াম বেণ্টিংকে ১৮২৯ চনত এখন আইনৰ জৰিয়তে ভাৰতত সতীদাস প্ৰথা বিলুপ্তি কৰে। উনবিংশ শতিকাৰ শেষৰ ফালে কিছুসংখ্যক মহিলাও নিজাকৈ কিছুমান সংগঠন স্থাপন কৰিছিল। ১৮৮২ চনত স্বৰ্ণকুমাৰী দেৱীয়ে মহিলা সমিতি গঠন কৰিছিল। এই সমিতিয়ে নাৰী শিক্ষাৰ প্ৰসাৰ কৰিছিল আৰু বিধৱা আৰু দুখীয়া মহিলাক অৰ্থনৈতিকভাবে সবল কৰিবৰ বাবে বিভিন্ন ব্যৱস্থা হাতত লৈছিল। ১৯১০ চনত ভাৰতত সকলো মহিলা উন্নতি সাধনৰ লক্ষ্যৰে সকলো জাতি, বৰ্ণক সামৰি 'ভাৰতত স্ত্ৰী মণ্ডল' নামৰ এটা ৰাষ্ট্ৰীয় পৰ্যায়ৰ মহিলা সংগঠন স্থাপন কৰে। বিশ্বযুদ্ধৰ পিছৰ সময়ছোৱাত মহিলাৰ ৰাজনৈতিক অধিকাৰৰ দাবীত ভাৰতত আন্দোলন হৈছিল। সৰোজিনী নাইডু, এনি বেছাণ্ট, মালতী পাতবৰ্ধন আদিয়ে এই আন্দোলনৰ গুৰি ধৰে। ১৯২৭ চনত All India Woman's Conference প্ৰতিষ্ঠা কৰা হৈছিল। All India Woman's Conference এ প্ৰধানত মহিলাৰ বিকাশ সাধিব বিচাৰিছিল।




ভাৰতীয় মহিলা আন্দোলন বা স্বাধীনতা আন্দোলনৰ সময়চোৱাত ১৯২০ ৰ দশকত শ্ৰমিক আন্দোলনত মহিলাসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। এই আন্দোলনত মনিবেন কাৰা, ঊষাবাঈ দাঙ্গে, পাৰ্বতী ভৰ আদি মহিলা নেত্ৰী জড়িত আছিল। এটা অতি গুৰুত্বপূৰ্ণ বিষয় হ'ল ভাৰতবৰ্ষত পুৰুষ আৰু মহিলাৰ লিংগ অনুপাতৰ প্ৰতি ১০০০ জন ল'ৰাৰ বিপৰীতে ৯২৭ গৰাকী ছোৱালী পোৱা গৈছিল। নাৰী মুক্তি আন্দোলনসমূহে এই লিংগ অনুপাত উন্নত কৰিবৰ বাবে বিভিন্ন পদক্ষেপ হাতত লৈছিল।

এনেধৰণৰ বিষয়সমূহক কেন্দ্ৰ কৰিয়েই ভাৰতবৰ্ষত নাৰীৰ মুক্তিৰ বাবে আন্দোলন গঢ়ি উঠিছিল। বৰ্তমান সময়তো নাৰীৰ মুক্তি বা উন্নয়নৰ বাবে বিভিন্ন নাৰী সংগঠন, সংস্থা আদিয়ে বিভিন্ন পদক্ষেপ হাতত লৈছে। বৰ্তমান সময়ত নাৰী সবলীকৰণৰ ক্ষেত্ৰত ৰাষ্ট্ৰ যথেষ্ট সজাগ হোৱা দেখা যায়। ভাৰতবৰ্ষত মহিলা সুৰক্ষা সম্পৰ্কীয় কিছুমান আইন প্ৰণয়ন আৰু কাৰ্যকৰী কৰা হৈছে। এনে কেইখন মান আইন হ'ল-

- মহিলা ঘৰুৱা হিংসা আইন (২০০৫)
- মহিলাৰ কৰ্মসংস্থাপনত যৌন নিৰ্যাতন আইন (২০১৩)
- যৌতুক নিষিদ্ধকৰণ আইন (১৯৬১)
- প্ৰসূতি সুবিধা আইন (১৯৬১ )
- বাল্যবিবাহ নিষিদ্ধকৰণ (২০০৬) আদি।

ইয়াৰোপৰি মহিলা সবলীকৰণৰ বাবে ভাৰত চৰকাৰে লোৱা কিছুমান আঁচনি যেনে -

- **আবাস আৰু নিৰাপত্তাৰ ক্ষেত্ৰত**
  - স্বধাৰ গৃহ
  - উজ্জ্বলা গৃহ
  - ৱান ষ্টপ চেণ্টাৰ
- **শিক্ষা আৰু বিকাশৰ বাবে**
  - বেটী বচাও বেটী পঢ়াও
  - সুদীৰ্ঘ গৃহিণীবন্দনা আঁচনি
  - সবলীকৰণৰ বাবে
  - ষ্টেণ্ড-আপ ইণ্ডিয়া আঁচনি
  - প্ৰধানমন্ত্ৰী মাতৃত্ব বন্দনা যোজনা আদি।

আমাৰ অসম চৰকাৰেও মহিলা সবলীকৰণৰ বাবে বিভিন্ন নতুন নতুন পদক্ষেপ গ্ৰহণ কৰি আহিছে।

**অৰুণোদয় আঁচনি-** দৰিদ্ৰ পৰিয়ালৰ মহিলাসকললৈ প্ৰতিমাহে নগদ অৰ্থ দিয়া হয় যাতে ঘৰুৱা ব্যয়, শিক্ষা, স্বাস্থ্য আদি সহজ হয়।

**মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনি-** মহিলাসকলে যদি ক্ষুদ্ৰ উদ্যোগ বা ব্যৱসায় আৰম্ভ কৰিবলৈ বিচাৰে, স্ব-সহায়ক গোষ্ঠী বা ব্যক্তিগত উদ্যোগ হিচাপে বীজৰ বাবে পুঁজিৰ সুবিধা, প্ৰশিক্ষণ ইত্যাদি প্ৰদান কৰা হয়।

**নিযুত মইনা আঁচনি-** ছাত্ৰীসকলক পঢ়া শুনাৰ সুবিধাৰ্থে মাহিলী ধন প্ৰদান কৰা হয়।

এনেদৰে সকলো ৰাষ্ট্ৰই নাৰীবাদৰ উদ্দেশ্য পূৰণৰ বাবে এনে আঁচনি-আইন আদি গ্ৰহণ কৰে। উন্নত দেশসমূহৰ তুলনাত উন্নয়নশীল দেশসমূহত মহিলাৰ স্থিতি যথেষ্ট পিছপৰা। বৰ্তমান সময়ত নাৰীৰ অধিকাৰকলৈ বিভিন্ন প্ৰশ্ন উত্থাপিত হৈ থকা দেখা যায়। ভাৰত চৰকাৰেও নাৰীৰ সবলীকৰণৰ বাবে নতুন নতুন ব্যৱস্থা গ্ৰহণ কৰিয়েই আছে। নাৰীবাদৰ নাৰী মুক্তি আৰু বৰ্তমানৰ ৰাষ্ট্ৰ ব্যৱস্থা এই তিনিওটাৰে এক গভীৰ সম্পৰ্ক আছে, কিয়নো ৰাষ্ট্ৰ ব্যৱস্থাই নাৰী মুক্তি বা নাৰীবাদৰ উদ্দেশ্য পূৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি আহিছে। নাৰীবাদে কেৱল নাৰীৰ উন্নয়নকে নুবুজাই ই সমগ্ৰ মানৱ জাতিৰ কল্যাণৰ লগত জড়িত।

- ‘নাৰীবাদ’ শব্দটো ফৰাচী শব্দ **Féminisme** ৰ পৰা আহিছে। ১৮৩৭ চনত এই শব্দটো ব্যৱহাৰ কৰা প্ৰথমজন ব্যক্তি হিচাপে ফৰাচী দাৰ্শনিক চাৰ্লছ ফুৰিয়েৰক কৃতিত্ব দিয়া হয়। পিছলৈ ফৰাচী নাৰী অধিকাৰ কৰ্মী হুবাৰ্টাইন অক্লাৰ্টে ১৮০০ চনৰ শেষৰ ফালে এই শব্দটো অধিক জনপ্ৰিয় কৰি তুলিলে।
- নাৰীবাদৰ চাৰিটা পযায় মন কৰিবলগীয়া। যথা -
  - প্ৰথম পৰ্যায় (১৯ শতিকাৰ পৰা ১৯২০)
  - দ্বিতীয় পৰ্যায় (১৯৬০-১৯৮০)
  - তৃতীয় পৰ্যায় (১৯৯০- ২০১০)
  - চতুৰ্থ পৰ্যায় (২০১২- বৰ্তমানলৈকে)

# জল জীৱন মিছন আৰু অসম

তৃষ্ণা শইকীয়া
পঞ্চম ষাণ্মাসিক

পৃথিৱীৰ সকলো জীৱৰ বাবে পানী হৈছে জীৱনৰ মূল আধাৰ। পানীৰ অবিহনে মানুহ, পহু-পক্ষী, গছ-গছনি বা কোনো জীৱই জীয়াই থাকিব নোৱাৰে। মানুহৰ দৈনন্দিন জীৱনৰ প্ৰায় প্ৰতিটো ক্ষেত্ৰতে পানীৰ প্ৰয়োজন অপৰিহাৰ্য। খোৱা-পিন্ধা, ৰন্ধা-বঢ়া, গা-ধোৱা, পৰিষ্কাৰ-পৰিচ্ছন্নতা, চিকিৎসা, কৃষিকাৰ্য, পশুপালন, উদ্যোগ আদি সকলো ক্ষেত্ৰতেই পানী এক অতি আৱশ্যকীয় সম্পদ। তথাপিও ইমান গুৰুত্বপূৰ্ণ এই পানী সুবিধা ভাৰতৰ কোটি কোটি গ্ৰামীণ মানুহে বহুবছৰ ধৰি সঠিকভাৱে লাভ কৰিব পৰা নাছিল। স্বাধীনতাৰ বহু দশক পাৰ হৈ যোৱাৰ পাছতো গাঁও অঞ্চলৰ বহু পৰিয়ালেই খাল, নদী, পুখুৰী, কুঁৱা বা বৰষুণৰ পানীৰ ওপৰতেই নিৰ্ভৰ কৰি জীৱন-যাপন কৰিব লগা হৈছিল। ইয়াৰ বহু পানী অপৰিষ্কাৰ আৰু ৰোগবাহক আছিল, যাৰ ফলত বছৰে বছৰে লাখ লাখ লোক পানীজনিত ৰোগত আক্ৰান্ত হৈছিল। বিশেষকৈ গাঁও অঞ্চলত পানী অভাৱৰ বাবে সমাজৰ সকলোতকৈ বেছি কষ্ট ভোগ কৰিব লগা হৈছিল মহিলা আৰু শিশুসকলে। বহু মহিলাই দিনে বহুবাৰ খোজ কাঢ়ি বহু দূৰৰ পৰা পানী আনিব লগা হৈছিল। ইয়াৰ ফলত তেওঁলোকৰ শৰীৰ দুৰ্বল হৈ পৰিছিল। বহু শিশুৱে পানী আনিবলৈ গৈ বিদ্যালয়লৈ সময় মতে যাব নোৱাৰিছিল। কেতিয়াবা অপৰিষ্কাৰ পানী খোৱাৰ ফলত শিশুসকল ডায়েৰিয়া, টাইফয়ড, জণ্ডিচ, পেটৰ বিষ আদি ৰোগত ভুগি বিদ্যালয় এৰিব লগা হৈছিল। এইবোৰ সমস্যাই গ্ৰামীণ সমাজৰ শিক্ষা, স্বাস্থ্য আৰু সামগ্ৰিক উন্নয়নত গভীৰ প্ৰভাৱ পেলাইছিল।

এই গভীৰ সমস্যাসমূহক উপলব্ধি কৰি ভাৰত চৰকাৰে এক সুদূৰ-প্ৰসাৰী আৰু ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰে। গ্ৰামীণ ভাৰতক সুস্থ, সুৰক্ষিত আৰু স্বাৱলম্বী কৰি গঢ়ি তোলাৰ লক্ষ্যৰে আৰম্ভ কৰা হয় এক বৃহৎ জনকল্যাণ মূলক আঁচনি "জল জীৱন মিছন"। এই আঁচনিৰ মূল লক্ষ্য হৈছে গ্ৰাম্যাঞ্চলৰ প্ৰতিটো পৰিয়াললৈ ঘৰৰ ভিতৰতেই পাইপেৰে বিশুদ্ধ খোৱা

পানী যোগান ধৰা। এই আচঁনিৰ মূল শ্ল'গান হৈছে- "হৰ ঘৰ জল", অৰ্থাৎ প্ৰতিটো ঘৰলৈ পানী। এই জনকল্যাণমূলক আঁচনিখন ১৫ আগষ্ট ২০১৯ তাৰিখে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ দ্বাৰা শুভাৰাম্ভ কৰা হয়। ইয়াৰ পাছৰ পৰাই ভাৰতৰ গ্ৰামীণ সামাজিক জীৱনত এক নতুন বিপ্লৱৰ সূচনা হয়। এই আঁচনি কেৱল এটা পানী যোগান পৰিকল্পনাই নহয়, ই হৈছে এক সামাজিক উন্নয়নৰ আন্দোলন, যিয়ে গ্ৰামীণ মানুহৰ জীৱন-যাপন ধাৰণাত আমূল পৰিৱৰ্তন আনিছে। এই বিশুদ্ধ পানীৰ সু-ব্যৱস্থা গাঁৱসমূহত নিশ্চিত হোৱাৰ ফলত স্বাস্থ্য উন্নত হৈছে, ৰোগ হ্ৰাস পাইছে, মহিলাৰ আত্মসন্মান বৃদ্ধি পাইছে আৰু শিশুসকলৰ শিক্ষাত নতুন গতিশীলতা আহিছে।

জল জীৱন মিছনৰ ভূমিকা কেৱল পানী যোগান আঁচনিৰ মাজতেই সীমাবদ্ধ নহয়। ই হৈছে এক সামাজিক বিপ্লৱ, যিয়ে গ্ৰামীণ জীৱন ধাৰণ সলনি কৰি পেলাইছে। ই স্বাস্থ্যৰ ক্ষেত্ৰত এক নতুন আশাৰ সঞ্চাৰ কৰিছে। মহিলাসকলক নতুন আত্মসন্মান আৰু স্বাৱলম্বনৰ পথ দেখুৱাইছে আৰু শিশুসকলৰ সুস্থ, শিক্ষিত আৰু উজ্জ্বল ভৱিষ্যতৰ দিশে আগুৱাই লৈ গৈছে। এই মিছনৰ জৰিয়তে গ্ৰাম্যাঞ্চলত পৰিষ্কাৰ পানীৰ স্থায়ী ব্যৱস্থা গঢ়ি তোলা হৈছে, যিয়ে ভৱিষ্যৎ প্ৰজন্মৰ বাবে এক সুস্থ আৰু উন্নত ভাৰত গঢ়াৰ ভিত্তি গঢ়ি তুলিছে।

জল জীৱন মিছনৰ মূল লক্ষ্য আৰু উদ্দেশ্য হৈছে প্ৰতিটো গ্ৰামীণ পৰিয়াললৈ কাৰ্যক্ষম নলৰ সংযোগ প্ৰদান কৰা। ভাৰতৰ গ্ৰামীণ সমাজক সুস্থ, সুৰক্ষিত আৰু আত্মনিৰ্ভৰশীল কৰি তোলা। এই আঁচনিখনৰ অন্যতম লক্ষ্য হৈছে গ্ৰাম্যাঞ্চলৰ প্ৰতিটো পৰিয়াললৈ ঘৰৰ ভিতৰতেই পাইপেৰে নিৰাপদ, পৰিষ্কাৰ আৰু পৰ্যাপ্ত খোৱা পানী যোগান ধৰা। এই আঁচনিৰ জৰিয়তে গ্ৰামীণ মানুহক পানীজনিত ৰোগৰ পৰা সুৰক্ষা প্ৰদান কৰা। পূৰ্বে গাঁৱৰ মানুহে খাল-বিল, পুখুৰী, কুঁৱা-নদীৰ অপৰিষ্কাৰ পানী ব্যৱহাৰ কৰিছিল। তাৰ ফলত বহু ধৰণৰ বেমাৰে দেখা দিছিল। জল-জীৱন মিছনৰ লক্ষ্য হৈছে এই সকলো ৰোগৰ মূল কাৰণ অৰ্থাৎ অপৰিষ্কাৰ পানী ব্যৱহাৰ সম্পূৰ্ণৰূপে হ্ৰাস কৰা। এই মিছনৰ আন এক লক্ষ্য হৈছে ডিজিটেল ব্যৱস্থাৰ জৰিয়তে স্বচ্ছতা আৰু নিৰীক্ষণ বৃদ্ধি কৰা অৰ্থাৎ পানীৰ যোগান ব্যৱস্থা, পানী গুণৰ মানদণ্ড পৰীক্ষা কৰা। জল-জীৱন মিছনৰ মূল গুৰুত্ব হ'ল স্বাস্থ্য সুৰক্ষা, শিক্ষাৰ

ক্ষেত্ৰত উন্নতি, মহিলাৰ সবলীকৰণ, সামাজিক বিকাশ ইত্যাদি বৃদ্ধি কৰি তোলা।

## অসমত জল জীৱন মিছন

জল জীৱন মিছন অসমৰ বাবে অতি গুৰুত্বপূৰ্ণ এখন জনকল্যাণমূলক আঁচনি হিচাপে পৰিগণিত হৈছে। অসম এখন নদ-নদী, বিল, জলাশয় আৰু বৰষুণে ভৰা ৰাজ্য হ'লেও ইয়াত বিশুদ্ধ খোৱা পানীৰ সমস্যা আগতে আজিৰ তুলনাত বহু আছিল। বিশেষকৈ বানপানী, মথাউৰি ভাঙন, চৰণীয়া ভূমি, চহৰ অঞ্চল, পাহাৰীয়া অঞ্চল আৰু চাহ-বাগিছা অঞ্চলত মানুহে বহু বছৰ ধৰি নিৰাপদ খোৱা পানী সংকত ভোগ কৰি আহিছিল। বহুতো গাঁৱৰ মানুহে খাল-বিল, পুখুৰী, কুঁৱা নদী বৰষুণৰ পানী আদিৰ ওপৰতেই নিৰ্ভৰ কৰি জীৱন-যাপন কৰিছিল যাৰ ফলত দূষিত আৰু ৰোগবাহক হোৱাৰ বাবে বিভিন্ন ছালৰ ৰোগ, জণ্ডিচ, ডায়েৰিয়া আদিত ভুগি গাঁৱসমূহত প্ৰচুৰ ক্ষতি সাধন কৰিছিল।

এই গম্ভীৰ সমস্যাসমূহৰ স্থায়ী সমাধানৰ উদ্দেশ্যে অসমত জল জীৱন মিছনৰ ৰূপায়ণ আৰম্ভ কৰা হয়। এই আঁচনিৰ অধীনত অসমৰ গাঁৱে গাঁৱে পাইপেৰে বিশুদ্ধ খোৱা পানীৰ যোগানৰ ব্যৱস্থা কৰি হৈছে। ৰাজ্যখনত এই আঁচনি ৰূপায়ণত অসম চৰকাৰে বিশেষ সক্ৰিয়তা প্ৰদৰ্শন কৰিছে। গাঁও পঞ্চায়ত, জনস্বাস্থ্য কাৰিকৰী বিভাগ, আত্মসহায়ক গোট আৰু স্থানীয় যুৱ সমাজক অংশীদাৰ কৰি আঁচনি ৰূপায়ণ কৰা হৈছে।

অসমত জল জীৱন মিছনৰ জৰিয়তে হাজাৰ হাজাৰ গাঁৱত কাৰ্যক্ষম নল সংযোগ প্ৰদান কৰা হৈছে। বহুত গাঁৱৰ ঘৰত নলযোগে পানী আনিবলৈ সময়ৰ খৰচ কৰা মহিলাসকলে এতিয়া ঘৰৰ ভিতৰতে সহজে পানী লাভ কৰিছে। ইয়াৰ ফলস্বৰূপে শাৰীৰিকভাৱে শক্তিশালী হোৱাৰ লগতে শিক্ষা, আত্মনিৰ্ভৰশীলতা আৰু উপাৰ্জনমূলক কামত অধিক মনোনিৱেশ কৰিব পাৰিছে। মহিলা সবলীকৰণৰ ক্ষেত্ৰত এই আঁচনিখনে অসমত এক নতুন দিশ উন্মোচন কৰিছে। অসম বানপানী প্ৰৱণ ৰাজ্য হোৱাৰ বাবে বিশুদ্ধ পানীৰ যোগান এক ডাঙৰ সমস্যা আছিল। জল জীৱন মিছনৰ অধীনত এতিয়া বহু গাঁৱত ভূ-গৰ্ভস্থ পানী উৎস সংৰক্ষণ, উচ্চ জলাধাৰ, বিকল্প পানী গঢ়ি তোলা হৈছে। চহৰ অঞ্চল, পাহাৰীয়া অঞ্চলসমূহ আৰু দুৰ্গম বনাঞ্চলতো জল জীৱন মিছনৰ বিশেষ গুৰুত্ব আছে। এই অঞ্চলসমূহত পূৰ্বে পানী যোগান ব্যৱস্থা গঢ়ি

তোলা কঠিন আছিল। এতিয়া নতুন প্ৰযুক্তি, পাইপলাইন বিস্তাৰ, পানী উচ্চ ভাণ্ডাৰ আৰু পানী যোগান ব্যৱস্থাৰ জৰিয়তে বহু দুৰ্গম গাঁৱত পানী সমস্যা বহু পৰিমাণে সমাধান হ'বলৈ ধৰিছে।



অসমৰ কৃষি-অৰ্থনীতিৰ ক্ষেত্ৰতো এই আঁচনিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। পানীৰ সঠিক ব্যৱস্থাই কৃষিকাৰ্য সহজ কৰিছে। শস্য উৎপাদনত সহায় কৰিছে আৰু পশুপালনৰ ক্ষেত্ৰত সুবিধা বৃদ্ধি কৰিছে। গৃহ উদ্যোগ, ক্ষুদ্ৰ উদ্যোগ আৰু স্বাধীনযুক্ত ব্যৱস্থাত নতুন সংযোগ সৃষ্টি হৈছে। ইয়াৰ ফলত লাহে লাহে অঞ্চলসমূহ অৰ্থনৈতিকভাৱে স্বাৱলম্বী হৈ পৰিছে। এই আঁচনিৰ জৰিয়তে অসমত পানীৰ গুণগত মানদণ্ড পৰীক্ষা ব্যৱস্থাও শক্তিশালী কৰা হৈছে। সমাজৰ অংশগ্ৰহণ বৰ্ধন কৰাটো অসমত জল জীৱন মিছনৰ আন এটা গুৰুত্বপূৰ্ণ দিশ। গাঁৱবাসীক পানী যোগান ব্যৱস্থাৰ ৰক্ষণাবেক্ষণত মনযোগ কৰি তেওঁলোকৰ মাজত দায়িত্ববোধ গঢ়ি তোলা হৈছে। ইয়াৰ ফলত মানুহে পানীক নিজৰ সম্পদ বুলি গণ্য কৰি অপচয় নকৰি সংৰক্ষণ কৰাৰ মানসিকতা গঢ়ি তোলাত সহায় হৈছে।

আজি আধুনিক যুগত এখন দেশৰ উন্নয়নৰ সঁচা মাপকাঠি হৈছে দেশৰ নাগৰিক কিছুমান সুৰক্ষিত, সুস্থ আৰু সন্মানজনক জীৱন-যাপন কৰিব পাৰিছে। সেই দৃষ্টিকোণৰ পৰা চাবলৈ গ'লে জল জীৱন মিছন হৈছে ভাৰতৰ গ্ৰামীণ সমাজৰ বাবে এক আশাৰ পোহৰ। এই আঁচনিখনে দৰিদ্ৰতা দূৰীকৰণ, ৰোগ হ্ৰাস, মহিলা সবলীকৰণ আৰু শিশুৰ ভৱিষ্যৎ গঢ়াত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। সেয়েহে ক'ব পাৰি যে জল জীৱন মিছন কেৱল এখন চৰকাৰী আঁচনি নহয়; ই হৈছে নতুন ভাৰত গঢ়াৰ এক শক্তিশালী সংকল্প॥

**"জল জীৱন মিছন" আঁচনিৰ মূল লক্ষ্য হৈছে গ্ৰাম্যাঞ্চলৰ প্ৰতিটো পৰিয়াললৈ ঘৰৰ ভিতৰতেই পাইপেৰে বিশুদ্ধ খোৱা পানী যোগান ধৰা। এই আঁচনিৰ মূল শ্ল'গান হৈছে- "হৰ ঘৰ জল" অৰ্থাৎ প্ৰতিটো ঘৰলৈ পানী।**

# ইক'টুৰিজিম

প্ৰতীম সোনোৱাল

প্ৰথম যাণ্মাসিক



সাম্প্ৰতিক বিশ্বত পৰ্যটন উদ্যোগটোৱে ব্যাপকভাৱে প্ৰসাৰতা লাভ কৰিছে। এই ক্ষেত্ৰত ভাৰতবৰ্ষও পিছ পৰি ৰোৱা নাই। বিশেষকৈ পৰিৱেশ পৰ্যটন বা ইক'টুৰিজিম ধাৰণাটো প্ৰসাৰ হোৱাৰ দেখা গৈছে। ইক'টুৰিজিম বুলিলে সাধাৰণতে প্ৰকৃতিক পৰিৱেশৰ ক্ষতি নকৰাকৈ অভিজ্ঞতা ল'ব বিচৰা পৰ্যটকসকলৰ বাবে আগবঢ়োৱা সেৱাকেই বুজা যায়। ই হৈছে এনে এক প্ৰকাৰৰ পৰ্যটন য'ত প্ৰাকৃতিক এলেকালৈ দায়িত্বশীল ভ্ৰমণ, পৰিৱেশ সংৰক্ষণ, স্থানীয় লোকসকলৰ কল্যাণ উন্নত কৰা আদি অন্তৰ্ভুক্ত হৈ থাকে। ইয়াৰ উদ্দেশ্য হ'ব পাৰে ভ্ৰমণকাৰীসকলক শিক্ষিত কৰা, স্থানীয় সম্প্ৰদায়ৰ অৰ্থনৈতিক বিকাশ আৰু ৰাজনৈতিক সৱলীকৰণক পোনপটীয়াকৈ লাভান্বিত কৰা বা বিভিন্ন সংস্কৃতি আৰু মানৱ অধিকাৰৰ প্ৰতি সন্মান বৃদ্ধি কৰা।

ভাৰতীয় গ্ৰাম্য সমাজতো ইক'টুৰিজিম ধাৰণাটো আগবঢ়াই নিব পাৰি। গ্ৰাম্য সমাজ প্ৰধান আমাৰ দেশত গ্ৰাম্য ভ্ৰমণেও এক সুস্থ অভিজ্ঞতা প্ৰদান কৰিব পাৰে। প্ৰকৃতিৰ অমল উপাদানেৰে

ভৰপূৰ বিভিন্ন গাঁও ভ্ৰমণে আৱেগিক বান্ধোন সুদৃঢ় কৰাৰ লগতে গ্ৰাম্য পৰ্যটন ক্ষেত্ৰলৈও আশাৰ বতৰা কটিয়াই আনিব পাৰে। গাঁৱৰ সমাজ সভ্যতা, শিল্প সংস্কৃতি, আদ্ৰভূমি আদি সংৰক্ষণৰ প্ৰতি নৱপ্ৰজন্মৰ মাজত সজাগতা বৃদ্ধি পাইছে। শীতৰ আগমণৰ লগে লগে জলাশয়সমূহলৈ আগমণ ঘটা বিদেশী চৰাই-চিৰিকতি, লোক-সংস্কৃতি, পৰম্পৰাগত জীৱন শৈলী, ভৌগোলিক পৰিকাঠামো আদি সমলসমূহে পৰ্যটকৰ আকৰ্ষণৰ মূল কাৰণ উঠিব পাৰে। ইক'টুৰিজিম ধাৰণাটোৱে গাঁৱৰ লোকসকলক অৰ্থনৈতিকভাৱেও স্বাৱলম্বী কৰা দেখা যায়।

সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ লগতে অসমখন হৈছে জৈৱ-বৈচিত্ৰ্যতা ক্ষেত্ৰত অত্যন্ত এক চহকী ক্ষেত্ৰ আৰু বহু স্পৰ্শকাতৰ পৰিৱেশতন্ত্ৰৰ আলয় হিচাপে খ্যাত। ইয়াত ইক'টুৰিজিমৰ যথেষ্ট সম্ভাৱনা আছে। উত্তৰ-পূৰ্বাঞ্চলৰ অসম আৰু ত্ৰিপুৰাৰ বাহিৰে বাকী কেইখন ৰাজ্যত সুউচ্চ সেউজীয়া গছ-গছনি আৰু শিলেৰে আবৃত পাহাৰ দেখা যায়। পাহাৰৰ ৰাস্তাৰ মাজেৰে যাত্ৰা কৰি পৰ্যটকসকলে প্ৰাকৃতিক পৰিৱেশ উপভোগ কৰে। লগতে পাহাৰৰ মাজেৰে বৈ অহা নদী, জান-জুৰি, ঝৰ্ণা, হ্ৰদ আদিতো পৰ্যটকসকলে প্ৰাকৃতিক পৰিৱেশ উপভোগ কৰা পৰিলক্ষিত হয়। দেশৰ প্ৰথম সূৰ্যৰ কিৰণ অৰুণাচল ৰাজ্যৰ ডং ভেলীত পৰে। ইয়াৰ লগতে ৰাজ্যখনৰ জিৰ'ভেলী, তাৱাং নামদফা ৰাষ্ট্ৰীয় উদ্যান আদি পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু। ঠিক তেনেদৰে মেঘালয়ৰ চেৰাপুঞ্জী, নকৰেক ৰাষ্ট্ৰীয় উদ্যান, চিকিমৰ তস্মগো হ্ৰদ, মণিপুৰৰ লকটক হ্ৰদ আদি উল্লেখযোগ্য ইক'টুৰিজিমৰ পৰ্যটনক্ষেত্ৰ। উত্তৰ-পূৰ্বাঞ্চলৰ আন এখন ৰাজ্য অসমত ৭ খন ৰাষ্ট্ৰীয় উদ্যান, ১৮ খন অভয়াৰণ্য, ৪৬ খন পক্ষীৰ আবাসভূমি আৰু ১৩৪ খন প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল আছে। ৰাজ্যখনত মুঠ ৩২৩ খন সংৰক্ষিত বনাঞ্চলেৰে ৰাজ্যখনৰ মাটিকালি প্ৰায় ৩৫% সেউজীয়া অৰণ্যভূমিয়ে আগুৰি আছে। এই অৰণ্যভূমিৰ লগতে ইয়াৰ নৈসৰ্গিতা আৰু জৈৱ বৈচিত্ৰতাই স্থানীয় আৰু দেশী-বিদেশী পৰ্যটক আৰু প্ৰকৃতি-প্ৰেমীক সকলোকো আকৰ্ষণ কৰি আহিছে। অৰ্থাৎ অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলত ইক'টুৰিজিম তথা পৰিৱেশ পৰ্যটনৰ প্ৰভাৱ আমি ইতিমধ্যে লক্ষ্য কৰি আহিছোঁ। কিন্তু উত্তৰ পূৰ্বঞ্চলৰ এলেকাটোত চৌপাশে উপলব্ধ এই প্ৰচুৰ সম্পদৰাজিৰ লৈ চাই অঞ্চলটোত পৰিৱেশ

পৰ্যটনৰ প্ৰসাৰতা যেনেদৰে হ'ব লাগিছিল তেনেদৰে হোৱা নাই যেন অনুভৱ হয়। ইয়াৰ বাবে আমাৰ অজ্ঞতা, উপযুক্ত আচঁনি, প্ৰচাৰ আৰু আন্তঃ গাথঁনিৰ অভাৱ, পৰিৱেশ-প্ৰকৃতি সুৰক্ষাৰ প্ৰতি থকা আমাৰ অদায়বদ্ধতাই মূল জগৰীয়া। আকৌ বানপানী, ভমিকম্প, ভূমিস্খলন, বৃষ্টিপাত আদি প্ৰাকৃতিক সমস্যাসমূহৰ লগতে প্ৰকৃতিৰ সন্তুলন ৰক্ষা নকৰাকৈ মানুহে জধেমধে গঢ়ি তোলা কৃত্ৰিম সমস্যাবোৰো ইক'টুৰিজিম বিকাশৰ প্ৰধান অন্তৰায় হিচাপে চিহ্নিত হৈছে।

যদি আমি এই সমস্যাসমূহক সুপৰিকল্পিতৰূপত সমাধানৰ চেষ্টা কৰোঁ তেন্তে নিশ্চিতভাৱে উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনীতিত এই পৰ্যটনে এক সুদূৰপ্ৰসাৰী ইতিবাচক প্ৰভাৱ পেলাবলৈ সক্ষম হ'ব। ইক'টুৰিজিমৰ সম্প্ৰসাৰণে প্ৰকৃতিৰ সন্তুলন তথা ভাৰসাম্যতাক নিয়ন্ত্ৰণ কৰাটো যথেষ্ট সহায় কৰিব। লগতে ই আমাৰ পৰিৱেশকো নিকা আৰু প্ৰদূষণমুক্ত কৰি ৰখোৱাত সহায় কৰিব। ইয়াৰ অনুৰূপধৰণে এই পৰ্যটনে স্থানীয় অধিবাসীসকলৰ আৰ্থিক, সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, শৈক্ষিক ইত্যাদি দিশসমূহকো সমৃদ্ধিশালী কৰিব।

ইক'টুৰিজিম বুলিলে সাধাৰণতে প্ৰকৃতিক পৰিৱেশৰ ক্ষতি নকৰাকৈ অভিজ্ঞতা ল'ব বিচৰা পৰ্যটকসকলৰ বাবে আগবঢ়োৱা সেৱাকেই বুজা যায়।

অসম চৰকাৰেও ইক'টুৰিজিমৰ বাবে অইল ইণ্ডিয়া লিমিটেডৰ সৈতে চাচনি মেৰবিল পৰিৱেশ পৰ্যটন প্ৰকল্পৰ দৰে কাৰ্যবোৰ হাতত লৈছে।
বানপানী, ভমিকম্প, ভূমিস্খলন, বৃষ্টিপাত আদি প্ৰাকৃতিক সমস্যাসমূহৰ লগতে প্ৰকৃতিৰ সন্তুলন ৰক্ষা নকৰাকৈ মানুহে জধে-মধে গঢ়ি তোলা কৃত্ৰিম সমস্যাবোৰো ইক'টুৰিজিম বিকাশৰ প্ৰধান অন্তৰায় হিচাপে চিহ্নিত হৈছে। যদি আমি এই সমস্যাসমূহক সুপৰিকল্পিতৰূপত সমাধানৰ চেষ্টা কৰোঁ তেন্তে নিশ্চিতভাৱে উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনীতিত এই পৰ্যটনে এক সুদূৰপ্ৰসাৰী ইতিবাচক প্ৰভাৱ পেলাবলৈ সক্ষম হ'ব।


ইক'টুৰিজিমৰ সম্প্ৰসাৰণে প্ৰকৃতিৰ সন্তুলন তথা ভাৰসাম্যতাক নিয়ন্ত্ৰণ কৰাটো যথেষ্ট সহায় কৰিব। লগতে ই আমাৰ পৰিৱেশকো নিকা আৰু প্ৰদূষণমুক্ত কৰি ৰখোৱাত সহায় কৰিব। ইয়াৰ অনুৰূপধৰণে এই পৰ্যটনে স্থানীয় অধিবাসীসকলৰ আৰ্থিক, সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, শৈক্ষিক ইত্যাদি দিশসমূহকো সমৃদ্ধিশালী কৰিব।

# পানী সংৰক্ষণ

**মনীষা লাহন**

পঞ্চম যাণ্মাসিক

পানী হৈছে প্ৰকৃতিৰ পৰা উৎপাদিত আটাইতকৈ গুৰুত্বপূৰ্ণ সম্পদ। পানী জীৱৰ প্ৰাণ। পানীৰ অবিহনে জীৱ জগত জীয়াই থকাটো অসম্ভৱ। জীৱন ধাৰণ আৰু পৰিৱেশৰ ভাৰসাম্য ৰক্ষাৰ বাবে পানী অতি জৰুৰী। লগতে কৃষিকাৰ্য্য বা খেতি-বাতিত পানীৰ প্ৰয়োজনীয়তা উপৰি পৰিস্কাৰ-পৰিচ্ছনতা আৰু অনাময় ব্যৱস্থাৰ বাবেও পানী অপৰিহাৰ্য্য। জীৱ-জন্তু বাবেই নহয় বৰঞ্চ সেউজ বৃদ্ধি বাবেও পানীয়ে হৈছে একমাত্ৰ উৎস। পৃথিৱীৰ প্ৰায় দুই তৃতীয়াংশই পানীয়ে আগুৰি আছে। অত্যাধিক ব্যৱহাৰৰ ফলত উপযোগী পানীৰ পৰিমাণ দিনক দিনে কমি গৈছে। যাৰ ফলত সমগ্ৰ বিশ্বতে বিশুদ্ধ পানীৰ নাটনি হোৱা দেখা গৈছে। উদ্ভিদ আৰু প্ৰাণী দুয়োবিধকে জীয়াই থাকিবৰ বাবে পানী অতিকৈ সহজলভ্য হোৱাটো খুবেই জৰুৰী সেয়েহে পানী সংৰক্ষণ কৰাটো বহুতো প্ৰয়োজন। আমাৰ দেশ ভাৰতবৰ্ষ যদিও সমগ্ৰ বিশ্বৰ মুঠ জনসংখ্যাৰ ১৮ শতাংশ আৰু প্ৰাণী জগতৰ ১৫ শতাংশ বাসস্থান তেনে সময়ত মাথো ৪ শতাংশ পানীৰ উৎসহে ভাৰতত আছে। ভাৰতে বছৰি প্ৰায় ১৭৭০ মিলিমিটাৰ পানী লাভ কৰে কিন্তু তাৰে পঞ্চমাংশ পানীও ধৰি ৰাখিবলৈ বা সংৰক্ষণ কৰি ৰাখিবলৈ সক্ষম নহয় যাৰ বাবে প্ৰায় ৬০ কোটি মানুহে পানীৰ অভাৱত থাকিব লগা হৈছে।




দেশৰ নীতি আয়োগৰ পৰিসংখ্যাৰ অনুসৰি ২০৩০ চনলৈ ভাৰতত পানীৰ যি প্ৰয়োজনীয়তা আছে সেইয়া বৰ্তমানৰ তুলনাত মাত্ৰ দুগুণ বৃদ্ধি পাব আৰু ২০৫০ চনৰ ভিতৰত পানীৰ অভাৱে দেশৰ জি.ডি.পিৰ ৬ শতাংশ কমাই আনিব। এই

পৰিপ্ৰেক্ষিতত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাৰে বাৰে দোহাৰিছে যে মহাত্মা গান্ধী গ্ৰাম্য নিয়োজন আঁচনিৰ জৰিয়তে বৰষুণৰ পানী সংৰক্ষণৰ ব্যৱস্থা কৰিব পাৰে আৰু এই পৰিকল্পনাৰে সমগ্ৰ দেশৰ ৪০৬ খন জিলাৰ ৬ লাখ গাঁৱৰ পানীৰ সমস্যাৰ পৰা উপকৃত কৰিব পৰা যাব।

এসময়ত সম্ৰাট অশোকে পানী সংৰক্ষণৰ বাবে পুখুৰী খন্দাইছিল। সেইয়া আজিৰ দিনত অতীত যদিও আমাৰ সমাজত পানীৰ উৎস সমূহ ইচ্ছাকৃতভাৱে একাংশই নষ্ট কৰি অহা পৰিলক্ষিত হৈছে। লগতে বিভিন্ন উন্নয়নমূলক কামেও পানীৰ উৎসসমূহ প্ৰদূষিত কৰা তথা ব্যৱহাৰৰ অনুপযোগী কৰাৰ উদাহৰণ সমাজত দেখিবলৈ পোৱা যায়। বিশ্ব স্বাস্থ্য সংস্থাৰ মতে বিশুদ্ধ খোৱাপানী অভাৱৰ বাবেই বিশ্বৰ ৩,৯০০ শিশুৱে মৃত্যুক সাৱতি লয়, যিটো শিশুৰ মৃত্যুৰ দ্বিতীয় ভয়াৱহ কাৰক।

বৰ্তমান সময়ত দেখা যায় যে পানী সংৰক্ষণৰ বাবে চৰকাৰে বহুতো পদক্ষেপ তথা আচঁনি গ্ৰহণ কৰিছে। জল সম্পদৰ দৰে মন্ত্ৰালয় স্থাপন কৰি চৰকাৰে সমগ্ৰ দৃষ্টিকোণ প্ৰতিঘৰলৈ পানীৰ সুব্যৱস্থাপনা কৰা তথা পানীৰ সংৰক্ষণৰ দিশত বৈপ্লৱিক পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰধান মন্ত্ৰী সিঞ্চন আঁচনি, প্ৰতিখন খেতি পথাৰলৈ পানী, পাৰ ড্ৰপ মোপক্ৰপ শীৰ্ষক অভিযান, নমামী গংগে অভিযান, জল জীৱন মিছন, অটল ভূ-জল মিছন, কেটছ দ্যা ৰেইন (বৰষুণৰ পানী সংৰক্ষণ অভিযান) আদি অনেক আঁচনি আৰু অভিযানবোৰৰ জৰিয়তে পানীৰ সংৰক্ষণ আৰু ব্যৱস্থাপনাৰ ক্ষেত্ৰত জনতাক সংযুক্ত কৰি দিয়া হৈছে। ইয়াৰ এক তথ্য তলত দাঙি ধৰা হল- পূৰ্বতে ঘৰ-ঘৰ জলৰ দ্বাৰা ৩.২৩ কোটি ঘৰত ২০১৯ লৈ নল সংযোগ ৪৮,৭৭২ আছিল। ২০২০ ৰ ২ অক্টোবৰলৈ নলৰ জৰিয়তে পানী পোৱা স্কুলৰ সংখ্যা। ২৫,০৯২ অংগনবাড়ী কেন্দ্ৰলৈ ২০২০ চনৰ ২ অক্টোবৰলৈ নলীৰ জৰিয়তে পানী গৈছিল। এতিয়া, ৯ কোটি গ্ৰাম্যাঞ্চল ঘৰলৈ নলৰ জৰিয়তে পানী যোগান, জল জীৱন মিছন আৰম্ভ হোৱাৰ পৰা এতিয়ালৈ এইয়া ১৭৯ শতাংশৰ বৃদ্ধি। ৫.৮ কোটি ঘৰলৈ নলৰ জৰিয়তে পানী গৈছে আঢ়ৈ বছৰত, মানে প্ৰতিদিন ৬৩ হাজাৰ ঘৰলৈ সংযোগ। আজি দেশৰ ১.৩৬ লাখৰো অধিক গ্ৰামাঞ্চলত ঘৰ ঘৰ জল। ৮,৪৮,১১৩ হৈছে নলৰ সংযোগ থকা স্কুলৰ সংখ্যা। ২৩ ফেব্ৰুৱাৰী ২০২২ লৈ ৮,৬৯,৪০৬ অংগনবাড়ী কেন্দ্ৰলৈ নলৰ জৰিয়তে পানী। বৰ্তমান সময়ত এই

আঁচনিসমূহে জল সংৰক্ষণৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছে। লগতে সফলভাৱে কাৰ্যকৰী কৰাত সহায়ক হৈছে।

আমি সকলোৱে পানী সংৰক্ষণৰ ক্ষেত্ৰত আপোচবিহীনভাৱে কাম কৰিব লাগিব য'ত থাকিব দৃঢ়তা আৰু স্বচ্ছতা। বৰষুণৰ পানী সংৰক্ষণ, পৰিশোধিত পানীৰ পুনৰ ব্যৱহাৰকৰণ, গছ-ৰোৱা আদিৰ দৰে কামবোৰ পৰ্য্যায়ক্ৰমে কৰা উচিত যিয়ে আমাক সাম্ভাব্য পানীৰ অভাৱৰ পৰা সকাহ দিব পাৰে। সকলো ৰাজ্যই যদি তেলেংগানাৰ দৰে পানীৰ উৎসসমূহ পুনৰুদ্ধাৰৰ বাবে যুদ্ধকালীন ক্ষীপ্ৰতাৰে ব্যৱস্থা হাতত লয় তেন্তে এই ভয়াৱহ বিপদৰ পৰা হাত সাৰিব পাৰিব। তাৰোপৰি জনসাধাৰণৰ মাজত পানী সংৰক্ষণৰ ওপৰত বিভিন্ন প্ৰচাৰ চলালে বহুতো পৰিৱেশৰ ভাৰসাম্যতা ৰক্ষা কৰাৰ হেতুকে আমি পানী সংৰক্ষণ কৰাটো প্ৰয়োজন। বিশুদ্ধ খোৱাপানীৰ অভাৱত বিভিন্ন ধৰণৰ ৰোগ হয়, সেয়েহে পানী সংৰক্ষণ কৰি বিশুদ্ধ ৰূপত সেৱন কৰাটো অত্যন্ত প্ৰয়োজনীয়। সেইদৰে গছ-গছনি, জীৱ-জন্তুৰ বাবেও পানী আৱশ্যক। গতিকে আহক সকলোৱে পানী সংৰক্ষণ কৰি এখন সুন্দৰ পৃথিৱী নিৰ্মাণ কৰোঁ।

- পানী হৈছে প্ৰকৃতিৰ পৰা উৎপাদিত আটাইতকৈ গুৰুত্বপূৰ্ণ সম্পদ। জীৱন ধাৰণ আৰু পৰিৱেশৰ ভাৰসাম্য ৰক্ষাৰ বাবে পানী অতি জৰুৰী। লগতে কৃষিকাৰ্য্য বা খেতি-বাতিত পানীৰ প্ৰয়োজনীয়তা উপৰি পৰিস্কাৰ-পৰিচ্ছনতা আৰু অনাময় ব্যৱস্থাৰ বাবেও পানী অপৰিহাৰ্য্য। জীৱ-জন্তু বাবেই নহয় বৰঞ্চ সেউজ বৃদ্ধি বাবেও পানীয়ে হৈছে একমাত্ৰ উৎস।
- পৃথিৱীৰ প্ৰায় দুই তৃতীয়াংশই পানীয়ে আগুৰি আছে। পৃথিৱীৰ প্ৰায় ৭১% অংশ পানীয়েৰে ঢকা। ইয়াৰ ভিতৰত ৯৭% লুণীয়া পানী (সমুদ্ৰৰ পানী) আৰু মাত্ৰ ৩% পানী হে খোৱাৰ যোগ্য। পিছে এই ৩% পানী ভিন্ন জলাশয়, নদ-নদী, ভূ-পৃষ্ঠ আদিত বিয়পি আছে।
- পানী সংৰক্ষণৰ বাবে চৰকাৰে প্ৰধান মন্ত্ৰী সিঞ্চন আঁচনি, পাৰ ড্ৰপ মোপক্ৰপ, নমামী গংগে অভিযান, জল জীৱন মিছন, অটল ভূ-জল মিছন, কেটছ দ্যা ৰেইন (বৰষুণৰ পানী সংৰক্ষণ অভিযান) আদি পদক্ষেপ তথা আচঁনি গ্ৰহণ কৰিছে।

# চাইবাৰ অপৰাধ

**গিৰিশ দত্ত**

**প্ৰথম ষাণ্মাসিক**

সম্প্ৰতি প্ৰযুক্তিবিদ্যাৰ ওপৰতে আমাৰ গতানুগতিক সমাজখন নিৰ্ভৰশীল। দৈনন্দিন বিভিন্ন কৰ্মৰাজিত আজিৰ নানান প্ৰযুক্তিসমূহ এনেদৰে অন্তৰ্ভুক্ত হৈ পৰিছে যে ই প্ৰত্যকৰে জীৱনৰ চালিকা শক্তি স্বৰূপ হৈ পৰিছে। আজি আমি মোবাইল ফোনৰ অবিহনে দৈনন্দিন কৰ্মসমূহ কল্পনা কৰিব নোৱাৰোঁ। কম্পিউটাৰ ব্যৱহাৰ অবিহনে আমাৰ বহুতো কাম-কাজ স্থবিৰ হৈ পৰিব। মুঠতে কম্পিউটাৰ আৰু ইণ্টাৰনেটে আমাৰ কৰ্মক্ষেত্ৰখনত তথা পদ্ধতিসমূহত এক বৈপ্লৱিক পৰিৱৰ্তন আনি দিছে। প্ৰায় সকলোবোৰ ক্ষেত্ৰতে এতিয়া ইণ্টাৰনেটৰ বহুল ব্যৱহাৰ হৈছে। অনলাইন যোগে টকা পইচা লেন-দেন অনলাইন বাৰ্তা যোগান তথা প্ৰেৰণ ইত্যাদি সকলো ইণ্টাৰনেটৰ মাধ্যমেৰে সম্ভৱ হৈ উঠিছে। চৰকাৰী-বেচৰকাৰী কাৰ্য্যালয়, ব্যক্তিগত প্ৰতিষ্ঠান, বিদ্যালয়, মহাবিদ্যালয় তথা



বিশ্ববিদ্যালয় ইত্যাদি সকলোতে ইণ্টাৰনেটৰ বহুল ব্যৱহাৰ হৈছে।

বিশ্ব ইণ্টাৰনেট পৰিসংখ্যাৰ মতে চলিত বৰ্ষৰ যোৱা মাৰ্চ মাহলৈকে সমগ্ৰ বিশ্বতে মুঠ ইণ্টাৰনেট ব্যৱহাৰকাৰীৰ সংখ্যা আছিল প্ৰায় ৩৭৪ কোটি যি গোটেই বিশ্বৰ মুঠ জনসংখ্যাৰ প্ৰায় ৪৯.৭ শতাংশ। গতিকে ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে ইণ্টাৰনেটৰ প্ৰচলন আৰু জনপ্ৰিয়তা কিমান। এইধৰণে মানৱ জীৱনত ইণ্টাৰনেট এক অবিচ্ছেদ অংগ হৈ পৰা লগে-লগে আৰু সমাজৰ প্ৰায় সকলো স্তৰলৈ ইয়াৰ ব্যৱহাৰিক প্ৰসাৰ ঘটাৰ যি আধাৰ সেই আধাৰৰ দ্বাৰাই ইয়াৰ অত্যাধুনিক দিশসমূহৰ অপব্যৱহাৰ ধাৰণাও

মানুহৰ মনত গা কৰি উঠিছে। ফলত চাইবাৰ অপৰাধৰ দৰে সামাজিক ব্যাধিৰ জন্ম হৈছে। সম্প্ৰতি এই অপৰাধ সমাজৰ এক বৃহৎ ব্যাধিস্বৰূপ। সাধাৰণ অৰ্থত চাইবাৰ অপৰাধ বুলি কলে ইণ্টাৰনেট আৰু কম্পিউটাৰ মাধ্যমেৰে কোনো অসাধু চক্ৰই উদ্দেশ্য প্ৰণোদিত জনসাধাৰণৰ অথবা কোনো অত্যাৱশ্যকীয়, ব্যক্তিগত তথা গোপনীয় তথ্য-পাতিৰ বিনাশ ঘটাই অথবা চোৰ কৰি সেই তথ্য পাতিৰ অপব্যৱহাৰ কৰি তথা তাৰ প্ৰকৃত মূল্য হ্ৰাস কৰে। তেনেধৰণৰ অসাধু কাৰ্যকলাপ বোৰকে চাইবাৰ অপৰাধ বুলি কোৱা হয়।

চাইবাৰ অপৰাধক বিভিন্ন ভাগত বিভক্ত কৰিব পাৰি আৰু তাৰ চমু পৰিচয় তলত উল্লেখ কৰা হ'ল –

**১) চাইবাৰ সন্ত্ৰাস**

উগ্ৰপন্থী সকলৰ দ্বাৰা সংঘটিত বোমা বিস্ফোৰণ জাতীয় ভয়ংকৰ অসামাজিক তথা অমানৱীয় কাৰ্য্যত যেতিয়া কম্পিউটাৰ আৰু ইণ্টাৰনেটক মাধ্যম হিচাপে ব্যৱহাৰ কৰা হয়। তেতিয়াই এই সমগ্ৰ প্ৰক্ৰিয়াটোক চাইবাৰ সন্ত্ৰাস হিচাপে জনা যায়। ই এক ভয়াৱহ চাইবাৰ অপৰাধ।

**২) ঠগ আৰু অৰ্থ সংক্ৰান্তীয় অপৰাধ**

উদ্দেশ্য-প্ৰণোদিতভাৱে কোনোবা অসাধু ব্যক্তিয়ে বা তেনে কোনো ব্যক্তিৰ দৰে কাৰোবাৰ অথবা কোনো প্ৰতিষ্ঠান আদিৰ গোপনীয় তথা অত্যাৱশ্যকীয় তথ্য পাতি নষ্ট কৰা তথা অনলাইন যোগে কোনো বিত্তীয় প্ৰতিষ্ঠানৰ ব্যক্তিৰ অৰ্থ চোৰ কৰাৰ দৰে অপৰাধসমূহ এই শ্ৰেণীৰ চাইবাৰ অপৰাধৰ ভিতৰত পৰে।

**৩) অনলাইন হেকিঙৰ যোগেদি অৰ্থ দাবী**

ব্যক্তি অথবা প্ৰতিষ্ঠানৰ কোনো গোপনীয় তথ্য চোৰ কৰি অৰ্থ দাবী তথা দাবী নামানিলে তথ্য নষ্ট কৰাৰ ভাবুকি প্ৰদান কৰা কাৰ্যক চাইবাৰ এক্সটৰ্চন বুলি কোৱা হয়।

**৪) কম্পিউটাৰ সংক্ৰান্তীয়**

এইধৰণৰ অপৰাধসমূহত কেৱল কম্পিউটাৰসমূহক লক্ষ্য হিচাপে লোৱা হয়। ইন্টাৰনেটৰ জৰিয়তে কম্পিউটাৰত ভাইৰাছৰ আক্ৰমণ কৰি তথ্য নষ্ট কৰি দিয়ে।

**৫) অসংগত দৃশ্য অথবা পৰ্ণগ্ৰাফী**

বিভিন্ন কৌশলযুক্ত পদ্ধতিৰে পৰ্ণগ্ৰাফী দৃশ্যসমূহ ইণ্টাৰনেটৰ যোগেদি কম্পিউটাৰত উপলব্ধ কৰাই ইয়াৰ প্ৰচাৰ চলোৱা হয় তথা ইয়াৰ দ্বাৰা জনমানসত বিকৃত মানসিকতা বিয়পোৱাৰ চেষ্টা কৰা

হয়। ই এক ভয়াৱহ অপৰাধৰ গণ্ডীৰত পৰে।

চাইবাৰ অপৰাধ এতিয়া বিশ্বৰ সৰ্ববৃহৎ আৰু দ্ৰুত গতিত বৃদ্ধি পোৱা অপৰাধৰ ধৰণ সমূহৰ ভিতৰত অন্যতম। ২০২৫ চনৰ হিচাপত ইয়াৰ প্ৰভাৱ অৰ্থনৈতিক, সামাজিক ৰাজনৈতিক আৰু জাতীয় সুৰক্ষাৰ ক্ষেত্ৰত অতি গুৰুত্ব হৈ পৰিছে। Cyber Security Ventures ৰ অনুমান মতে ২০২৫ চনত চাইবাৰ অপৰাধৰ বাবে বিশ্বৰ মুঠ অৰ্থনৈতিৰ ক্ষতি প্ৰতিবছৰে ১০.৫ ট্ৰিলিয়ন ডলাৰো অধিক হ'ব। যিটো বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতিৰ সমতুল্য হ'ব। Indian Cyber Crime Coordination Centre -14c ৰ তথ্য অনুসৰি ভাৰতত ২০২৪-২৫ চনত চাইবাৰ জালিয়াতিৰ বাবে প্ৰায় ১.২ লাখ কোটি টকাৰো অধিক ক্ষতি হৈছে।

UPI, বেংকিং আৰু অনলাইন জালিয়াতিৰ ফলত লক্ষ লক্ষ টকা মানুহে হেৰুৱাইছে। চীন, ৰাছিয়া, উত্তৰ কোৰিয়াৰ, ইৰাণ আদি দেশৰ চাইবাৰ গোটে বিদ্যুৎ গ্ৰিড চৰকাৰী ডেটাৱেইচ নিৰ্বাচন ব্যৱস্থাত আদি আক্ৰমণ কৰিছে। ভাৰতত, চীন সমৰ্থিত গোট যেনে APT41, Mustang Panda ই বিদ্যুৎ বেংক প্ৰতিৰক্ষা খণ্ডক বাৰে বাৰে আক্ৰমণ কৰিছে। 2020 ৰ মুম্বাই বিদ্যুৎ বিপৰ্যয়ৰ লগতো চাইবাৰ আক্ৰমণৰ সন্দেহ আছে। ডাটা চুৰি তথা ব্যক্তিগত তথ্য সমূহ চুৰ কৰি বিভিন্ন ধৰণৰ প্ৰবঞ্চনাৰ বলি হোৱা ব্যক্তিজনৰ পৰা ধন দাবী কৰে। ২০২৪ত বিশ্বত ৩০০০ কোটিৰো অধিক ব্যক্তিগত ডাটা চুৰি হৈছে।

চাইবাৰ বুলিং, ডীপফেক পৰ্ণগ্ৰাফী, ৰিভেঞ্জ পৰ্ণৰ ফলত বিশেষকৈ নাৰী আৰু কিশোৰীৰ আত্মহত্যাৰ ঘটনা বাঢ়িছে। চাইবাৰ অপৰাধ এতিয়া কেৱল ডিজিটেল অপৰাধ নহয়, ই এটা বিশ্বব্যাপী সংকট যি অৰ্থনীতি, গণতন্ত্ৰ, সুৰক্ষা, মানৱ অধিকাৰক প্ৰত্যাহ্বান জনাইছে।

- ❑ **সাধাৰণ অৰ্থত চাইবাৰ অপৰাধ বুলি ক'লে ইণ্টাৰনেট আৰু কম্পিউটাৰ মাধ্যমেৰে কোনো অসাধু চক্ৰই উদ্দেশ্য প্ৰণোদিত জনসাধাৰণৰ অথবা কোনো অত্যাৱশ্যকীয়, ব্যক্তিগত তথা গোপনীয় তথ্য–পাতিৰ বিনাশ ঘটাই অথবা চোৰ কৰি সেই তথ্য পাতিৰ অপব্যৱহাৰ কৰি তথা তাৰ প্ৰকৃত মূল্য হ্ৰাস কৰে। তেনেধৰণৰ অসাধু কাৰ্যকলাপ বোৰকে চাইবাৰ অপৰাধ বুলি কোৱা হয়।**

# ই-আৱৰ্জনা

হিমাশ্ৰী বড়া
প্ৰথম ষাণ্মাসিক

বৰ্তমানৰ যুগটো হৈছে তথ্য প্ৰযুক্তিৰ যুগ। সাম্প্ৰতিক সময়ত আধুনিক জীৱন যাপনৰ প্ৰতি মানৱ সমাজ ইমানেই বেছি আগ্ৰহী হৈ পৰিছে যে মানুহে দৈনন্দিন জীৱনৰ বিনোদনৰ পৰা আৰম্ভ কৰি ৰন্ধা-বঢ়া, কৃষি, অফিচ-কাছাৰী ইত্যাদি প্ৰায় সকলো ক্ষেত্ৰতে বৈজ্ঞানিক-ইলেকট্ৰনিক সা-সঁজুলি অধিক মাত্ৰাত ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছে। কিন্তু এই সামগ্ৰীসমূহৰ কু-প্ৰভাৱৰ প্ৰতি মানৱ সমাজ সজাগ নহয়। ফলত এই সামগ্ৰী সমূহৰ পৰা উদ্ভৱ হোৱা ই-আৱৰ্জনা বা ইলেকট্ৰনিক আৱৰ্জনা আধুনিক সমাজৰ এক ভয়াৱহ সমস্যা হিচাপে বিজ্ঞসকলৰ মাজত চৰ্চিত হোৱা দেখিবলৈ পোৱা গৈছে।

ই-আৱৰ্জনা বা ইলেকট্ৰনিক আৱৰ্জনা মানে হ'ল ব্যৱহাৰৰ অনুপযোগী বা নষ্ট হৈ যোৱা ইলেকট্ৰনিক সঁজুলিসমূহ উদাহৰণস্বৰূপে ম'বাইল ফোন, কম্পিউটাৰ, টেলিভিশ্যন, ফ্ৰিজ, ৱাছিং মেচিন, বেটাৰী, লেপটপ আদি। এই সঁজুলিসমূহ পেলনীয়া সামগ্ৰী হিচাপে যতে-ততে নিক্ষেপ কৰাৰ ফলত এইবোৰ ই-আৱৰ্জনাৰ অংশ হৈ পৰে। ইলেকট্ৰনিক আৱৰ্জনা সমূহৰ পৰা



সীহ, পাৰা, কেডমিয়াম আৰু ক্ৰমিয়ামৰ দৰে বহুতো বিষাক্ত ৰাসায়নিক পদাৰ্থ নিৰ্গত হয়, যিবোৰ পৰিৱেশ আৰু মানৱ স্বাস্থ্য দুয়োৰে পক্ষে বিপদজনক। যদি এইবোৰ সঠিকভাৱে নিষ্কাষণ কৰা নহয়, তেন্তে এই বিষাক্ত পদাৰ্থবোৰ মাটি পানী আৰু বতাহত মিলি গৈ পৰিৱেশৰ লগতে

মানুহৰ স্বাস্থ্যৰ বাবেও ক্ষতিকাৰক হৈ পৰে। ই-আবৰ্জনাৰ পৰা নিৰ্গত ৰাসায়নিক পদাৰ্থসমূহে মানৱ শৰীৰত কেন্সাৰ, ছালৰ ৰোগ, এলাৰ্জি আদিৰ লগতে কিডনী, যকৃৎ ক্ষতি কৰে আৰু ৰোগ প্ৰতিৰোধ ক্ষমতা হ্ৰাস কৰি মানসিক চাপ আৰু উদ্বেগৰ সৃষ্টি কৰাৰ দৰে গুৰুতৰ ৰোগৰ কাৰক হ'ব পাৰে।

বিশ্বজুৰি ই-আবৰ্জনা দ্ৰুত গতিত বৃদ্ধি পোৱা এক গুৰুতৰ ভাবুকি হিচাপে চিহ্নিত হৈছে। Global E-waste Monitor, 2024 অনুসৰি বিশ্বজুৰি ২০২২ চনত আনুমাণিক প্ৰায় ৬২ মিলিয়ন টন ই-আবৰ্জনা সৃষ্টি হৈছিল। ২০৩০ চনৰ ভিতৰত এই পৰিমাণ প্ৰায় ৮২ মিলিয়ন টনলৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

ভাৰতবৰ্ষতো ইলেকট্ৰনিক আবৰ্জনাই জনস্বাস্থ্য আৰু পৰিবেশীয় সমস্যাৰ এটা অন্যতম কাৰণ হিচাপে থিয় দিছে। ই-আবৰ্জনা উৎপাদনৰ ক্ষেত্ৰত ভাৰতবৰ্ষ তৃতীয় স্থানত। ভাৰতত প্ৰতি বছৰে প্ৰায় ২ মিলিয়ন টন ই-আবৰ্জনা উৎপন্ন হয়। তদুপৰি উন্নত দেশসমূহৰ পৰাও এক বৃহৎ পৰিমাণৰ ই-আবৰ্জনা ভাৰতলৈ আমদানি হয়। United Nations Trade and Development ৰ প্ৰতিবেদনৰ মতে ২০১০ চনৰ পৰা ২০২২ চনৰ ভিতৰত ভাৰতবৰ্ষই গোলকীয়ভাৱে স্ক্ৰীন, কম্পিউটাৰ আৰু সৰু আই.টি (IT, Information Technology) সামগ্ৰী সমূহৰ পৰা ইলেকট্ৰনিক আবৰ্জনাৰ উৎপাদনৰ হাৰ ১৬৩ শতাংশ বৃদ্ধি পাইছে। জাতি সংঘৰ UNCTAD (United Nations Conference on Trade and Development) ৰ তথ্য অনুসৰি ২০২৪ চনৰ Digital Economy Report এ প্ৰকাশ কৰে যে ২০১০ চনত ভাৰতত ই-আবৰ্জনা উৎপাদনৰ পৰিমাণ আছিল ৩.১ শতাংশ, কিন্তু ২০২২ চনত এই পৰিমাণ ৬.৪ শতাংশলৈ বৃদ্ধি পাইছে। ASSOCHAM অৰ্থাৎ Associated Chambers of Commerce and Industry of India ৰ মতে ভাৰতত বাৰ্ষিক ই-আবৰ্জনা বৃদ্ধিৰ হাৰ ৩০ শতাংশ। প্ৰতি বছৰে উৎপন্ন হোৱা ই-আবৰ্জনাৰ প্ৰায় ৭০ শতাংশ কম্পিউটাৰ ডিভাইচৰ পৰা, ১২ শতাংশ টেলিকম খণ্ডৰ পৰা, ৮ শতাংশ চিকিৎসা সামগ্ৰীৰ পৰা আৰু ৭ শতাংশ বৈদ্যুতিন সামগ্ৰীৰ পৰা আহে। ইলেকট্ৰনিক আবৰ্জনাৰ প্ৰায় ৭৫ শতাংশই চৰকাৰ তথা চৰকাৰী আৰু বেচৰকৰী উদ্যোগ খণ্ড সমূহে

উৎপাদন কৰে, য'ত ব্যক্তিগত ঘৰুৱা ব্যৱহাৰকাৰীৰ অংশ মাত্ৰ ১৬ শতাংশহে।

বৰ্তমান অত্যধিক আধুনিকতাৰ দিশে ধাৱমান হোৱা বিশ্বৰ প্ৰায়বোৰ ৰাষ্ট্ৰত ই-আৱৰ্জনা এক চিন্তাৰ বিষয়। ইলেক্টনিক আৱৰ্জনাসমূহ সম্পূৰ্ণৰূপে ধ্বংস কৰাটো সম্ভৱ নহয়। কিন্তু বিশেষ কিছুমান উপায় অৱলম্বনৰ জৰিয়তে এইবোৰৰ সঠিক ব্যৱস্থাপনা কৰিব পৰা যায়। এই ক্ষেত্ৰত 3R পদ্ধতি সকলোতকৈ বেছি ফলপ্ৰসূ হিচাপে বিবেচিত। এই 3R হৈছে Reduce (হ্ৰাসকৰণ), Reuse (পুনঃ ব্যৱহাৰ) আৰু Recycle (পুনঃ সংশোধন)।

- **হ্ৰাসকৰণ (Reduce)**

প্ৰয়োজন অনুসৰিহে ইলেকট্ৰনিক সঁজুলি ক্ৰয় কৰিব লাগে আৰু ইলেকট্ৰনিক সঁজুলিসমূহৰ ভালদৰে ৰক্ষণাবেক্ষণ কৰি এইবোৰৰ আয়ুস বৃদ্ধিৰ জৰিয়তে ই-আৱৰ্জনা হ্ৰাস কৰিব পৰা যায়।

- **পুনঃ ব্যৱহাৰ (Reuse)**

ইলেকট্ৰনিক আৱৰ্জনাসমূহ সামান্য সালসলনি কৰি পুনৰ ব্যৱহাৰ কৰাৰ অভ্যাস গঢ়ি তুলিব লাগে। তদুপৰি পুৰণি বৈদ্যুতিক সামগ্ৰী কম দামত বিক্ৰী কৰিও এইবোৰৰ পুনৰ ব্যৱহাৰ কৰিব পাৰি।

- **পুনঃ সংশোধন (Recycle)**

ইয়াৰ জৰিয়তে মেৰামতি কৰিব নোৱাৰা বৈদ্যুতিক সঁজুলি সমূহক নতুন কিছুমান সামগ্ৰীলৈ ৰূপান্তৰ কৰি এইবোৰ বাৰে বাৰে ব্যৱহাৰ কৰাৰ ব্যৱস্থা কৰিব পাৰি।

ভাৰতত কিছুমান বিশেষ আইন প্ৰণয়নৰ যোগেদি ই-আৱৰ্জনা ব্যৱস্থাপনাৰ পদক্ষেপ লোৱা হৈছে। উল্লেখযোগ্য আইন কেইখনমান হ'ল-

১) ভাৰতত পৰিৱেশ সুৰক্ষা আইন, ১৯৮৬ প্ৰণয়ণৰ জৰিয়তে কোনো ধৰণৰ প্ৰদূষণৰ বাবে দায়ী লোকক শাস্তি প্ৰদান কৰিবলৈ আৰু প্ৰাকৃতিক পৰিৱেশৰ ক্ষতিৰ বাবে ক্ষতিপূৰণ আদায়ৰ ব্যৱস্থা কৰা হৈছে।

২) ২০১১ চনত, পৰিৱেশ সুৰক্ষা আইন, ১৯৮৬ ৰ আধাৰত পৰিচালিত E-waste (Management and Handling) Rules, ২০১০ সম্পৰ্কীয় এক গুৰুত্বপূৰ্ণ জাননী জাৰি কৰা হৈছিল।

ইয়াৰ প্ৰধান বৈশিষ্ট্য আছিল বৰ্ধিত উৎপাদকৰ দায়িত্ব (EPR, Extended Producer Responsibility) অৰ্থাৎ উৎপাদকসকলক তেওঁলোকৰ সামগ্ৰীসমূহ পেলাই দিয়াৰ পিছত সেইবোৰ পৰিচালনা কৰাৰ বাবে দায়বদ্ধ কৰা। ইয়াৰ জৰিয়তে

প্লাষ্টিক, ই-আৱৰ্জনা আৰু বেটাৰি আদি আৱৰ্জনাসমূহ অধিক বহনক্ষম কৰি সঠিক নিষ্কাষণ বৃদ্ধি কৰিবলৈ উৎসাহিত কৰাৰ লক্ষ্য বান্ধি লোৱা হৈছে।

তদুপৰি ভাৰত চৰকাৰে ই-আৱৰ্জনা ব্যৱস্থাপনা প্ৰক্ৰিয়াটো ডিজিটেলাইজ কৰা আৰু দৃশ্যমানতা বৃদ্ধি কৰাৰ মূল লক্ষ্যৰে ই-আৱৰ্জনা ব্যৱস্থাপনা বিধি ২০২২ অধিসূচনা জাৰি কৰে। ইয়াৰ উপৰি ই বৈদ্যুতিক আৰু ইলেকট্ৰনিক সঁজুলি নিৰ্মাণত বিষাক্ত পদাৰ্থ (সীহ, পাৰা, কেডমিয়াম আদি) ব্যৱহাৰ সীমিত কৰে যিবোৰে মানুহৰ স্বাস্থ্য আৰু পৰিবেশৰ ওপৰত বিৰূপ প্ৰভাৱ পেলায়। ই-আৱৰ্জনা বৰ্তমান সময়ৰ এটা গুৰুতৰ প্ৰত্যাহ্বান। দ্ৰুতগতিত বৃদ্ধি পোৱা ইলেকট্ৰনিক সঁজুলিৰ ব্যৱহাৰ আৰু কম আয়ুস কালৰ বাবে ই-আৱৰ্জনা পৰিমাণ দিনে দিনে বৃদ্ধি পাই গৈ আছে। গতিকে ভৱিষ্যত প্ৰজন্মৰ বাবে এক সুস্থ আৰু বহনক্ষম যেনে পৰিৱেশ নিশ্চিত কৰিবৰ বাবে আমি সকলোৱে নিজৰ নিজৰ দায়িত্ব পালন কৰিব লাগিব। ব্যক্তিগত, ৰাজহুৱা আৰু চৰকাৰী পৰ্যায়ত উমৈহতীয়া প্ৰচেষ্টাৰেহে এই গুৰুতৰ সমস্যাৰ সমাধান সম্ভৱ হ'ব।

- ❑ মানুহে দৈনন্দিন জীৱনৰ বিনোদনৰ পৰা আৰম্ভ কৰি ৰন্ধা-বঢ়া, কৃষি, অফিচ-কাছাৰী ইত্যাদি প্ৰায় সকলো ক্ষেত্ৰতে বৈজ্ঞানিক-ইলেকট্ৰনিক সা-সঁজুলি অধিক মাত্ৰাত ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছে। এই সামগ্ৰী সমূহৰ পৰা উদ্ভৱ হোৱা ই-আৱৰ্জনা বা ইলেকট্ৰনিক আৱৰ্জনা আধুনিক সমাজৰ এক ভয়াৱহ সমস্যা হিচাপে বিজ্ঞসকলৰ মাজত চৰ্চিত হোৱা দেখিবলৈ পোৱা গৈছে।
- ❑ ই-আৱৰ্জনা বা ইলেকট্ৰনিক আৱৰ্জনা হ'ল ব্যৱহাৰৰ অনুপযোগী বা নষ্ট হৈ যোৱা ইলেকট্ৰনিক সঁজুলিসমূহ, উদাহৰণস্বৰূপে মবাইল ফোন, কম্পিউটাৰ, টেলিভিশ্যন, ফ্ৰিজ, ৱাছিং মেচিন, বেটাৰী, লেপটপ আদি।

- ❑ ভাৰত চৰকাৰে ই-আৱৰ্জনা ব্যৱস্থাপনা প্ৰক্ৰিয়াটো ডিজিটেলাইজ কৰা আৰু দৃশ্যমানতা বৃদ্ধি কৰাৰ মূল লক্ষ্যৰে ই-আৱৰ্জনা ব্যৱস্থাপনা বিধি ২০২২ অধিসূচনা জাৰি কৰে। ইয়াৰ উপৰি ই বৈদ্যুতিক আৰু ইলেকট্ৰনিক সঁজুলি নিৰ্মাণত বিষাক্ত পদাৰ্থ (সীহ, পাৰা, কেডমিয়াম আদি) ব্যৱহাৰ সীমিত কৰে যিবোৰে মানুহৰ স্বাস্থ্য আৰু পৰিবেশৰ ওপৰত বিৰূপ প্ৰভাৱ পেলায়।

# উচ্ছেদ অভিযান

নিহামণি গগৈ

পঞ্চম যাণ্মাসিক

উচ্ছেদ হ'ল এনে এক আইনগত পদক্ষেপ যিয়ে সম্পত্তি সমূহক বেদখলকাৰীৰ কবলৰ পৰা ৰক্ষা কৰে। অৰ্থাৎ উচ্ছেদ হৈছে অবৈধভাৱে বসবাস কৰা লোসকলক আইনসন্মত ভাৱে মাটি বা ঘৰৰ পৰা জোৰকৈ বাহিৰ কৰি দিয়া কাৰ্য। উচ্ছেদ প্ৰক্ৰিয়াটো কেতিয়া আৰম্ভ হৈছিল ইয়াৰ কোনো নিৰ্দিষ্ট সময় আছে বুলি ঠিৰাং কৰিব পৰা নাযায়। উচ্ছেদ প্ৰক্ৰিয়াটো প্ৰথমতে কোনো আইনী ব্যৱস্থা গ্ৰহণ নকৰাকৈ কৰা হৈছিল। যেনে- ভাড়াঘৰৰ মালিকে ভাড়াতীয়াক ঘৰভাড়া নিদিয়াৰ বাবে বাহিৰ কৰি দিছিল। প্ৰাচীন কালত ৰজা বা জমিদাৰসকলে ভূমি সংৰক্ষণৰ বাবে অবৈধ ভূমি দখলকাৰীক আতৰাবলৈ যি প্ৰক্ৰিয়া হাতত লৈছিল তাকে উচ্ছেদ বুলিব পাৰি। অৰ্থাৎ ভূমিৰ ওপৰত দখল বা অধিকাৰৰ ধাৰণা উদ্ভৱ হোৱাৰ সময়তেই "উচ্ছেদ" ধাৰণাটোৰ জন্ম হৈছিল। অৱশ্যে প্ৰথম অৱস্থাত উচ্ছেদ প্ৰক্ৰিয়াটো আইনৰ লগত জড়িত নাছিল। পাছৰ পৰ্যায়ত উচ্ছেদ প্ৰক্ৰিয়াটো আইনী ব্যৱস্থাৰ লগত জড়িত হয়।



বিশ্বৰ বহুতো দেশত ইতিমধ্যে উচ্ছেদ অভিযান চলোৱা হৈছে। চীন, ইংলেণ্ড, নিউয়ৰ্ক আদিকে ধৰি আয়াৰলেণ্ড আৰু ভাৰতটো উচ্ছেদ সংঘটিত হৈছে। আয়াৰলেণ্ডৰ ফালে লক্ষ্য কৰিলে দেখা যায় ১৮৮৮ চনত আইৰিছ ভূমি আন্দোলনৰ সময়ত হোৱা উচ্ছেদ অভিযানৰ এক ইতিহাস পোৱা যায়। সেই সময়ত আয়াৰলেণ্ডৰ কৃষক সকলে ভূমিৰ ৰাজহ হ্ৰাস হোৱাৰ দাবীত আন্দোলন কৰিছিল। জমিদাৰসকলে অধিক কৰ বা ভাড়া পোৱাৰ লোভত বহু দুখীয়া কৃষকক ঘৰৰ পৰা উচ্ছেদ কৰিছিল। ঠিক তেনকৈয়ে ভাৰতটো উচ্ছেদ আৰম্ভ কৰা হৈছিল। কিন্তু উপনিৱেশবাদৰ সময়ত ব্ৰিটিছ চৰকাৰে আইনৰ ওপৰত ভিত্তি কৰি আইনী প্ৰক্ৰিয়া আৰম্ভ কৰিলে। ব্ৰিটিছ চৰকাৰে ১৭৯৩ চনত Permanent

Settlement Act ৰ জৰিয়তে জমিদাৰসকলক ভূমিৰ মালিক কৰি কৃষকক ভাড়াতীয়া কৰি পেলালে। তেতিয়া কৃষকে ভাড়া নাপালে আইনীভাৱে কৃষকক উচ্ছেদ কৰিব পাৰিছিল। ঠিক তেনেকৈ ১৮৮৫ চনৰ Bengal Tenancy Act ত স্পষ্টভাৱে উচ্ছেদৰ ধাৰা আছিল। এই ১৭৯৩ আৰু ১৮৮৫ চনৰ আইনৰ পাছৰে পৰা ভাৰতত উচ্ছেদ অভিযান আৰম্ভ কৰা হৈছিল। স্বাধীনতাৰ পিছতো কিছুমান নতুন আইনৰ জৰিয়তে উচ্ছেদ চলি থাকে। অসমত ১৯৭১ চনৰ ৰাজহুৱা সম্পত্তি আইন প্ৰৱৰ্তন কৰা হয়। যিয়ে চৰকাৰী ভূমি দখল কৰা বেদখলকাৰীক উচ্ছেদ কৰাৰ অনুমতি দিয়ে।

আইনী প্ৰক্ৰিয়াৰে উচ্ছেদ আৰম্ভ হোৱাৰ পাছত উচ্ছেদৰ বাবে প্ৰথমতে বেদখলকাৰীৰ ভূমিৰ তথ্য, ৰাজহ আদিৰ পৰীক্ষা কৰি সত্যতা নিৰূপণ কৰে। পিছত উচ্ছেদৰ বাবে বেদখলকাৰী বা ভাড়াঘৰৰ ভাড়াতীয়াক লিখিত জাননী দিয়ে। সেই জাননীত নিজে ঠাই খালী কৰি দিবৰ বাবে সময় নিৰ্ধাৰিত কৰি দিয়ে। বেদখলকাৰীয়ে নিজে খালী নকৰিলে চৰকাৰে প্ৰশাসন, আৰক্ষী আদিৰ সহায়ত অভিযান আৰম্ভ কৰে।

বিশ্বৰ বিভিন্ন প্ৰান্তত চলি থকা উচ্ছেদ অভিযানৰ দৰে ভাৰতৰ অসমতো উচ্ছেদ অভিযান আৰম্ভ হৈছে। এই অভিযান সমূহৰ মূল উদ্দেশ্য হৈছে চৰকাৰী ভূমিৰ পৰা অবৈধ দখলকাৰীক উচ্ছেদ কৰা। অসমৰ বিভিন্ন ঠাইত বৰ্তমানেও উচ্ছেদ অভিযান অব্যাহত আছে। গোলাঘাট জিলাৰ উৰিয়ামঘাটিত চলা এই অভিযানত প্ৰায় ১০ হাজাৰো অধিক বিঘা বনভূমি মুক্ত কৰা হৈছে। ধুবুৰী জিলাৰ বিলাসীপাৰা অঞ্চলত চলা অভিযানত প্ৰায় ৩৫০০ বিঘা ভূমি মুক্ত কৰা হৈছে। বিশ্বনাথ জিলাৰ জাপৰিগুৰিত চলা এই অভিযানে ১৭০বিঘা ভূমি মুক্ত কৰিছে।

বৰ্তমানলৈকে উচ্ছেদ অভিযানৰ জৰিয়তে অসমৰ প্ৰায় ১ লাখ ৩৯ হাজাৰ বিঘা ভূমি বেদখলমুক্ত কৰিছে। চৰকাৰৰ এনে প্ৰদক্ষেপে চৰকাৰী ভূমিৰ সংৰক্ষণ কৰাৰ চেষ্টা কৰিছে। বৰ্তমানেও বেদখলৰ বিৰুদ্ধে চৰকাৰে এনে কাৰ্য অব্যাহত ৰাখিছে।

# শিল্পী, সামাজিক দায়বদ্ধতা আৰু জুবিন গাৰ্গ

সূৰ্যমণি দত্ত

পঞ্চম ষাণ্মাসিক

হাজাৰ হাজাৰ গানৰ সৃষ্টিৰ আঁৰৰ ব্যক্তিজন, সোঁৱে-বাওঁৱে অসংখ্য অনুৰাগী, সুৰৰ সম্ৰাট অৰ্থাৎ মায়াবিনীৰ স্ৰষ্টাৰ সিপাৰে থকা অন্য এজন জুবিন গাৰ্গক আলোচনা কৰিবলৈ চেষ্টা কৰিছোঁ। জুবিন গাৰ্গ নামটো উচ্চাৰণ হ'লেই মনলৈ আহে সুৰৰ সম্ৰাট, প্ৰেম, বিষাদ, হাঁহি কান্দোন উদযাপন কৰিবলৈ শিকোঁৱা এক মুক্ত জীৱন সত্ত্বা। কিন্তু এই মহান শিল্পীৰ ভিতৰত আছিল আন এক জগত, আন এক যাত্ৰা যি গীতৰ সীমা পাৰ হৈ আত্মাৰ গভীৰতালৈ নামি যোৱা এক চিৰঞ্জীৱ সত্ত্বা। বাহিৰে সাধাৰণ যেন লাগিলেও জুবিন গাৰ্গ আচলতে আছিল এক শিল্পী।

ঔপনিৱেশিক শাসনৰ কালছোৱাত ব্ৰিটিছ শাসনৰ অধীনত অসমীয়া জাতিয়ে নিজৰ স্বকীয়তা আৰু আত্মনিয়ন্ত্ৰণৰ অধিকাৰ হেৰুৱাই পেলাইছিল। স্বাধীনতাৰ পৰৱৰ্তী কালছোৱাত ভাৰতীয় পৰিচয়ৰ মাজত হেৰাই যোৱাৰ উপক্ৰম হৈছিল। এনে এক পৰিৱেশত নব্বৈৰ দশকত অসমীয়া জাতীয় জীৱনৰ সংঘাতময়, উত্তাল আৰু জ্বলামুখী সময়চোৱাত জুবিন গাৰ্গৰ উত্থান অসমীয়া জাতিটোৰ মাজত এক নতুন আশাৰ সঞ্চাৰ কৰিছিল। প্ৰথম অৱস্থাত অৱশ্যে জুবিন গাৰ্গে বাদ্যবাদক হিচাপেহে কাম আৰম্ভ কৰিছিল।



কিন্তু পৰৱৰ্তী সময়ত তেওঁ গানৰ প্ৰতিহে ধাউতি বাঢ়িল আৰু ১৯৯২ চনত তেওঁ NK Production ৰ সহায়ত 'অনামিকা' নামেৰে প্ৰথমটো এলবাম মুক্তি দিয়ে। সেই সময়ত NK Production ত অনুৰাধা পাড়োৱালৰ

'অনুৰাধা' নামৰ এটা এলবামৰ জোৰদাৰ প্ৰচাৰ চলোৱা হৈছিল আৰু সেই বেনাৰতে জুবিন গাৰ্গৰ 'অনামিকা' এলবামৰ ফটো সৰুকৈ লগাই প্ৰচাৰ চলোৱা হৈছিল। কিন্তু সকলোকে আচৰিত কৰি 'অনামিকা'ই জনপ্ৰিয়তা লাভ কৰিছিল। আৰু এনেকৈ পৰিচিত হৈছিল জুবিন গাৰ্গ শিল্পী হিচাপে। ইয়াৰ পিছত মুক্তি লাভ কৰে জুবিন গাৰ্গৰ দ্বিতীয়টো এলবাম 'মায়া'। যিয়ে জুবিন গাৰ্গক অন্য এক পৰ্যায়লৈ লৈ যায়। লাহে লাহে এটাৰ পিছত আন এটা গীত ৰচনা কৰি অসমীয়া ভঁৰাল চহকী কৰি আহিছে। এক কথাত ক'বলৈ গলে মৰুভূমি হ'বলৈ ধৰা অসমীয়া সংস্কৃত জগতৰ এজাক বৰষুণৰ টোপাল হৈ গছ-গছনিৰে ওপচাই পেলাইছিল। জুবিন গাৰ্গে ৪০ তাতকৈ অধিক ভাষাত প্ৰায় ৩৮০০০ হাজাৰ গীত গাইছে। একে দিনাই ৩৬টা গীত বাণীবদ্ধ কৰি থৈছে, যি পৃথিৱীৰ এক বিৰল নিদৰ্শন। তেওঁ বিহুৰ পৰা আৰম্ভ কৰি বিভিন্ন জনগোষ্ঠীয় গীত, লোকগীত, বৰগীত, আদি গীত গাইছে যিবোৰ সৃষ্টিৰাজি কেৱল এজন শিল্পীৰ ওপৰতে দেখিবলৈ পোৱা যায়।

জুবিন গাৰ্গ কেৱল শিল্পী আছিল বুলি ক'লে ভুল কোৱা হ'ব। কিয়নো তেওঁৰ কৰ্মৰাজিৰ দ্বাৰা দেখা যায় যে তেওঁ কেৱল শিল্পী নহয়। তেওঁ আছিল সামাজিক দায়বদ্ধতাৰ এক নিদৰ্শন। কিয়নো শিল্পীৰ দায়িত্ব কেৱল সৃষ্টিতেই সীমাবদ্ধতা নাথাকে, সমাজত সুস্থ মূল্যবোধ, মানৱতাবাদ, ভাতৃত্ববোধ প্ৰতিষ্ঠাৰ জৰিয়তে সমাজৰ কল্যাণৰ ওপৰত গুৰুত্ব দিয়ে। অসমীয়া সংস্কৃতিৰ ক্ষেত্ৰত এই দায়িত্ব পালন কৰি অহাৰ এক উজ্জ্বল নিদৰ্শন হৈছে জুবিন গাৰ্গ। তেওঁৰ কিছুমান গীত যেনেকৈ "পলাশ", "নৈ নৈ মোৰ আপোন", "ৰত্নাকৰ", আদিত যিদৰে প্ৰেমৰ নিদৰ্শন পোৱা যায়, ঠিক সেইদৰে যুদ্ধ, বিপ্লৱ "অসম মোৰ আপোন" আদি গীতত সামাজিক দায়বদ্ধতাৰ চৰিত্ৰ প্ৰতিফলন ঘটিছে। তেওঁ ২০১৯ চনৰ CAA (নাগৰিকত্ব সংশোধনী বিধেয়ক) ৰ বিৰুদ্ধে অসমত যি আন্দোলনৰ সূত্ৰপাত হৈছিল, যিটো সময়ত বহুতো জনপ্ৰিয় ব্যক্তিয়ে নিৰৱতা অৱলম্বন কৰিছিল সেই সময়ত আন্দোলনত তেওঁ নামি পৰিছিল সাধাৰণ জনতাৰ সৈতে। যাৰ বাবে তেওঁ সমাজত এজন গায়কৰ পৰা জাতীয় নায়কলৈ ৰূপান্তৰিত হৈছিল।

জুবিন গাৰ্গে বুদ্ধৰ শূন্যতা আৰু অহিংসাৰ বোধ তেওঁ জীৱনত অনুধাৱন কৰি লৈছিল। মানুহ, প্ৰাণী, প্ৰকৃতি সকলোৰে প্ৰতি আছিল সমান স্নেহ আৰু মৰম। কাজিৰঙাত যিটো সময়ত গঁড় হত্যাই বাতৰিৰ শিৰোনাম দখল কৰিছিল সেই সময়ত কাজিৰঙা গঁড় সুৰক্ষাৰ বাবে তেওঁ **'Save Rhino'** অভিযান আৰম্ভ কৰিছিল গঁড় সুৰক্ষাৰ স্বাৰ্থত। বাঘৰ লগত বন্ধুত্ব স্থাপন কৰিব পৰা তেওঁ আহত বান্দৰকো 'মধুসূদন গাৰ্গ' বুলি নাম দি লৈছিল, ৰাস্তাৰ কুকুৰৰ লগতো তেওঁ কথা পতা বহুতেই দেখিছে। এজনী আহত বগলীক চিকিৎসা কৰি নিজৰ লগত ৰাখি তাইৰ নাম থৈছিল 'উদাসিনী গাৰ্গ'। ইয়াৰ উপৰিও তেওঁ ২০২০ চনত বাঘজানৰ তৈলক্ষেত্ৰত যি ভয়ংকৰ অগ্নিকাণ্ডৰ সূত্ৰপাত হৈছিল সেই সময়ত তেওঁ বহুতো কনচাৰ্ট বাতিল কৰি প্ৰতিবাদী কাৰ্যসূচী আৰম্ভ কৰিছিল আৰু আৰ্তজনৰ প্ৰতি সহায়ৰ হাত আগবঢ়াইছিল। ক'ভিড মহামাৰীয়ে যিটো সময়ত সমগ্ৰ বিশ্বত ভয়াৱহতাৰ সৃষ্টি কৰিছিল, তেনে সময়ত জুবিন গাৰ্গ আৰু তেওঁৰ সহযোগীৰ সৈতে সাহায্য আগবঢ়াইছিল। ঠিক সেইদৰে প্ৰাকৃতিক দুৰ্যোগ বানপানীৰ সময়তো তেওঁ দুখীয়া, আৰ্তজনক খাদ্য সামগ্ৰী প্ৰদান কৰা পৰিলক্ষিত হয়। 'Zubeen Garg Foundation' আৰু Zubeen Garg Fans Association ৰ জৰিয়তে বহু সময়ত সমাজ কল্যাণৰ বাবে আগবাঢ়ি অহা পৰিলক্ষিত হয়। ইয়াৰ উপৰিও সাম্প্ৰতি চৰ্চালৈ আহিছে কাজলী নামৰ এগৰাকী ছোৱালীক সহায় কৰাৰ লগতে ছোৱালীজনীক নতুন জীৱন দিয়াৰ মানৱতাবোধৰ কথা। লগতে তেওঁ সমাজত প্ৰচলিত জাতি-বৰ্ণ ভেদাভেদ নোহোৱা কৰিবলৈ আপ্ৰাণ প্ৰচেষ্টা চলাইছিল। তেওঁ ব্ৰাহ্মণ সমাজত জন্ম গ্ৰহণ কৰিও পৰম্পৰাগতভাৱে ব্ৰাহ্মণ সম্প্ৰদায় পৰিধান কৰা লগুণ ছিঙি ব্ৰাহ্মণবাদৰ বিৰুদ্ধে মুক্তভাৱে প্ৰতিবাদ কৰিছিল। লগতে চাহ-জনগোষ্ঠী সম্প্ৰদায়ৰ অৰুণ নামৰ এজন যুৱকক গাৰ্গ উপাধি প্ৰদান কৰি সমাজত দেখা দিয়া উচ্চ নীচ বিৰোধী এখন সমাজৰ নিদৰ্শন দেখুৱাই থৈ গৈছে। যাৰ বাবে তেওঁ সদা সামাজিক মানৱতোবোধৰ এক প্ৰতিক হিচাপে পৰিচিত হৈ ৰ'ব।

গায়ক হোৱাটো সহজ কিন্তু জুবিন গাৰ্গ হোৱাটো ইমান সহজ নহয়। জুবিন অনন্য। জুবিন অকল গায়ক নাছিল অসমক

ভাল পোৱা এজন সমাজ সচেতন ব্যক্তি আছিল। দুখীয়াৰ বন্ধু। চিন্তাবোৰ ব্যক্তিক্ৰম আছিল। তেওঁ কোৱা কথা বোৰত আছিল স্পষ্টতা। এজন শিল্পীৰ কৰ্তব্য সমাজত অনুপ্ৰাণিত কৰা, অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ কৰা। তেওঁ সংগীত সমাজৰ চেতনা সলনি কৰাৰ এক অস্ত্ৰ আছিল। তেওঁ মানিছিল যদি শিল্প সমাজক নতুন গতি দিয়ে, তেন্তে সেই শিল্প অপূৰ্ণ। অসমবাসীক উদ্দেশ্যি কৈছিল যে 'কিতাপ নপঢ়া জাতিক গামোচাই বচাব নোৱাৰে'। এই সাৰমৰ্ম থকা কথাটো তেওঁ অসমীয়া অস্তিত্বৰ ওপৰতো বহু কথা কৈ গৈছে। তেওঁ জীৱন যে সাগৰৰ দৰে বিশাল, সাগৰ ভাল পোৱা মানুহজনৰ সত্ত্বাৰ পৰিচয় দিবলৈ আমাৰ দৰে সাধাৰণ মানুহৰ শক্তি নাই, সাগৰৰ ঢৌ-বোৰ যি দৰে চুই হে চাব পাৰি, গভীৰতা বুজিব নোৱাৰি, ঠিক সেইদৰে জুবিন গাৰ্গৰ দৰে এক যুগনায়ক সত্তাৰ বিৱৰণ দিয়াৰ সম্ভৱ নহয়।

- মেঘালয়ৰ টুৰাত ১৯৭২ চনৰ ১৮ নৱেম্বৰ দিনা যোৰহাটৰ মোহিনীমোহন বৰঠাকুৰৰ ঔৰসত আৰু ইলি বৰঠাকুৰৰ গৰ্ভত জুবিন বৰঠাকুৰ জন্ম লাভ কৰে।
- কৰিমগঞ্জত ৰবীন বেনাৰ্জীৰ ওচৰত তবলা, বিজনীত ৰমণী ৰয়ৰ ওচৰত হাৰমণিয়াম শিকিবলৈ দেউতাকে জুবিন গাৰ্গক সুবিধা কৰি দিয়ে। জুবিন গাৰ্গে ৰমণী ৰয়ৰ পৰা গোৱালপৰীয়া, কামৰূপীয়া আদি লোকগীতৰ পাঠ লৈছিল।
- তামুলপুৰ হাইস্কুলৰ পৰা প্ৰথম বিভাগত সুখ্যাতিৰে মেট্ৰিক পাছ কৰা জুবিন গাৰ্গে যোৰহাট জে.বি. কলেজৰ বিজ্ঞান শাখাত নামভৰ্তি কৰিছিল যদিও সংগীতৰ প্ৰতি থকা অদম্য হেঁপাহৰ বাবেই তেওঁ স্নাতক ডিগ্ৰী সম্পূৰ্ণ নকৰি সংগীতৰ জগতখনকে আঁকোৱালি লৈছিল।
- জুবিন গাৰ্গ আছিল এজন গীতিকাৰ, সুৰকাৰ, কণ্ঠশিল্পী, কবি, বাদ্যযন্ত্ৰী, সংগীত ব্যৱস্থাপক, অভিনেতা, ফিল্ম আৰু মেলডী এৰেঞ্জাৰ আৰু এজন শব্দযন্ত্ৰী।
- অসমীয়া, সংস্কৃত, হিন্দী, পাঞ্জাবী, বঙালী, গুজৰাটী, মাৰাঠী, তামিল, তেলুগু, বড়ো, কাৰ্বি, দেউৰী, মিচিং, চাদ্ৰী, চাহ জনগোষ্ঠী, নেপালী, ৰাজবংশী, তিৱা, গাৰো, নিছি, আপাতানী আদি ভাষাবোৰত জুবিন গাৰ্গে গান গাইছিল।

# জলবায়ু পৰিৱৰ্তন আৰু মানৱ সভ্যতা

**উজ্জ্বল হাজৰিকা**
**প্ৰথম ষাণ্মাসিক**

জলবায়ু হ'ল পৃথিৱী বা ইয়াৰ কোনো অংশৰ দীৰ্ঘদিনীয়া বায়ুমণ্ডলীয় অৱস্থা। এই অৱস্থাৰ সৃষ্টি হয় সৌৰতাপ, বায়ুৰ উত্তাপ, বৰষুণ, বায়ুৰ আৰ্দ্ৰতা, বায়ুৰ চাপ, বতাহ আদিৰ সংমিশ্ৰণৰ ফলত। এই জলবায়ু পৰিৱৰ্তন পৃথিৱীৰ বাবে কোনো নতুন পৰিঘটনা নহয়। জলবায়ু পৰিৱৰ্তনৰ লগে লগে পৃথিৱীৰ উপৰিভাগৰ গছ-গছনি, জীৱ-জন্তু আদিৰো পৰিৱৰ্তন হয়। পৌৰাণিক যুগত বৃহৎ আকাৰৰ ডাইন'চৰৰ সৃষ্টি আৰু পৰৱৰ্তী কালত এইবোৰৰ ধ্বংসৰ অন্যতম কাৰণ আছিল জলবায়ু পৰিৱৰ্তন। দুই নিযুত বছৰৰ আগত প্লিষ্টচিন যুগত পৃথিৱী বৰফৰ দ্বাৰা আবৃত আছিল আৰু ইয়াৰ পিছৰ কালত জলবায়ু পৰিৱৰ্তন হৈ এনে এক অৱস্থাৰ সৃষ্টি হৈছিল যি অৱস্থাত আদি মানৱসৃষ্ট সম্ভৱ হৈছিল। এই জলবায়ু পৰিৱৰ্তনেই পৃথিৱীত বহুটো মানৱ সভ্যতাৰ বিকাশ আৰু এই সভ্যতাসমূহ ধ্বংসৰ বাবেও বহু পৰিমাণে দায়ী আছিল। এক বিংশ শতিকাত পৰিৱেশৰ প্ৰধান সমস্যাৰ ভিতৰত প্ৰথম স্থান পাবলগীয়া বিষয়টো হৈছে জলবায়ু পৰিৱৰ্তন। এই জলবায়ু পৰিৱৰ্তন পৃথিৱী আৰু মানৱ সভ্যতাৰ বাবে এটা বৃহৎ প্ৰত্যাহ্বান, যাৰ প্ৰভাৱৰ পৰা কোনো জীৱই নিজক মুক্ত কৰি ৰাখিব নোৱাৰে যদিহে প্ৰয়োজনীয় সময়ত ব্যৱস্থা গ্ৰহণ কৰা নহয়। সাম্প্ৰতিক সময়ত অভাৱনীয় হাৰত প্ৰাকৃতিক আৰু মানৱসৃষ্ট কাৰকৰ প্ৰভাৱত জলবায়ু পৰিৱৰ্তন হৈছে। জলবায়ু বুলিলে কোনো এটা অঞ্চলৰ অতি কমেও ২৫ বছৰৰ গড় বতৰৰ অৱস্থা নিৰ্দেশ কৰে।

১৮৫০ চনত আৰম্ভ হোৱা শিল্প বিপ্লৱে পৃথিৱীৰ জলবায়ুৰ দ্ৰুত পৰিৱৰ্তন আনিবলৈ ধৰিলে। শিল্প বিপ্লৱৰ ফলত বিশ্বত বহুতো কল-কাৰখানা উদ্যোগ প্ৰতিষ্ঠা হ'ল। এই উদ্যোগ সমূহে মানৱ সভ্যতাক এক নতুন দিশে আগবঢ়াই নিয়াত গুৰুত্ব ভূমিকা গ্ৰহণ কৰিলে যদিও এই উদ্যোগসমূহৰ পৰা নিৰ্গত হোৱা গ্ৰীণ হাউচ গেছ যেনে কাৰ্বন-ডাই-অক্সাইড, মিথেন,

নাইট্ৰাছ-অক্সাইড, অৰ্জন আদি গেছে বায়ুমণ্ডলত পৰিৱৰ্তন আনি জলবায়ু পৰিৱৰ্তনত ভূমিকা গ্ৰহণ কৰিলে। এই জলবায়ু পৰিৱৰ্তন আৰু মানৱ সভ্যতাৰ মাজত এক জটিল আৰু পৰস্পৰ নিৰ্ভৰশীল সম্পৰ্ক আছে, য'ত জলবায়ু পৰিৱৰ্তনে মানৱ সমাজৰ স্বাস্থ্য, অৰ্থনীতি, কৃষি আৰু খাদ্য সুৰক্ষা ওপৰত গভীৰ আৰু ভয়াৱহ প্ৰভাৱ পেলাইছে। একেদৰে মানৱ কাৰ্যকলাপ, বিশেষকৈ উদ্যোগিক কাৰ্যকলাপ, জলবায়ু পৰিৱৰ্তনৰ বাবে এক প্ৰধান কাৰণ হৈ পৰিছে।

জলবায়ু পৰিৱৰ্তনে বিশ্বৰ মানৱ সভ্যতাৰ যে চৰম বিপদ আনিব সেয়া নিশ্চিত। গৱেষকসকলে এই বিষয়টোৰ ওপৰত বিতংভাৱে অধ্যয়ন চলাই আছে। গৱেষণাৰ তথ্য অনুসৰি জলবায়ু পৰিৱৰ্তনৰ ফলত তাৎক্ষণিকভাৱে গুৰুত্বৰ মানৱীয় সংকটৰ উদ্ভৱ হ'ব আৰু ই পৃথিৱীৰ বাবে ধ্বংসাত্মক হ'ব। পৃথিৱীৰ ভূ-তাত্ত্বিক, জৈৱিক, পাৰিপাৰ্শ্বিক আৰু আৰ্থিক আদি সকলো ক্ষেত্ৰতে জলবায়ু পৰিৱৰ্তনে প্ৰভাৱ পেলাব। বিশ্ব স্বাস্থ্য সংস্থাৰ মতে জলবায়ু পৰিৱৰ্তনৰ ফলত ১৯৫০ চনৰ পৰা বিশ্বত



১,৬০,০০০ লোকৰ মৃত্যু ঘটিছে। জলবায়ু পৰিৱৰ্তনৰ তাৎক্ষণিক প্ৰভাৱ পৰিব দৰিদ্ৰ আৰু কম উন্নত দেশবোৰত। "চেন্টাৰ ফৰ এমেৰিকান প্ৰগেচ" নামৰ এটা সংস্থাই "ক্লাইমেট চেইঞ্জ মাইগ্ৰেচন এণ্ড কনফ্লিক্ট হল ছাউথ এছিয়া" নামৰ এখন প্ৰতিবেদনত জলবায়ু পৰিৱৰ্তনৰ বাবে অসম তথা উত্তৰ-পূৰ্বত উদ্ভৱ হ'ব পৰা সমস্যাসমূহৰ ওপৰত আলোকপাত কৰে। এই প্ৰতিবেদনত প্ৰকাশ পোৱা তথ্য অনুসৰি অতিবৃষ্টি, অনাবৃষ্টি, খৰাং, বানপানী আদিয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ আৰ্থিক, সামাজিক, স্বাস্থ্য, খাদ্য আদিৰ ওপৰত গুৰুত্ব প্ৰভাৱ পেলাব। উত্তাপ বৃদ্ধিৰ ফলত বতৰ সলনি হ'ব আৰু শস্যৰ

উৎপাদন বাধাগ্ৰস্ত হ'ব । তদুপৰি জলবায়ু পৰিৱৰ্তনৰ ফলত কিছুমান ৰোগে ছানি ধৰিব। এনে ৰোগবোৰৰ ভিতৰত পুষ্টিহীনতা, ডায়েৰিয়া, শ্বাহ-প্ৰশ্বাসত কষ্ট, মেলেৰিয়া, ডেংগু আদিৰ প্ৰভাৱ বৃদ্ধি পাব। পৃথিৱীত পানী আৰু খাদ্যৰ বাবে সংঘাত বৃদ্ধি পাব। জলবায়ু পৰিৱৰ্তনৰ ফলত সাগৰৰ জলস্তৰ বৃদ্ধি পাব আৰু এচিয়াৰ উপকূলীয় অঞ্চলত চাৰি বিলিয়ন লোক গৃহহাৰা হ'ব আৰু প্ৰবজন ঘটি বহু শৰণাৰ্থীৰ সৃষ্টি হ'ব।

মানৱ সভ্যতা জলবায়ু পৰিৱৰ্তনৰ দৰে সংকটৰ সন্মুখীন হৈছে যদিও ইয়াৰ সমাধানৰ পথো আমাৰ হাতত আছে। মানৱ সভ্যতাৰ অগ্ৰগতিৰ ধাৰা সলনি কৰি আমি বহনক্ষম উন্নয়নৰ পথ বাছি ল'ব লাগিব। সৌৰশক্তি, বায়ুশক্তি আদি নবীকৰণ যোগ্য শক্তিৰ ব্যৱহাৰ বৃদ্ধি কৰিব লাগিব। গছ-গছনি সংৰক্ষণ কৰা আৰু ব্যক্তিগত পৰ্যায়ত প্লাষ্টিকৰ ব্যৱহাৰ হ্ৰাস কৰাৰ পদক্ষেপ গ্ৰহণ কৰিব লাগিব। জলবায়ু পৰিৱৰ্তন এক গোলকীয় সমস্যা। ইয়াৰ সমাধানৰ বাবে প্ৰতিখন দেশ আৰু প্ৰতিজন ব্যক্তিৰ সহযোগিতা অপৰিহাৰ্য। মানৱ সভ্যতাৰ ভৱিষ্যত সুৰক্ষিত কৰিবলৈ হ'লে আমি প্ৰকৃতিৰ সৈতে ভাৰসাম্য ৰক্ষা কৰি চলিব লাগিব। আমাৰ বৰ্তমানৰ সজাগতা আৰু কৰ্মই হে নিৰ্ধাৰণ কৰিব ভৱিষ্যত প্ৰজন্মই কেনেকুৱা পৃথিৱী এখনত বাস কৰিব॥

- জলবায়ু হ'ল পৃথিৱী বা ইয়াৰ কোনো অংশৰ দীৰ্ঘদিনীয়া বায়ুমণ্ডলীয় অৱস্থা। সৌৰতাপ, বায়ুৰ উত্তাপ, বৰষুণ, বায়ুৰ আৰ্দ্ৰতা, বায়ুৰ চাপ, বতাহ আদিৰ সংমিশ্ৰণৰ ফলত এই অৱস্থাৰ সৃষ্টি হয়। জলবায়ু বুলিলে কোনো এটা অঞ্চলৰ অতি কমেও ২৫ বছৰৰ গড় বতৰৰ অৱস্থা নিৰ্দেশ কৰে।
- ১৮৫০ চনত আৰম্ভ হোৱা শিল্প বিপ্লৱৰ ফলত প্ৰতিষ্ঠা হোৱা কাৰখানা, উদ্যোগসমূহে মানৱ সভ্যতাক এক নতুন দিশে আগবঢ়াই নিয়াত গুৰুত্ব ভূমিকা গ্ৰহণ কৰিলে যদিও এই উদ্যোগসমূহৰ পৰা নিৰ্গত হোৱা গ্ৰীণ হাউচ গেছ যেনে কাৰ্বন-ডাই-অক্সাইড, মিথেন, নাইট্ৰাছ-অক্সাইড, অৰ্জন আদি গেছে বায়ুমণ্ডলত পৰিৱৰ্তন আনি জলবায়ু পৰিৱৰ্তনত ভূমিকা গ্ৰহণ কৰিলে॥

# ভাৰতৰ প্ৰেক্ষাপটত নাৰীৰ নেতৃত্ব - এক বিশ্লেষণ

**হিমাশ্ৰী বড়া**
**প্ৰথম ষাণ্মাসিক**

ভাৰতত মহিলাৰ নেতৃত্ব এক ক্ৰমবৰ্দ্ধমান আৰু গুৰুত্বপূৰ্ণ বিষয়। পৰম্পৰাগত, সামাজিক আৰু সাংস্কৃতিক প্ৰতিবন্ধকতাৰ মাজতো মহিলাসকলে ৰাজনীতি, ব্যৱসায়, বিজ্ঞান আৰু সমাজ সেৱাৰ দৰে বিভিন্ন ক্ষেত্ৰত নিজৰ উপস্থিতি শক্তিশালী কৰি তুলিছে। এই উত্থানে কেৱল লিংগ সমতাৰ দিশত অগ্ৰগতিকে সূচোৱা নাই, বৰঞ্চ দেশসমূহৰ সামগ্ৰিক অৰ্থনৈতিক আৰু সামাজিক বিকাশতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। বৰ্তমান সময়ত চৰকাৰী নীতি, সজাগতা সৃষ্টি নাৰীৰ শিক্ষাৰ প্ৰসাৰতা আদিৰ জৰিয়তে ভাৰতবৰ্ষত মহিলা নেতৃত্বৰ এক নতুন অধ্যায়ৰ সূচনা কৰিছে। পৌৰাণিক সমাজ ব্যৱস্থাৰ পৰা বৰ্তমানলৈকে নাৰীৰ প্ৰস্থিতিৰ উত্থান পতন হৈ আহিছে। বেদ, উপনিষদ আদিৰ সময়ছোৱাক পৌৰাণিক যুগ বুলি কোৱা হয়। সেই সময়ত নাৰীৰ প্ৰস্থিতি উচ্চ আছিল সেই কালত গায়ত্ৰী, অত্ৰেয়ী, মৈত্ৰেয়ী আদি বেদজ্ঞ আৰু ব্ৰহ্মজিজ্ঞাসু নাৰী ঋষি আছিল।

ব্ৰিটিছ শাসনৰ সময়ত স্বদেশৰ হকে স্বাধীনতা সংগ্ৰামত ৰাণী লক্ষ্মীবাঈ, সৰোজিনী নাইডু, অৰুণা আছফ আলী আৰু কনকলতা বৰুৱাৰ দৰে হাজাৰ হাজাৰ




মহিলাই সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল, তদুপৰি বহু পুৰুষ নেতাক গ্ৰেপ্তাৰ কৰাৰ সময়ত আন্দোলনৰ নেতৃত্বও দিছিল।

বৰ্তমান নাৰীয়ে ৰাজনীতি ব্যৱসায়, প্ৰশাসন, শিক্ষা, অভিযান্ত্ৰিক, গৱেষণা আৰু স্বাস্থ্যকে ধৰি প্ৰায় প্ৰতিটো খণ্ডতে নিজৰ কৃতিত্ব প্ৰদৰ্শন কৰাৰ লগতে এই সকলোবোৰ ক্ষেত্ৰতে নেতৃত্ব প্ৰদান কৰিবলৈও সক্ষম হৈছে। ৰাজনীতিৰ ক্ষেত্ৰখনত লক্ষ্য কৰিলে দেখা যায় যে দ্বিতীয় জনবহুল দেশ ভাৰতবৰ্ষক মহিলা প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে নেতৃত্ব দিছিল, ঠিক তেনেদৰে কিৰণ বেদী ভাৰতবৰ্ষৰ প্ৰথমগৰাকী আই.পি.এছ বিষয়া হৈছিল। তদুপৰি ৰাষ্ট্ৰপতি দ্ৰৌপদী মূৰ্মু, পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী, কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ আদিলৈ লক্ষ্য কৰিলে নাৰীৰ নেতৃত্বক এক শক্তিশালী ৰূপত প্ৰত্যক্ষ কৰা যায়।

ভাৰতত মহিলাসকলৰ নেতৃত্ব কেৱল ৰাজনৈতিক ক্ষেত্ৰতে সীমাবদ্ধ নহয়। ভাৰতীয় মহিলাই মহাকাশত পদাৰ্পণ কৰিও নিজৰ সাহসিকতাৰ পৰিচয় দিবলৈ সক্ষম হৈছে। কল্পনা চাওলা মহাকাশলৈ যোৱা প্ৰথমগৰাকী মহিলা আছিল। তেওঁৰ পিছত আন কেইবাগৰাকীও ভাৰতীয় মূলৰ মহাকাশচাৰীয়ে মহাকাশ ভ্ৰমণ কৰিছে। সেইসকলৰ ভিতৰত সুনিতা উইলিয়ামছ আৰু চিৰিচা বন্দলাৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

ক্ৰীড়াৰ ক্ষেত্ৰত ভাৰতৰ মহিলাসকলৰো অৱদান মন কৰিবলগীয়া। কৰ্ণম মালেশ্বৰী ২০০০ চনৰ ছিডনী অলিম্পিকত পদক জয় কৰা প্ৰথম গৰাকী ভাৰতীয় মহিলা খেলুৱৈ। ইয়াৰ পিছত মেৰী, ছাইনা নেহৱাল, পি.ভি সিন্ধু আৰু অসমৰ হিমা দাস, লাভলীনা বৰগোহাঁই আদিৰ নাম উল্লেখনীয়।

বৰ্তমানৰ ভাৰতীয় প্ৰেক্ষাপটত নাৰীৰ নেতৃত্বক বিশ্লেষণ কৰিলে দেখা যায় যে ভিন্ন প্ৰত্যাহ্বানৰ সম্মুখীন হোৱা স্বত্বেও সাম্প্ৰতিক সময়ৰ নাৰী কোনো ক্ষেত্ৰতে পিছপৰি ৰোৱা নাই। বৰ্তমানৰ নাৰী কেৱল পত্নী বা মাতৃ নহয়, বৰ্তমান সময়ৰ নাৰী দেশৰ পৰিচয়, ভৱিষ্যতৰ সম্ভাৱনা॥

- ❑ মহাকাশলৈ যোৱা প্ৰথমগৰাকী ভাৰতীয় মহিলা-কল্পনা চাওলা।
- ❑ প্ৰথমগৰাকী ভাৰতীয় মহিলা প্ৰধানমন্ত্ৰী-ইন্দিৰা গান্ধী।
- ❑ প্ৰথমগৰাকী ভাৰতীয় মহিলা গৱৰ্নৰ-সৰোজিনী নাইডু।
- ❑ ছিডনী অলিম্পিকত জয় প্ৰথমগৰাকী ভাৰতীয় মহিলা খেলুৱৈ-কৰ্ণম মালেশ্বৰী।

# PIL আৰু সামাজিক ন্যায়

ৰাহুল দাস
তৃতীয় ষাণ্মাসিক

ভাৰত হৈছে বিশ্বৰ এখন বৃহৎ জনসংখ্যা থকা দেশ। দেশখনত দৰিদ্ৰতা আৰু নিৰক্ষৰতাই বিৰাজ কৰাৰ বাবে দেশৰ সাধাৰণ নাগৰিকে নিজৰ অধিকাৰৰ বাবে আদালতলৈ যোৱাৰ সুযোগ পোৱা নাছিল। তেনে এক পৰিপ্ৰেক্ষিতত‌ে ১৯৭০ দশকৰ অন্তিম ভাগত আৰু ১৯৮০ দশকৰ আৰম্ভণিতে উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ পি.এন. ভাগৱতী (যাক PIL ৰ পিতৃ বুলি জনা যায়) আৰু ভি. আৰ. কৃষ্ণ আয়াৰে ভাৰতীয় ন্যায়ালয়ৰ ন্যায়িক সক্ৰিয়তাৰ অধীনত এক নতুন দিশৰ সংযোজন ঘটায়। এই নতুন সংযোজিত দিশে কোনো ব্যক্তি বা সংগঠনে নিজে ক্ষতিগ্ৰস্ত নহ'লেও ৰাজহুৱা স্বাৰ্থ ৰক্ষাৰ বাবে ন্যায়ালয়ত আবেদন কৰিব পৰাকৈ সুবিধা প্ৰদান কৰে ইয়াকে ৰাজহুৱা স্বাৰ্থজড়িত গোচৰ বা **"Public Interest Litigation"** বুলি কোৱা হয়।

ৰাজহুৱা স্বাৰ্থজড়িত গোচৰ হ'ল "কোনো ব্যক্তি বা সংগঠনে জনসাধাৰণৰ হিতৰ বাবে আদালতত দাখিল কৰা এক আইনগত আবেদন"। ইয়াত কোনো ব্যক্তিৰ ব্যক্তিগত স্বাৰ্থ বা লাভৰ বাবে নহয়, সামাজিক বা জনসাধাৰণৰ স্বাৰ্থৰ বাবে ন্যায় বিচৰা হয়। PIL কেৱল দুটা ঠাইতে দাখিল কৰিব পাৰি। ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ৩২ ৰ দ্বাৰা উচ্চতম ন্যায়ালয়ত আৰু অনুচ্ছেদ ২২৬ ৰ দ্বাৰা যিকোনো এখন ৰাজ্যৰ উচ্চ ন্যায়ালয়ত দাখিল কৰিব পাৰি।

## PIL দাখিল কৰিব পৰা বিষয়বোৰ

PIL কোনো ব্যক্তি বা সংগঠনে সকলো বিষয়ৰ ওপৰতে দাখিল কৰিব নোৱাৰে। যিবোৰ বিষয়ৰ ওপৰত PIL দাখিল কৰিব পাৰে সেই বিষয়বোৰ হ'ল

- **মৌলিক অধিকাৰৰ উলংঘা ঃ**
  - কোনো ব্যক্তিৰ মৌলিক অধিকাৰ যেনে- সমতাৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, ধৰ্মীয় স্বতন্ত্ৰতাৰ অধিকাৰ আদি উলংঘা হ'লে PIL কৰিব পাৰি।
- **পৰিৱেশ প্ৰদূষণ ঃ**
  - পৰিৱেশ প্ৰদূষিত কৰা, পাৰিৱেশিক ভাৰসাম্যতাৰ

ওপৰত প্ৰভাৱ পেলোৱা আৰু মানুহৰ স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পেলোৱা বিষয়বোৰৰ ওপৰত PIL কৰিব পাৰি।

- **সামাজিক ন্যায় ঃ**
  - বন্ধা শ্ৰমিক, শিশু শ্ৰমিক, কল-কাৰখানাৰ শ্ৰমিক, কাৰাগাৰৰ কয়দী, মহিলা আৰু শিশুৰ ওপৰত অত্যাচাৰ সম্বন্ধিত বিষয়ৰ ওপৰত PIL কৰিব পাৰি।
- **নিৰাপত্তাৰ বিষয় ঃ**
  - পথ সুৰক্ষা, নিৰ্মাণ কাৰ্য, সম্বন্ধীয় ভয়াৱহতা আৰু যিবোৰ অন্য কাৰকে জনতাৰ সুৰক্ষা-নিৰাপত্তাৰ প্ৰতি ভাবুকি সৃষ্টি কৰিব পাৰে তেনে বিষয়ত PIL কৰিব পাৰি।
- **চৰকাৰী নিষ্ক্ৰিয়তা ঃ**
  - চৰকাৰী প্ৰশাসনে ভালদৰে কাম নকৰিলে, চৰকাৰে নীতি-নিয়ম পালন নকৰিলে আৰু চৰকাৰে নিজ ইচ্ছামতে কোনো দায়বদ্ধ নোহোৱাকৈ কাম কৰিলে তেনে বিষয়ত PIL কৰিব পাৰি।
- **স্বাস্থ্য আৰু সুৰক্ষা ঃ**
  - খাদ্যবস্তুত আন বস্তু মিহলালে বা ভয়ানক উদ্যোগৰ বাবে মানুহৰ জীৱনলৈ ভয়াৱহতা নামি আহিলে, তেনে বিষয়ত PIL কৰিব পাৰি।
- **ধাৰ্মিক ও সাংস্কৃতিক বিষয় ঃ**
  - ধাৰ্মিক স্থানত মহিলা বা দলিত শ্ৰেণীৰ প্ৰৱেশত বাধা বা অন্যান্য সাংস্কৃতিক আৰু ধাৰ্মিক বিষয়ৰ লগত জড়িত অধিকাৰৰ বাবে PIL কৰিব পাৰি।
  - উক্ত বিষয়বোৰত কোনো ব্যক্তি বা সংগঠনে PIL কৰিব পাৰে।

## PIL দাখিল কৰাৰ সীমাবদ্ধতা ঃ

PIL দাখিল কৰাৰ কিছুমান সীমাবদ্ধতা আছে, তলত সেইবোৰ বৰ্ণনা কৰা হ'ল –

- **নিজৰ স্বাৰ্থৰ বাবে নহয় ঃ**
  - PIL কেৱল জনসাধাৰণৰ স্বাৰ্থৰ বাবেহে দাখিল কৰিব

পাৰি। কোনো ব্যক্তি, সংগঠন বা দলৰ স্বাৰ্থত PIL কৰিব পৰা নাযায়।

- **জনস্বাৰ্থ থকাটো বাঞ্ছনীয় ঃ**
  - PIL ৰ গোচৰত জনস্বাৰ্থ থকাটো বাঞ্ছনীয়। অন্যথা ইয়াক ন্যায়ালয়ে গ্ৰহণ নকৰে আৰু PIL কৰাজনৰ ওপৰতহে জৰিমনা বিহা হয়।
- **প্ৰমাণ আৰু তথ্যৰ উপলব্ধতা ঃ**
  - PIL দাখিল কৰোঁতে স্পষ্ট প্ৰমাণ আৰু উপযুক্ত তথ্যৰে দাখিল কৰিব লাগিব। অনুমান বা সন্দেহৰ ভিত্তিত PIL দাখিল কৰিব নোৱাৰে।
- **পূৰ্বৰ পৰা চলিত বিষয়ত PIL নহয় ঃ**
  - যেতিয়া কোনো এটা বিষয় সম্পৰ্কে আদালতত গোচৰ চলি থাকে, তেনে বিষয়ৰ ওপৰত পুনৰ PIL কৰিব নোৱাৰি।
- **উদ্দেশ্য সিদ্ধিৰ বাবে নহয় ঃ**
  - PIL কোনো ব্যক্তিয়ে স্বাৰ্থ সিদ্ধিৰ বাবে, কোনো ৰাজনৈতিক দলে নিজৰ স্বাৰ্থ পূৰণৰ বাবে বা কোনো ব্যক্তি বা সংগঠনে নিজৰ প্ৰচাৰ চলাবৰ বাবে PIL দাখিল কৰিব নোৱাৰে।
- **আৰ্থিক ক্ষতিপূৰণৰ দাবী কৰিব নোৱাৰে ঃ**
  - PIL কৰোঁতে কোনো ব্যক্তি বা সংগঠনে আৰ্থিক ক্ষতিপূৰণৰ বাবে দাবী কৰিব নোৱাৰে। বৰঞ্চ তেওঁলোকে সামাজিক ন্যায়ৰ বাবেহে দাবী কৰিব পাৰে।

উপৰোক্ত বিষয়বোৰ হ'ল PIL দাখিল কৰাৰ কিছুমান সীমাবদ্ধতা।

## PIL দাখিল কৰাৰ প্ৰক্ৰিয়া ঃ

PIL দাখিল কৰাৰ প্ৰক্ৰিয়া বোৰ তলত দেখুওৱা হ'ল-

- **বিষয়ৰ চিনাক্তকৰণ ঃ**
  - সকলোতকৈ প্ৰথমে PIL দাখিল কৰিবৰ বাবে ৰাজহুৱা স্বাৰ্থজড়িত বিষয়টো বাচি ল'ব লাগে।

❑ **ক'ত দাখিল কৰিব লাগে নিৰ্ণয় লোৱা ঃ**

➢ বিষয় অনুযায়ী যদি PIL ৰ গুৰুত্ব দেশব্যাপী হয় তেন্তে উচ্চতম ন্যায়ালয়ত আৰু ৰাজ্যিক পৰ্যায়ত হয় তেন্তে উচ্চ ন্যায়ালয়ত দাখিল কৰিব লাগে।

❑ **দাখিল কৰাৰ আগতে কৰণীয় কাম ঃ**

➢ PIL দাখিল কৰা আগতে বিষয় সমন্ধীয় চৰকাৰী বিভাগত লিখিত গোচৰ দিব লাগে আৰু কিছু দিন অপেক্ষা কৰিব লাগে। যদি চৰকাৰী বিভাগে কোনো পদক্ষেপ গ্ৰহণ নকৰে তেতিয়াহে PIL দাখিল কৰিব লাগে।

❑ **PIL দাখিল কৰোঁতে লগা বস্তু ঃ**

➢ PIL দাখিল কৰিবলৈ এখন আবেদন বা Petition লিখিব লাগে। য'ত সমস্যাটোৰ বিষয়ে, সমস্যাটোৰ দ্বাৰা মানুহৰ কেনেকুৱা অসুবিধা হৈছে আৰু সমস্যাৰ লগত জড়িত চৰকাৰী বিভাগে কি নকৰিলে আৰু কৰ্টৰ পৰা কি আদেশ বিচাৰিছে সেইয়া আবেদনখনত লিখিব লাগে আৰু লিখা কথাবোৰ সত্য বুলি এখন শপতনামা (Affidavit) দিব লাগে। লগতে প্ৰমানৰ বাবে ফটো, চিঠি, প্ৰতিবেদন আদি লগত দিব লাগে।

❑ **PIL দাখিল কৰাৰ স্তৰ ঃ**

➢ এখন সাধাৰণ এ-ফৰ্থ কাগজত আবেদন বা Petition প্ৰস্তুত কৰাৰ পাছত ক'ৰ্টলৈ গৈ Registry Section ত জমা কৰিব লাগে। সকলো যদি শুদ্ধ হয় Case Number দিয়ে। তাৰ পিছত কৰ্টে তাৰিখ দিয়ে আৰু শুনানি আৰম্ভ হয়। মিছা PIL দাখিল কৰিলে কৰ্টে জৰিমনা বিহিব পাৰে।

**PIL ৰ কিছুমান উদাহৰণ ঃ**

সৰ্বভাৰতীয় পৰ্যায়ত সাম্প্ৰতিক কালত PIL ৰ কিছুমান উদাহৰণ হ'ল -

**১) দিল্লীৰ বায়ু প্ৰদূষণৰ ওপৰত PIL (২০২৪) ঃ**

২০২৪ চনত দিল্লীত প্ৰদূষণৰ ওপৰত PIL কৰা হৈছিল ভাৰতৰ সৰ্বোচ্চ ন্যায়ালয়ত। সৰ্বোচ্চ ন্যায়ালয়ে এই বিষয়ত ৰায় প্ৰদান কৰে যে কেন্দ্ৰীয় আৰু দিল্লী চৰকাৰক নিৰ্মাণ কাৰ্য্যবোৰত অস্থায়ীভাৱে কাম বন্ধ ৰাখিবলৈ চেষ্টা কৰিব লাগে আৰু Graded Response Action Plan (GRAP) বা ঢাপে ধাপে ঢাপে প্ৰতিক্ৰিয়া কাৰ্যপন্থা জাৰি কৰিবলৈ লাগে বুলি আদেশ দিয়ে।

**২) নীট (NEET) পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল ৰ ওপৰত PIL (২০২৪) ঃ**

২০২৪ চনত 'নীট' পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ বাবে উচ্চতম ন্যায়ালয়ত PIL ৰুজু কৰা হয়। উচ্চতম ন্যায়ালয়ে উক্ত বিষয় হিচাপে CBI ৰ প্ৰতিবেদন বিচাৰিছিল আৰু শিক্ষা মন্ত্ৰণালয়ক পৰীক্ষা ব্যৱস্থা সোধৰাবৰ বাবে নিৰ্দেশনা জাৰি কৰিছিল।

**৩) ৰাজস্থানৰ বাল্যবিবাহৰ ওপৰত PIL (২০২৩) ঃ**

২০২৩ চনত ৰাজস্থানৰ উচ্চ ন্যায়ালয়ত বাল্যবিবাহ ৰোধৰ ক্ষেত্ৰত প্ৰশাসনত দেখা দিয়া বিফলতাৰ বাবে PIL জাৰি কৰা হৈছিল। ৰাজস্থানৰ উচ্চ ন্যায়ালয়ে সেই সময়ত ৰায় দিছিল যে পঞ্চায়তৰ পৰ্য্যায়ত বাল্যবিবাহ ৰোধৰ বাবে সমিতি গঠন কৰিবলৈ ৰাজ্য চৰকাৰক আদেশ দিছিল।

**৪) বানপানী ব্যৱস্থাপনা ৰ ওপৰত PIL (২০২৩-২৪) ঃ**

প্ৰতি বছৰে অসমত হোৱা বানপানীৰ সৈতে যুঁজাত চৰকাৰী বিফলতাৰ বাবে ২০২৩ চনত গুৱাহাটী উচ্চ ন্যায়ালয়ত PIL জাৰি কৰা হৈছিল। আচলতে এই সম্বন্ধে আদেশ দিয়ে যে ৰাজ্য চৰকাৰ আৰু ৰাজ্যৰ জল পৰিক্ৰমা বিভাগে বান পৰিস্থিতিত কেৱল এককালীন সাহায্য প্ৰদান কৰিলেই নহ'ব তাৰ উপৰি বানৰ স্থায়ী সমাধানৰ বাবে কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

**৫) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বেদখলৰ ওপৰত PIL (২০২৪) ঃ**

২০২৪ চনত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ আশে পাশে থকা অঞ্চলবোৰত অবৈধভাৱে নিৰ্মাণ কাৰ্যৰ ওপৰত ভিত্তি কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ত PIL দাখিল কৰা হয়। গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্য চৰকাৰক অবৈধ সংৰচনা বোৰ আঁতৰাবলৈ আৰু সংৰক্ষিত অঞ্চল Buffer Jone ত নতুন নিৰ্মাণ কাৰ্য ৰখাবলৈ আদেশ দিয়ে।

**৬) বিহু উৎসৱৰ বাবে দিয়া নিধিৰ দুব্যৱহাৰ ৰ ওপৰত PIL (২০২৫) ঃ**

অসম চৰকাৰে বহু উৎসৱ পালন কৰিবলৈ দিয়া নিধিৰ দু-ব্যৱহাৰৰ বাবে ২০২৫ চনত গুৱাহটী উচ্চ ন্যায়ালয়ত এটা PIL ৰুজু কৰা হয়। আচলতে এই বিষয়ত চৰকাৰৰ পৰা বিস্তৃত প্ৰতিবেদন বিচাৰিলে আৰু বিহু সমিতিয়ে নিধি কেনেকৈ ক'ত কিমান খৰচ কৰিলে তাৰ হিচাপ নিকাচ চাইছিল।

## PIL ৰ সুবিধা ঃ

ৰাজহুৱা স্বাৰ্থজড়িত গোচৰ বা PIL হ'ল জনতাৰ এক মাধ্যম, যাৰ দ্বাৰা তেওঁলোকে আদালতত গৈ নিজৰ ন্যায় বিচাৰিব পাৰে। PIL য়ে ভিন্ন প্ৰকাৰে মানুহক সহায় কৰিছে। এইবোৰ সহায় বা সুবিধাক তলত দেখুওৱা হ'ল-

**১) মানৱ অধিকাৰৰ সুৰক্ষা ঃ**

দৰিদ্ৰ, নিপীড়িত, শিশু, মহিলা, শ্ৰমিক আদিয়ে নিজৰ অধিকাৰৰ বাবে আইনৰ কাষ চাপিব নোৱাৰে। কিন্তু অন্য কোনো লোকে তেওঁলোকৰ বিষয়ৰ ওপৰত আদালতত PILৰ গোচৰ কৰি তেওঁলোকক ন্যায় প্ৰদান কৰি মানৱ অধিকাৰ ৰক্ষা কৰে।

**২) জনস্বাৰ্থ বিষয়ক আদালতত উপস্থাপন কৰে ঃ**

PIL য়ে পৰিৱেশ প্ৰদূষণ, বনাঞ্চল ধ্বংস, নদীৰ প্ৰদূষণ, শিক্ষাৰ অধিকাৰ, মানৱ অধিকাৰ আদিৰ দৰে গুৰুত্বপূৰ্ণ ৰাজহুৱা স্বাৰ্থজড়িত বিষয়বোৰক আদালতত উপস্থাপন কৰাই তাৰ প্ৰতিকাৰত সহায় কৰে।

**৩) প্ৰশাসনীয় দায়িত্ববোধ ঃ**

ৰাজহুৱা স্বাৰ্থজড়িত বিষয়ে চৰকাৰী বিভাগ, সংস্থা আদিৰ কৰ্মচাৰী তথা পদাধিকাৰীক অন্যায় কৰাৰ পৰা বিৰত ৰাখে লগতে ই চৰকাৰী বিভাগবোৰক নিজ দায়িত্ব সঠিকভাৱে পালন কৰাৰ প্ৰতি সজাগ কৰে।

**নাগৰিকক ন্যায় পোৱাৰ সুযোগ প্ৰদান কৰে ঃ**

PIL ৰ দ্বাৰা সাধাৰণ নাগৰিকে টকা দি আইনজীৱীৰ সহায় নোলোৱাকৈয়ে প্ৰত্যক্ষভাৱে আদালতত গৈ ন্যায় বিচাৰিব পাৰে। যিয়ে দুখীয়া লোকক ন্যায় পোৱাৰ সুবিধা প্ৰদান কৰে।

**দ্ৰুত সমস্যা সমাধান ঃ**

PILয়ে ৰাজহুৱা স্বাৰ্থজড়িত বিষয়বোৰ দ্ৰুত সমাধান কৰাত সহায় কৰে যাতে জনধনৰ ক্ষতি কম হয়। উপৰোক্তবোৰেই হ'ল PIL ৰ কিছুমান লাভ বা সুবিধা।

## PIL ৰ সমালোচনা ঃ

বিভিন্ন দিশত PIL নাগৰিকৰ বাবে সহায়ক হ'লেও বুদ্ধিজীৱী, আইনজীৱী, চিন্তাবিদসকলে ইয়াৰ কিছুমান সমালোচনা আগবঢ়াইছে। সেইবোৰ তলত দিয়া হ'ল-

**ন্যায়পালিকাৰ পৰিসৰ বৃদ্ধি ঃ**

PIL সম্পৰ্কে নিৰ্দেশনা নথকাৰ বাবে ন্যায় পালিকাই ইয়াৰ বিস্তৃতি সাধন কৰি বিধানমণ্ডলৰ প্ৰতি প্ৰত্যাহ্বান জনাব পাৰে।

**ন্যায়পালিকাৰ ওপৰত চাপ বৃদ্ধি ঃ**

ভাৰতৰ দৰে এখন বিশাল জনসংখ্যা থকা দেশত ন্যায় প্ৰদান প্ৰক্ৰিয়া সাধাৰণতে লেহেমীয়া গতিত চলে। কিন্তু PIL ব্যৱস্থাই ন্যায়পালিকাৰ ওপৰত আৰু অধিক চাপ বৃদ্ধি কৰি ন্যায় ব্যৱস্থাৰ গতিক মন্থৰ কৰি তুলিছে।

**জনসাধাৰণৰ অজ্ঞতা ঃ**

PIL ব্যৱস্থাই এই পৰ্যন্ত আশা কৰা ধৰণে সফলতা অৰ্জন কৰিব পৰা নাই, কিয়নো এই বিষয় সম্পৰ্কে মানুহৰ জ্ঞান সীমিত।

**অপব্যৱহাৰৰ সম্ভাৱনা ঃ**

বহুক্ষেত্ৰত PIL ৰ দ্বাৰা ৰাজহুৱা তথা ব্যক্তিগত স্বাৰ্থ আদায় কৰাৰ বাবে চেষ্টা চলোৱা হয়, ই ন্যায়ালয়ৰ মূল্যৱান সময় নষ্ট কৰাৰ লগতে মূল বিষয়বস্তুৰ পৰা PIL আঁতৰাই আনিছে।

এনেদৰে PIL ব্যৱস্থাৰ ঋণাত্মক দিশ থাকিলেও ই সৰ্বসাধাৰণ জনতাৰ ৰাজহুৱা স্বাৰ্থ জড়িত বিষয়বোৰত ন্যায় পোৱাত এক অন্যতম ভূমিকা পালন কৰিছে। বৰ্তমান আইনপালিকাৰ দুৰ্নীতি, ভ্ৰষ্টাচাৰ ৰোধ কৰি ন্যায়পালিকাক সক্ৰিয় আৰু নিৰপেক্ষ কৰিবলৈ PIL হ'ল এক অন্যতম গুৰুত্বপূৰ্ণ উপাদান॥

# হোমেন বৰগোহাঞিদেৱৰ "হালধীয়া চৰায়ে বাওধান খায়"

হিমাশ্ৰী বড়া
প্ৰথম ষাণ্মাসিক



হোমেন বৰগোহাঞি অসমীয়া সাহিত্য জগতৰ এগৰাকী প্ৰথিতযশা সাহিত্যিক আছিল। অসমীয়া সমাজ জীৱনত তেখেত এগৰাকী কবি, সমালোচক, গল্পকাৰ, ঔপন্যাসিক আৰু সু-সাহিত্যিক হিচাপে খ্যাত। হোমেন বৰগোহাঞিদেৱৰ দ্বাৰা ৰচিত কেইখনমান উপন্যাসৰ নাম হৈছে - 'অষ্টৰাগ', 'হালধীয়া চৰায়ে বাওধান খায়', 'তিমিৰ তীৰ্থ' আদি। এইসমূহৰ ভিতৰত 'হালধীয়া চৰায়ে বাওধান খায়' শীৰ্ষক উপন্যাসখন প্ৰকাশ পাইছিল ১৯৭২ চনত। এই উপন্যাখনৰ আধাৰতে জাহ্নু বৰুৱা পৰিচালিত হালধীয়া চৰায়ে বাওধান খায় নামৰ চলচ্চিত্ৰখনে ৩৫ তম ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত শ্ৰেষ্ঠ ছবিৰ স্বৰ্ণকমল বঁটা লাভ কৰিবলৈ সক্ষম হয়। হোমেন বৰগোহাঞিৰ কলমেৰে নিগৰিত হোৱা লিখনিসমূহত মূল বিষয়বস্তু হিচাপে সমাজৰ সাধাৰণ লোকসকলৰ সংগ্ৰাম, সামাজিক কু-সংস্কাৰ, উচ্চ শ্ৰেণীৰ শোষণ নিষ্পেষণৰ ছবি প্ৰস্ফুটিত হোৱা দেখিবলৈ পোৱা যায়। তেখেতৰ 'হালধীয়া চৰায়ে বাওধান খায়' শীৰ্ষক উপন্যাসখন ইয়াৰ এক উৎকৃষ্ট নিদৰ্শন। উপন্যাসখনত লেখকে অসমীয়া চহা জীৱনৰ এখন বাস্তৱ, মননশীল তথা হৃদয়স্পৰ্শী ছবি দাঙি ধৰিছে। বৰগোহাঞিদেৱে সচৰাচৰ সমাজত প্ৰত্যক্ষ কৰিবলৈ পোৱা ধনী শ্ৰেণীৰ দমন, শোষণ, বঞ্চনা আদিৰ বলি হৈ দৰিদ্ৰ নিৰক্ষৰ তথা সাধাৰণ কৃষকসকল কিদৰে হাৰাশাস্তি হ'বলগীয়া হয় তাৰ এক সাৱলীল বৰ্ণনা উপন্যাসখনৰ মাধ্যমেৰে উপস্থাপন কৰিছে।


## কাহিনীৰ চমু বিৱৰণ

উপন্যাসখনৰ মূল চৰিত্ৰ ৰসেশ্বৰৰ খেতি মাটি মুঠেই এপোৰা মাত্ৰ। সেই এপোৰা মাটিত খেতি কৰি ৰসেশ্বৰে নিজৰ পৰিবাৰ আৰু সাতোটা সন্তানৰ সৈতে যেনে তেনে জোৰা-তাপলি মাৰি সংসাৰ চলায়। কিন্তু একেখন গাঁৱৰে ধনী ঠিকাদাৰ তথা

ক্ষমতাশালী নেতা সনাতন শৰ্মাই ষড়যন্ত্ৰ কৰি ৰসেশ্বৰৰ পৰা সেই এপোৰা মাটিও কাঢ়ি লয়। এনে অন্যায়ৰ বিৰুদ্ধে তেওঁ আদালতত গোচৰ তৰে। কিন্তু ন্যায় পোৱা দূৰৰে কথা, বৰঞ্চ ৰঙাফিতাৰ মেৰপাকত ৰসেশ্বৰৰ জীৱন আৰু বেছি দুৰ্বিষহহে হৈ পৰিল। আদালতৰ গোচৰৰ খৰচৰ নামত ৰসেশ্বৰে এপদ এপদকৈ ঘৰৰ সকলো সম্পদ হেৰুৱালে। পইচাৰ অভাৱত নিজৰ ল'ৰাটোক স্কুলৰ পৰা আঁতৰাই আনি আনৰ ঘৰত বন কৰিবলৈ পঠাবলগীয়া হ'ল, খাবলৈ এমুঠি চাউল ঘৰখনত নোহোৱা হ'ল। মুঠৰ ওপৰত ৰসেশ্বৰৰ পৰিয়ালটো সম্পূৰ্ণৰূপে অন্ধকাৰত ডুব গ'ল। পিছত নিৰ্বাচনৰ সময়ত সনাতন শৰ্মাই ৰসেশ্বৰৰ ঘৰলৈ গৈ টকা পঁচিশটা আগবঢ়াই দিয়ে আৰু নিজৰ ভুল স্বীকাৰ কৰা যেন দেখুৱাই ৰসেশ্বৰৰ ওচৰত ক্ষমা বিচাৰে। অৱশ্যে এয়া সনাতন শৰ্মাৰ মিছা অভিনয়হে আছিল কিন্তু অজলা সেশ্বৰে সেইকথা বুজি নাপালে আৰু সনাতন শৰ্মাৰ ৰসেশ্বৰৰ মাটি ঘূৰাই দিয়াৰ মিছা প্ৰতিশ্ৰুতিত পতিয়ন গৈ শৰ্মাৰ জয় বাৰ্তা প্ৰসাৰত উঠি পৰি লাগে।

## মূল শিকনীয় বিষয়

উপন্যাসখনৰ কাহিনীভাগত কেইবাটাও গুৰুত্বপূৰ্ণ দিশ প্ৰতিফলিত হৈছে। সমাজৰ ধনী শ্ৰেণীৰ শোষণ, নিষ্পেষণ আৰু দুখীয়া-দৰিদ্ৰ সাধাৰণ লোকসকল তেওঁলোকৰ দ্বাৰা নজনাকৈয়ে কিদৰে শোষিত হৈ থাকে তাৰ এখন সজীৱ চিত্ৰ লেখকে দাঙি ধৰিবলৈ চেষ্টা কৰিছে। এজন কৃষকৰ বাবে তেওঁৰ মাটিডোখৰৰ মূল্য কিমান তাকো অতি সুন্দৰ ৰূপত লেখকে উপস্থাপন কৰিছে। উপন্যাসখনত প্ৰকাশ পোৱা অন্য দুটা দিশ হৈছে সমাজৰ অন্ধবিশ্বাস-কুসংস্কাৰ আৰু আমাৰ ন্যায়িক ব্যৱস্থাৰ দুৰ্বলতা। ৰসেশ্বৰে অন্ধবিশ্বাসৰ বশৱৰ্তী হৈ নিজৰ মৰমৰ জীয়েকক হেৰুৱাবলগীয়া হৈছিল। তদুপৰি উপন্যাসখনত লেখকে দৰিদ্ৰতাৰ এখন জ্বলন্ত ছবি অতি সাৱলীল ৰূপত প্ৰকাশ কৰিছে। গতিকে হোমেন বৰগোহাঞিদেৱৰ হালধীয়া চৰায়ে বাওধান খায় উপন্যাসখনক এখনি সুখপাঠ্য সামাজিক উপন্যাস হিচাপে অভিহিত কৰিব পৰা যায়॥




# মট্টো কী সাইকিল

**ঘোৰণজ্যোতি চেলেং**

**পঞ্চম ষাণ্মাসিক**

সম্প্ৰতি বলিউডকে আদি কৰি ভাৰতীয় চিনেমা জগতৰ একঘেয়ামি একশ্বন চলচ্চিত্ৰবোৰে বাণিজ্যিক ক্ষেত্ৰত



যিদৰে সফলতা অৰ্জন কৰিছে তেনেদৰে বাস্তৱিক চিনেমাৰ শাখাটোৱে সফলতাৰ মুখ দেখিবলৈ পোৱা নাই। **RRR, Pushpa: The Rise, Pathaan** আদি চলচ্চিত্ৰবোৰে বিশ্বৰ দৰবাৰত ভাৰতীয় চিনেমাক প্ৰতিনিধিত্ব কৰিছে সঁচা। পিছে এনে চলচ্চিত্ৰবোৰত ভাৰতীয় জনজীৱনৰ ৰূপৰেখা প্ৰতিফলিত হোৱাৰ বিপৰীতে নায়কৰূপী অতিমানৱৰ জয়গান আৰু অতিৰঞ্জিত নাটকীয় কাহিনীবোৰক হে পৰিৱেশন কৰা হৈছে। ইয়াৰ সম্পূৰ্ণ পৰিৱৰ্তে বাস্তৱিক চিনেমা শাখাটোৰ অন্তৰ্গত চলচ্চিত্ৰবোৰ হয় বিফল হৈছে অথবা বাজেটৰ পুঁজি কথমপি হে ৰক্ষা কৰিব পাৰিছে। বাস্তৱিক চিনেমাৰ শাখাটোৰ

অন্তৰ্গত “মট্টো কী সাইকিল” (Matto Ki Saikil) শীৰ্ষক চলচ্চিত্ৰখন ইয়াৰ অন্যতম উদাহৰণ। ২০২২ বৰ্ষৰ ১৬ ছেপ্টেম্বৰত মুক্তি লাভ কৰা চিনেমাখনক বাণিজ্যিক ক্ষেত্ৰত সফল বুলি গণ্য কৰিব নোৱাৰিলেও ইয়াৰ কাহিনীভাগ তথা ইয়াৰ পৰিৱেশন খুবেই শলাগ ল'বলগীয়া। অভিনয় আৰু দৃশ্য পৰিৱেশনত চলচিত্ৰখনে কৃত্ৰিম মঞ্চৰ পৰিবৰ্তে গাঁৱৰ পৰিৱেশ আৰু পৰিস্থিতিক সুন্দৰকৈ উপস্থাপন কৰিছে। সাজ-সজ্জা, গাঁৱৰ পৰিৱেশ আনকি মানসিকতাৰ সম্পৰ্কেও চলচ্চিত্ৰখনে পৰিৱেশন কৰাত হেমাহি কৰা নাই। M Gani ৰ দ্বাৰা পৰিচালিত “মট্টো কী সাইকিল” (Matto Ki Saikil) চলচ্চিত্ৰখনিৰ কাহিনীভাগৰ “মট্টো পাল” শীৰ্ষক মূল চৰিত্ৰটোৰ অভিনয় কৰিছে অভিনেতা আৰু পৰিচালক হিচাপে সুখ্যাত প্ৰকাশ ঝাই। চলচ্চিত্ৰখনৰ ভাষা মথুৰাৰ বজ্ৰ ভাষা।

উত্তৰ প্ৰদেশৰ মথুৰাস্থিত এখন সৰু গাঁৱৰ শ্ৰমিক হ'ল মট্টো পাল। পত্নীৰ সৈতে পালৰ ঘৰখনত দুগৰাকী কন্যা নীৰজ আৰু লিমকা। পেটৰ তাড়না আৰু পৰিয়াল পোষণৰ বাবে মট্টো পালে নিতৌ পুৱাই পুৰণি চাইকেলখনেৰে সৈতে কৰ্মৰ সন্ধান কৰে। যি পায়, তাকে কৰে। এই পুৰণি মামৰে ধৰা চাইকেলখন মট্টোৰ কৰ্ম সন্ধানত যিদৰে আহিলাস্বৰূপ তেনেদৰে কৰ্মস্থানত পলম হোৱাৰ অন্যতম কাৰণ। কেইবাবাৰো পালে ইয়াৰ বাবে কামো হেৰুৱাব লগা হৈছে। পিছে পৰিয়ালটোৰ বাবে চাইকেলখন নহ'লেও নহয়। দূৰৰ কাঠনিৰ পৰা বুটলি অনা খৰিবিলাকৰ ওজন কঢ়িওৱা আৰু ঘৰৰ অসুস্থজনক স্বাস্থ্যকেন্দ্ৰলৈ লৈ যোৱাৰ একমাত্ৰ বাহন মট্টোৰ চাইকেলখন এদিন এটি দুৰ্ঘটনাত সম্পূৰ্ণকৈ ধ্বংস হৈ যায়। ফলস্বৰূপে কৰ্মৰ সন্ধানত অসুবিধা হোৱাৰ লগতে পৰিয়ালটিৰ সদ্যচলিত জীৱনৰ গতিধাৰা বিঘ্নিত হয়। দুৰ্ঘটনাটো কি আৰু চাইকেলখনৰ কি হ'ল, তাকে লৈ চলচ্চিত্ৰখনৰ মূল কাহিনীটো নিৰ্মিত। অৱশ্য নিৰ্বাচনৰ এটি গৌণ কাহিনীও সমান্তৰালকৈ চলি থাকে।

চলচ্চিত্ৰখনৰ কাহিনীভাগ সহজ সৰল। পিছে এই কথাছবিখনৰ প্ৰতীকী তাৎপৰ্য মনকৰিবলগীয়া। শব্দতকৈ দৃশ্যবোৰৰ প্ৰতীকী অৰ্থই ৰূপক হিচাপে কথাছবিখনৰ সৌন্দৰ্য্য বঢ়াই তোলে। উদাহৰণস্বৰূপে কাহিনীৰ আৰম্ভণিত চৌধুৰী (নেতাৰ

চৰিত্ৰটো) ৰ ঘৰখন পুৰণি দেখুওৱা হৈছে কিন্তু কাহিনীৰ শেষৰ ফালে পকী হৈ পৰাৰ লগতে উন্নত হৈ পৰিছে। পিছে মট্টোৰ দশা ক্ৰমশঃ বেয়া লৈ গতি কৰিছে। মনকৰিবলগীয়া যে চলচ্চিত্ৰখনে সমাজৰ ভিন্ন দিশত কৰা টিপ্পনীবোৰ উহ্য; ই শব্দৰে নহয়, দৃশ্যৰ সহায়ত হে স্পষ্ট হৈ উঠিছে। চলচ্চিত্ৰখনৰ অন্যতম বৈশিষ্ট্য হ'ল অতিৰঞ্জনৰ অনুপস্থিতি। সাধাৰণতে সামাজিক বিষয়ক কথাছবিবিলাকত অতিৰঞ্জিত আৰু খুবেই নাটকীয় ধৰণেৰে পৰিসমাপ্তি ঘটাই কাহিনীৰ মূল সৌধটি নষ্ট কৰা পৰিলক্ষিত হয়। এই চিনেমাখনত তেনে দেখা পোৱা নাযায় বৰঞ্চ দৃশ্যবিলাক বাস্তৱিক জীৱনৰ লগত জড়িত যেন অনুভৱ হয়। অতিমানবীয় নায়ক চৰিত্ৰৰ অনুপস্থিতিয়ে চিনেমাখনক আৰু অধিক বাস্তৱসন্মত কৰি তোলে। কাহিনীভাগ ধীৰ গতিৰে আৰম্ভ হৈ পুনৰ একে গতিতে শেষ হয়। গতিকে ধীৰ গতিৰ চিনেমা চাই বেয়া পোৱা লোকসকলৰ বাবে এই চিনেমাখন বৰ সুখকৰ নহ'ব।

বাস্তৱ জীৱনৰ চিনাকী চৰিত্ৰবিলাকক প্ৰত্যক্ষ কৰি তেওঁলোকৰ সৰল অথচ কষ্টকৰ জীৱনৰ সন্দৰ্ভে যিধৰণে এই চলচ্চিত্ৰখনে আলোকপাত কৰিছে সেইয়া বোধ কৰোঁ আজিৰ ভাৰতীয় চিনেমা জগতত খুবেই কম। মট্টোৰ দৰে চৰিত্ৰবিলাক আমাৰ সমাজখনৰ কোনো অপৰিচিত ব্যক্তিৰ উদাহৰণ নহয়। দিনৰ দিনটো গৰু-খাটন ধৰি নিকা কৰ্ম কৰি জীৱন নিৰ্বাহ কৰা এনে শ্ৰমিকসমাজ এখনতে আপুনি-মই বাস কৰোঁ। পিছে শ্ৰমিকৰ ধৰণ ভিন্ন হ'ব পাৰে। আজিও ভাৰতৰ ভিন্ন প্ৰান্তৰ শ্ৰমিকে বিচৰা ধৰণেৰে মজুৰি লাভ নকৰে। অত্যাধিক পৰিমাণৰ কাম কৰি পোৱা কেইটামান টকাই যেন তেন কৰি ঘৰ পৰিচালনা কৰোঁতেই শেষ হয়। ফলত আকৌ কৰ্মৰ সন্ধানত ব্যস্ত হ'ব হয়। বাৰম্বাৰ কৰ্মৰ সন্ধানত নাই বুলিও কিবা এটা ক্ৰয় কৰি সুখ অলপ পাবলৈ কাৰ মন নাযায়! পিছে সেই সুখকণকো কণা বিধিয়ে কাঢ়ি নিয়ে। এনে সময়বোৰতে কেতিয়াবা কোনোবা এখিনিত এক নায়কৰ আবিৰ্ভাৱ হোৱা যেন লাগে, দুখৰ দিন গলিব বুলি এনে নায়কৰ প্ৰতি সমৰ্থন আগবঢ়োৱা হয়। পিছে এই নায়কৰ উদ্দেশ্য বুজাত পলম হোৱাত সাধাৰণ মানুহবিলাকৰ কোনোফালে একো নোহোৱা হৈ পৰে। চলচ্চিত্ৰখনৰ কাহিনীটোৱে বাৰে বাৰে ইয়াকে প্ৰতিপন্ন কৰিব খোজে॥

# বসুন্ধৰা (The Earth)

**সৰস্বতী বড়া**
**পঞ্চম ষাণ্মাসিক**

হীৰেণ বৰাৰ দ্বাৰা পৰিচালিত বসুন্ধৰা (The Earth) চিনেমাখনত হাতী-মানুহৰ সংঘাতৰ দৰে এক গুৰুত্বপূৰ্ণ পৰিৱেশীয় সমস্যাৰ বিষয়ে উপস্থাপন




কৰিছে। উক্ত চিনেমাখন ১৫ জানুৱাৰী ২০১০ তাৰিখে জনসাধাৰণৰ বাবে ৰিলিজ কৰি দিয়া হয়। হাতী-মানুহৰ সংঘাতক কেন্দ্ৰ কৰিয়েই উক্ত চিনেমাখন প্ৰস্তুত কৰা হৈছে। চিনেমাখনৰ কাহিনীভাগ তলত আলোচনা কৰা হ'ল ।

সুন্দৰপুৰ নামৰ অঞ্চলটোত প্ৰায়ে এজাক বনৰীয়া হাতীয়ে বিচৰণ কৰি ফুৰিছিল। বহু চেষ্টা কৰিও হাতীজাকটোক খেদাব পৰা নাছিল। সেই গাঁওখনতে এগৰাকী বিধৱা মহিলা জোনাকীয়ে তেওঁ পুত্ৰ কনৰ লগত বাস কৰিছিল। সেই সময়ত গাঁৱৰ নামঘৰত এখন ভাওনা অনুষ্ঠিত কৰা হৈছিল। জোনাকীৰ পুত্ৰ কনৰ গা বেয়া হোৱাৰ বাবে যোৱা নাছিল যদিও পাছত ভাওনা চাবলৈ যায়। কিছুসময়ৰ পাছতে ভাওনা আৰম্ভ হয় যদিও গাঁৱৰে এজন ব্যক্তি আহি গাঁৱত হাতী সোমোৱাৰ কথা কয়। কিন্তু গাঁৱত সোমোৱা সেই হাতীজাকটোৱে কনক আক্ৰমণ কৰে আৰু তাৰ থিতাতে মৃত্যু হয়। বন বিভাগৰ লোক আহে যদিও তাক বচাব নোৱাৰিলে। এই ঘটনাটোৱে সকলোৱে মনত খলকনিৰ সৃষ্টি কৰিলে। বাতৰিকাকতটো ধাৰাসাৰভাৱে ইয়াৰ খবৰ বিয়পি পৰিলে।

এই হাতী-মানুহৰ সংঘাতৰ সমাধান বিচাৰি এটা বেচৰকাৰী অনুষ্ঠানৰ সৈতে জড়িত এজনী সাহসী ছোৱালী বসুন্ধৰাই সুন্দৰপুৰত পদাপৰ্ণ কৰে। তেওঁ সকলোৱে সহযোগত এই কামৰ বাবে আগবাঢ়ে।

বসুন্ধৰা সুন্দৰপুৰ ফালে গৈ থাকোতে ৰাস্তাতে এচাম লোকে জংঘলৰ ডাঙৰ ডাঙৰ গছসমূহ কাটি থকা দেখা পাইছিল আৰু গছবোৰ কটা কাৰণ সুধিছিল। কিন্তু তেওঁলোকে কোনো ধৰণৰ উত্তৰ দিয়া নাছিল। তেওঁলোকে বসুন্ধৰাক চৰকাৰক নাইবা সাংবাদিক বুলি কৈ পঠাই দিছিল। ৰাস্তাত বসুন্ধৰাই হাবিৰ পৰা কাটি অনা খৰি বোৰ দেখিছিল। য'ত বহু লোকে হাবিৰ পৰা খৰি কাটি আাহিছে। এনেদৰেই হাবি, নদী পাৰ কৰি সুন্দৰপুৰৰ অজুনৰ ঘৰ পাইহি। অৰ্জুন হাজৰিকা হৈছে সুন্দৰপুৰৰ এজন স্থানীয় সাংবাদিক। তেওঁক লগ কৰিবলৈ বসুন্ধৰা সুন্দৰপুৰলৈ আহে। বসুন্ধৰাই সুন্দৰপুৰৰ পৰা শিমলু তিনিয়ালিলৈ যায়। যোৱাৰ পথত বসুন্ধৰাই এজাক বনৰীয়া হাতীয়ে ৰাস্তাত বিচৰণ কৰি থকা দেখে লগতে ওচৰৰ ব্যক্তি সমুহেও হাতীয়ে ঘৰ ভঙাৰ কথা কয়। পাছদিনা পুৰা বসুন্ধৰা আকৌ সুন্দৰপুৰৰ অৰ্জুন হাজৰিকাক লগ কৰিবলৈ যায়। তাত অৰ্জুন হাজৰিকাক লগ ধৰি গাওঁবুঢ়াৰ ঘৰলৈ যায় আৰু কথা বতৰা পাতি হাতী-মানুহৰ সংঘাতৰ সমস্যা আৰু কাৰণৰ বিষয়ে আলোচনা কৰে। লগতে গাৱঁৰ মানুহক একগোট কৰি এখন সভা পতাৰ কথা আলোচনা কৰা হয় যাতে সকলোকে এই বিষয়ে অৱগত কৰিব পাৰি।

এনেদৰেই বসুন্ধৰাই অৰ্জুন হাজৰিকাৰ লগ হৈ কাম আৰম্ভ কৰে তাত তেওঁ বহু কথা গম পায়। আচলতে এই সংঘাতৰ মূল কাৰণ বেলেগ। এটা দুষ্ট চক্ৰই অবৈধভাৱে হাতীৰ মূল্যৱান সামগ্ৰীসমূহ কাটি বাহিৰৰ দেশত বিক্ৰী কৰে ফলত বনাঞ্চলসমূহ ধ্বংস হৈছে যিয়ে বন্যপ্ৰাণী সমূহক বনাঞ্চলৰ পৰা জনাঞ্চললৈ অহাত সহায় কৰিছে। দুষ্ট চক্ৰটোৱে হাবিৰ শিল বালিসমূহো অবৈধভাৱে খনন কৰে। লগতে নাৰী সৰবৰাহ আৰু যৌন নিৰ্যাতনৰ লগত জড়িত।

অৱশেষত বসুন্ধৰাই অৰ্জুন হাজৰিকা আৰু সুন্দৰপুৰৰ ৰাইজৰ সহযোগত হাতী-মানুহৰ সংঘাতৰ কাৰণ বিচাৰি পায়। এই কথা হাবিত অবৈধ ভাৱে গছ কটা চক্ৰই গম পাই লগতে বসুন্ধৰা দত্ত আৰু তেওঁক সহযোগ কৰা সুন্দৰপুৰৰ সাংবাদিক অৰ্জুন হাজৰিকাৰ বিপক্ষে ষড়যন্ত্ৰৰ কথা গম পায়। এই চক্ৰ লগত জড়িত মূল ব্যক্তি আছিল বন বিষয়া হাজৰিকা আৰু চোৰাং কাঠৰ সৰবৰাহকাৰী আৰু এই চক্ৰৰ মূল ব্যক্তি বৰুৱা।

এই দুয়োজনৰ ষড়যন্ত্ৰৰ কথা গম পায় বসুন্ধৰা দত্তই তেওঁলোকক লগ কৰিবলৈ আহে। সেই সময়ত বসুন্ধৰাই তেওঁলোকৰ গোপনীয় আলোচনা শুনিছিল য'ত গড়ৰ খৰ্গ সৰবৰাহ কৰাৰ কথা আলোচনা কৰিছিল। এই সকলোবোৰ কথা গম পোৱাৰ পিছত বসুন্ধৰা দত্ত নিশ্চিত হৈছিল যে হাতী-মানুহৰ সংঘাতৰ বাবে এই চক্ৰটোৱেই দায়ী। আৰু এই চক্ৰটোৰ উত্থানৰ বাবে প্ৰচেষ্টা চলাইছিল। এই প্ৰচেষ্টাত ওতঃপ্ৰোতভাৱে জড়িত আছিল সাংবাদিক অৰ্জুন হাজৰিকা, সেয়েহে এই চক্ৰটোৱে কৌশলগতভাৱে অৰ্জুন হাজৰিকাক হত্যা কৰিছিল। এই চক্ৰটোৱে বসুন্ধৰাৰ মাককো ভাবুকি দিছিল যি কথা ফোনযোগে বসুন্ধৰাক জনাইছিল। অৰ্জুন হাজৰিকাৰ মৃত্যুৰ পিছত তেওঁ ঘৰৰ পৰা বসুন্ধৰাই এই চক্ৰৰ সম্পৰ্কে বহুতো তথ্য লাভ কৰে যিয়ে এই চক্ৰৰ বিৰুদ্ধে প্ৰমাণৰ কাম কৰে। লগতে নতুনকৈ অহা বন বিষয়া জনকো সকলো কথা কয় আৰু তেওঁ সহায় কৰে। সেইদিনাই ৰাতি উক্ত চক্ৰটোৱে হাতিৰ দাঁত আৰু গড়ৰ খড়্গ সৰবৰাহৰ পৰিকল্পনা কৰে। এই সকলোবোৰ কথা বসুন্ধৰা দত্তই গম পাই ভূৱন নামৰ এজন সৰু ল'ৰাৰ পৰা। বন-বিষয়া জনৰ লগত তাত ওলাইগৈ আৰু উক্ত চক্ৰটোক হাতে লোটে ধৰে। অৱশেষত এই চক্ৰটো উত্থান হয়। এই ক্ষেত্ৰত ভূৱনৰ ভূমিকা উল্লেখযোগ্য।

এনেদৰেই এগৰাকী নাৰী হৈও বসুন্ধৰাই বহু ঘাট প্ৰতিঘাটৰ মাজেৰে এই হাতী-মানুহৰ সংঘাটৰ মূল কাৰণটো উদঘাটন কৰে॥



# সামৰ্থ

নিকিতা গগৈ
পঞ্চম ষাণ্মাসিক

ঘৰৰ বিয়া-বিয়া বুলি ঘৰৰ পৰিৱেশেই সলনি হৈ গৈছে। পিছে বিয়ালৈ বেছি দিন নাই। ঘৰৰ মুৰব্বী হিচাপে ঘনশ্যামৰ মূৰত সকলো খৰচ আহি পৰিছে। এফালে ঘনশ্যামৰ এজনীয়েই ছোৱালী; আগলৈ বুলি ক'বলৈও নাই পাছলৈ বুলি কবলৈও নাই। ঘনশ্যাম মধ্যবিত্ত পৰিয়ালৰ মানুহ দিন হাজিৰা কৰি পৰিয়ালটো চলাই আছে। জাক-জমকতাৰে বিয়া পাতিবলৈ ঘনশ্যামৰ টকাৰ অভাৱ। ছোৱালীৰ বিয়া ঠিক হৈছে ধনী ঘৰলৈ, পিছে দৰা ঘৰৰ পৰা কোনো ধৰণৰ দাবী নাই। বিয়াখন যেনেকৈ পাতিলেও হ'ব বুলি দৰা ঘৰে জনাই দিছে। সম্বন্ধীয় মানুহবোৰেও বিয়াত কি কি কৰিব তাৰ পৰিকল্পনা কৰাত ব্যস্ত হৈ গৈছে। ঘনশ্যামে একমাত্ৰ ছোৱালীৰ বিয়াত গাঁৱৰ সকলোকে ভালদৰে এসাজ খোৱাৱাৰ কথা ভাবিলে। সকলো কথা ভাবি ঘনশ্যামে সমাজৰ সৈতে খাপ খোৱাব পৰাকৈ ছোৱালীৰ বিয়াখন ধুম ধামেৰে পতাৰ সিদ্ধান্ত ল'লে। কথাটো তাতেই, এতিয়া বিয়াখন পাতিবলৈ ইমানবোৰ টকা ক'ত পায়। ঘনশ্যামে ধাৰ ঋণ কৰি হ'লেও ছোৱালীৰ বিয়াখন জাক-জমকতাৰে পাতিলে। গাঁৱৰ সকলোকে ভালদৰে খোৱাই বোৱাই পঠিয়ালে। গাঁৱৰ সকলোৱে বিয়াখনক লৈ সলাগ ললে। কিছু লোকে কৈয়ে উঠিল- "ঘনশ্যামে ইমান ডাঙৰকৈ ছোৱালীৰ বিয়াখন পাতিছে"। বিয়াখন কোনো বিঘিনি নঘটাকৈ ভালদৰে পাৰ হৈ গ'ল। ঘনশ্যামৰ ঘৰখন ছোৱালীজনীৰ অনুপস্থিতিত উকা হৈ পৰিল, লগতে ঘনশ্যামৰ মূৰত ঋণে হেঁচা মাৰি ধৰিলে। প্ৰথম কেইমাহমান নিয়মীয়াকৈ ঋণ পৰিশোধ কৰি আছিল কিন্তু পাছলৈ ঘনশ্যামে ঋণৰ বোজা সহিব নোৱাৰা হৈ পৰিছিল। সম্বন্ধীয় বহুতকে কেইবাবাৰো সহায় খুজিছিল কিন্তু কোনেও সহায় নকৰিলে। গাঁৱৰ কিছুলোকৰ আলোচনাৰ মূল বিষয় হৈ পৰিছিল- "ইমান ডাঙৰকৈ নো বিয়াখন কিয় পাতিব লাগে ! ছোৱালীজনীৰ নতুন ঘৰখনৰ পৰা কেনেকৈ নো সহায় ল'ব। উপাই নাপায় ঘনশ্যামে ঘৰৰ ভেটিটোৰ বাদে অন্য মাটিখিনি বিক্ৰী কৰি ঋণ পৰিশোধ কৰিলে। এতিয়া খেতি কৰি খাবলৈও মাটি নোহোৱা হ'ল। চিন্তাই মানুহজনক জুৰুলা কৰি পেলালে। শেষত তেওঁ উপলব্ধি কৰিলে আনক দেখুৱাই কাম কৰাতকৈ নিজ সামৰ্থ অনুসৰি কাম কৰিলে ভৱিষ্যতে বিপদত নপৰে ॥

# ভোক

**সূৰ্যমণি দত্ত**
পঞ্চম ষাণ্মাসিক




বাছখন আহি পোৱাত সেইদিনাও পলম হ'ল। প্ৰায়ে হয় এনে কাণ্ড। এফালে পলম হ'লে কোম্পানীৰ মালিকে গালি দিয়ে। কোম্পানীৰ বাছ দেৰিকৈ অহাৰ অভিযোগ দিলেও কোনো সঁহাৰি নাই। বাছ পলম হোৱা দেখি তাই সেইদিনা বেলেগ গাড়ীতে যোৱাৰ সিদ্ধান্ত ল'লে। এই সিদ্ধান্তই চাগে তাইৰ জীৱনত অমানিশা নমাই আনিলে। বহু সময়ৰ পাছত তাই এখন ব্যক্তিগত গাড়ীৰ পৰা লিফ্ট খুজিলে। গাড়ীখনত দুজন পুৰুষ বহি গৈছিল। দেখাত তেওঁলোকক ভদ্ৰ যেনেই লাগিছিল। তাই গাড়ীত বহি ল'লে। তাই ভাবিলে অন্তত আজি মালিকৰ পৰা গালি নাখাওঁ। ভদ্ৰ যেন দেখা মানুহ এজনে তাইক পানীৰ বটল এটা দিলে। পানী খাই তাই কেতিয়া টোপনি গ'ল গমেই নাপালে। সাৰ পাই তাই নিজক যিটো অৱস্থাত পালে তাই বুজিবলৈ বাকী নাথাকিল, ইমান পৰে তাইৰ লগত কি ঘটিল ! তাইৰ মূৰত যেন সৰগ ভাগি পৰিল ! কিছুমান ভদ্ৰ লোকৰ আঁৰত মুখাপিন্ধা মানুহ লুকাই থাকে, এনে লোকৰ বাবে বহুতো ছোৱালীয়ে ভোকৰ বলি হ'ব লগা হয়।

# আহিনৰ কবিতা

**দীপালি শইকীয়া**
উপাধ্যক্ষা
খোৱাং মহাবিদ্যালয়

তোমাৰ গাঁৱলৈ কেতিয়া যাম ?
ভাৱনাৰ সাগৰত ডুব যাওঁ
মনৰ মাজত অলেখ অযুত
অনুৰাগৰ অগা-ডেৱা,
শাওনৰ পথাৰখনত ৰুই দিয়া
কঠীয়াৰ গোঁজবোৰ যেতিয়া
লহপহীয়া হৈ বাঢ়ি আহিব
ভাদ মহীয়া গুৰু দুজনাৰ তিথিত
গাঁৱৰ নামঘৰত ডবা-শংখই
ৰজনজনাই উঠিব
আমাৰ সপোনবোৰেও
পাখি মেলিব শৰতৰ
নিৰ্মল আকাশৰ বুকুত,
তোমাৰ দেহৰ ঘামৰ পৰশত
সুবাসিত হৈ কঠীয়াবোৰ
জীপাল হৈ উঠিব;
আহিনৰ পথাৰত এসাগৰ
সেউজীয়াই নয়ন জুৰাব
গেৰলি মেলি সেউজীয়াবোৰে
আঘোণৰ পথাৰত সোণগুটি
সিঁচাৰ আখৰা কৰিব।
জানানে; গেৰলি ধানৰ পৰশতেই
তোমাৰ মৰমৰ পৰশ বিচাৰি পাওঁ



আহিনৰ ঘন কুঁৱলীৰ চাদৰ ফালি
বেলিটিয়ে ভুমুকি মাৰোঁতে যে
পথাৰৰ আলি পাহত
এৰালি বনত নিয়ৰৰ মুকুতা
মণি সৰে;
ঠিক তেনেকৈয়ে তোমাৰ নয়নৰ
এটি পৰশত মনৰ বননিত
হাজাৰ মুকুতাই জিলমিলাই উঠে
সেইবাবেই ভাল পাওঁ
আহিন তোমাক
আহিনতেই যাম মই
হেঁপাহৰ গাঁওখনি লৈ॥



# মই, মোৰ অস্তিত্ব আৰু এই সময়

**তপন শৰ্মা**
সহকাৰী অধ্যাপক (অংশকালীন)

মই জানো, ক্ৰমান্বয়ে ঠেক, এন্ধাৰ আৰু কণ্টকময় হৈ আহিছে এইপথ।
কিন্তু মনৰ এক তীব্ৰ বাসনাৰ পৰা ওলাই অহা কেইটামান
পোহৰৰ বিন্দুয়ে মোক খেদি ফুৰিছে (অহৰহ)
মুক্তিৰ ঠিকনা ? ই পুৱতি নিশা সাৰ পাই দেখা
সপোনটোৰ দৰেই ৰঙীন
মোৰো এটি আৰম্ভণি আছিল, কিন্তু
ইয়াৰ শেষ ক'ত মই নেজানো, হয়তো
কোনোবা ইয়াৰ ব্যতিক্ৰম (?)

আৰু য'ত মই আঁছো, তাৰ পৰা পশ্চাদগমন ?
(ভীষ্ম, অম্বা, ব্যাস, কুন্তী, কৰ্ণৰ দৰে মই মহান নহয়।)
অৱেশ্য কথাবোৰ বৰ বেছি বেবেৰিবাঙো নহয়;
ঠিক ভেড়া আৰু ফকীৰৰ সাধুটোৰ দৰেই॥

কোনোবা এটা শীতত ফকীৰজনে গৰম কাপোৰৰ
প্ৰতিশ্ৰুতিৰে ভেড়াৰ নোম বিচাৰি আহিল॥

(ফকীৰে সিদিনা আত্মানুসন্ধানৰ তাড়নাত
ভেড়াৰ এবাটি গৰম জোল খালে॥)



# এমুঠি শ্বায়েৰী

**মিকাইল আনছাৰী**

**সহকাৰী অধ্যাপক**

জাৰা ছি জিন্দেগী আৰমান বহত হ্যেই,
হামদৰ্দ ন্যাহি ক'য়ি ইনছান বহত হ্যেই,
দিল কে দৰ্দ সুনাএ তৌ কিচকৌ,
জৌ দিল কে কৰীব হ্যেই ৱৌ অনঞ্জান বহত হ্যেই।

জিন্দেগী নে দিয়্যে গম হাজাৰৌ,
আউৰ হম মোচকুৰাতে ৰাহে উনহ্যেই
চিকায়োন ম্যেই,
জৌ আপনা থা ৱৌ ভী বেগানা হৌ গেয়া,
অব দিল ধৰকতা হ্যেই বছ তনহাইয়ৌন ম্যেই।

জিন্দেগী ইতনা তৌ চিখা ৰেহী হ্যেই,
ৰিচতা চবসে ৰখৌ ওম্মীদ কিসী সে নেহী॥



## নতুন পুৱাৰ নতুন ৰং

কৃষ্টিৰেখা ভৰালী
পঞ্চম ষাণ্মাসিক

আন্ধাৰৰ আৱৰণ ফালি,
আহে এটি নতুন হেঙুলীয়া পুৱা।
পুৰণি দুখবোৰ আঁতৰি যায়,
আশাই দেখুৱাই নতুন পথৰ গতি।

প্ৰতিটো কিৰণে দি যায় সাহস,
আৰু নতুন নতুন সপোনৰ উমান।
অতীতৰ ভুলবোৰ পাহৰি,
ব'লা আগবাঢ়ো নতুন পথৰে।

জীৱনৰ নাওঁ খন বৈ গৈ থাকক,
আহিব লগা দিনবোৰ ৰঙীন হ'ব।
মনত ৰাখিবা, বোৱঁতী নদীৰ দৰেই,
আমাৰো আছে এক অফুৰন্ত গতি॥

## একৈশ শতিকাৰ নাৰী

নিহাৰিকা শইকীয়া
প্ৰথম ষাণ্মাসিক

হে নাৰী,
তুমি মহীয়সী
সমাজৰ ৰক্ষণশীলতাৰ বান্ধোন ছিঙি
কৰিছা আলোক সন্ধান।
যুদ্ধ কৰি অন্যায়ৰ বিপক্ষে
প্ৰত্যাখান কৰি হিংসা-বিদ্বেষ,
বিজ্ঞানেৰে জগত জিনি
বুৰঞ্জীত তুমি বুলাইছা নাম।
নাৰী দুৰ্গা, নাৰী সৰস্বতী
নাৰী সমাজৰ জ্যোতিময় আলোক।
শিক্ষাৰ জগতৰ
তুমিয়ে উজ্বল শিখা
বিজ্ঞান প্ৰযুক্তিৰো আজি
তুমিয়ে গৰ্ভা।
একৈশ শতিকাৰ তুমি
নাৰী অনন্যা
দাসত্বৰ শিকলি ছিঙি
তুমি স্বাধীন স্বপ্নদ্ৰষ্টা
নাৰী তুমি তেজস্বী
একৈশ শতিকাৰ তুমি
সমাজৰ জীৱন স্ৰষ্টা
নাৰী তুমি আকাশ, তুমি নদী
শত প্ৰত্যাহ্বান নেওচি
বৈ আছা অবিৰাম গতিত।

# আধৰুৱা সপোন

ৰিয়ান আহমেদ
প্ৰথম ষাণ্মাসিক

নুবুজিলো কেতিয়াও
নোৱাৰিলো হয়তো বুজাব,
অথচ দিনে-নিশাই প্ৰতিপল অহৰহ বৈ
থাকে;
তোমাৰেই ভাবনা হৃদয়ত।
নিষ্ঠুৰ তুমি নে মোৰ সময় ?
তোমাৰ নিচিনাকৈ মোৰো দেহত
প্ৰতিপলে শিৰে শিৰে ৰক্তকণা বয়।
দুখ,ভাগৰ, শোক চিন্তাই অহৰ্নিশে,
তোমাৰো বাগৰ সলাই,
মোৰ অনুভৱ, মই আজি ইমান দুৰ্বল !
চিঙো বুলিয়েই জানো চিঙিব পাৰি
হৃদয়ৰ বান্ধোন !

দেখিছিলোঁ জানা মইও তোমাৰ দুচকুতে এটি
সজল সপোন
সাজিছিলো মৰমৰ ঘৰ
তুমি, মই.. আৰু আমি॥



# নিশা

ৰিষামণি বৰুৱা
প্ৰথম ষাণ্মাসিক

জোনাক ৰাতিৰ এটি এন্ধাৰ পথ,
এই নিশা অতি মায়াময় !
হঠাতে এক শূন্যতা লৈ
মন থমকি ৰয়।
হয়তো ! ৰাতিৰ এই মায়াময়
আন্ধাৰত বাধ্য (?)
মাজৰাতিৰ নিস্তব্ধতাখিনি
কাৰো বাবে ভয় লগা, অন্তহীন!
আকৌ কাৰো বাবে মোহনীয়,
সুন্দৰৰ নিৰলস সাধনা।
মনত উদয় হয় বিভিন্ন প্ৰশ্নৰ
অন্তহীন পকনীয়াৰ
নিৰৱে চিৎকাৰ কৰি উঠে।
অকলশৰীয়া, কিন্তু লগত
এন্ধাৰ আৰু নিশা।
সুখ-আনন্দৰ সমভাগীতকৈ
দুখ-যন্ত্ৰণাৰ সংগীবোৰেহে
অন্তৰৰ গভীৰতাত প্ৰৱেশ কৰে।
কিয়নো
আনন্দ প্ৰকাশ কৰিবলৈ
ক্ষণ গণিব নালাগে।
কিন্তু
যন্ত্ৰণা প্ৰকাশৰ ক্ষণ সদায় মন্থৰ ॥

## আবেলিৰ ৰ'দালি

ৰিংকু বড়া
তৃতীয় ষাণ্মাসিক

লাহে লাহে বেলিটি মাৰ হ'ল
বনৰ পক্ষীবোৰো ঘৰমুৱা হ'ল।
ৰঙচুৱা বেলিৰ সেই পোহৰত যেন
সময়বোৰেও গা-এৰা দি গ'ল।
স্মৃতিৰ টোপোলা হাতত লৈ
বাটৰ বাটৰুৱাও ঘৰমুৱা হ'ল।
আবেলিৰ বেলিটি এতিয়া মাৰ যাব হ'ল।



## নতুন প্ৰভাত

বিশাল দাস
প্ৰথম ষাণ্মাসিক

নতুন প্ৰভাতৰ সুৰ্য্যোদয়ে
আকাশত মেলে সোণালী ছাঁ,
জীৱনৰ পথত আশাৰ জেউতি
উজাই তোলে হৃদয়ৰ গা।

কাতৰ নিশাৰ আঁচল ভেদি
ফুটি উঠে আশাৰ নতুন পোহৰ,
প্ৰতিটো শ্বাসত সপোনবোৰে
লয় জীৱনৰ সুমধুৰ কেঁকুৰি।

পাতনি বতাহত যেন শুনা যায়
এক স্বপ্ন-সন্ধানী সুৰ,
নতুন দিনৰ প্ৰতিটো মুহূৰ্ত
কয় জীৱন এখনো ভৰপূৰ।

সেইবাবেই মনটোক জাগ্ৰত ৰাখি
পদক্ষেপত দৃঢ় হওঁ,
নতুন প্ৰভাতে নতুন আশাই
দিনটো হওক পূৰ্ণ উজ্জ্বল॥

## তুমি নাৰী

বৰষা দাস
তৃতীয় ষাণ্মাসিক

তুমি এগৰাকী নাৰী
তুমি পখিলাৰ দৰে
উৰিব বিচৰা,
কিন্তু তোমাৰ ডেউকা
আন কাৰোবাৰ হাতত।
তুমি নদীৰ দৰে
বৈ যাব বিচৰা,
কিন্তু তোমাৰ প্ৰবাহ
আন কোনোবাই নিয়ন্ত্ৰণ কৰে।
অথচ তুমি মৌন !
আহাচোন,
ডেউকা জোঁকাৰি উৰি যাওঁ
পিতৃতান্ত্ৰিক এই সমাজৰ
শিকলি  ভাঙি পেলাওঁ।
তুমি শক্তিশালী হোৱা..
তুমি সাহসী হোৱা..
তোমাৰ যন্ত্ৰণাক
তুমি প্ৰজ্ঞালৈ ৰূপান্তৰ কৰা,
তোমাৰ দুখক
তুমি শক্তিলৈ ৰূপান্তৰ কৰা।
উজুতি খাব পৰা,
কিন্তু তুমি থমকি নৰ'বা।
তোমাৰ গোপনীয় শক্তিক
তুমি জাগ্ৰত কৰা,
আৰু দেখিবা,
তোমাৰ সপোনক
তুমি বাস্তৱত পৰিণত কৰিবলৈ
সক্ষম হৈছা,
কাৰণ তুমি এগৰাকী সাহসী নাৰী॥

## শূণ্যতা

ঘোৰণজ্যোতি চেলেং
পঞ্চম ষাণ্মাসিক

তোমাৰ বাবে জীৱনৰ সাৰ্থকতা কি ?
বিশাল আকাশ নে
নানা ৰঙী ফুল ?
দুৰ্বাৰ হেঁপাহ নে
এটি গতানুগতিক দিনৰ পাছত
নিদ্ৰাৰ আগে অনুভৱ হোৱা
অনিশ্চয়তা !

এটি গতানুগতিক দিনৰ পাছত
নিদ্ৰাৰ আগে অনুভৱ হোৱা
অনিশ্চয়তা;
জ্যোতি VS এন্ধাৰ
এখনি এৰাব নোৱাৰা COLD WAR
মনৰ মাজত চলে অবিৰাম।
সন্ধান চলে শূণ্যতাৰ, ক'ত ?
শূণ্যতাত॥
(নিজৰ মাজতে উত্থান হোৱা প্ৰশ্নৰ
পতনো নিজৰ মাজত।)



# আপদ চন্দ্ৰ বিপদ গগৈৰ বাচন

ঘোৰণজ্যোতি চেলেং
পঞ্চম ষাণ্মাসিক




৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ মই এটা প্ৰকাণ্ড গাত
সুবিশাল নহলেও ক্ষুদ্ৰতম নহওঁ, কমেও তিনি হাত
কোনোবা স্ৰষ্টাৰ সৃজনীশক্তিৰ মই যেন সৃজনীশীল প্ৰতিভা
অজেয় নহওঁ, দুৰ্দান্তও নহওঁ, নহওঁ মই দুৰ্গম দুৰ্লভা
লাখৰ ঘৰত আত্মীয় মোৰ পকা হ'লেও বাট॥

ঠিকে- ঠাকে ঠিকা হ'ল ? ঠেকাত প্ৰতিকূল !
নিৰপেক্ষতা মোৰ কৰ্মত জিলিকে, সমান জাতি-কুল
আবতৰীয়া দীঘলঠেঙীয়া আৰু চাৰিচকীয়াৰ মেল
ধনকুবেৰক ধৰোৱা কৰাৰ আমাৰ অবিৰাম খেল
তথাপি, সাক্ষৰ-নিৰক্ষৰ সৰাই বোলে ময়েই গণ্ডগোল॥

# মুকুতা সৃষ্টিৰ বেদনা

**প্ৰতীম শৰ্মা**
বিভাগীয় প্ৰধান

"ইমান ধুনীয়া মুকুতাৰ মালা
ক'ত পালা তুমি দান
ইমান ধুনীয়া মুকুতাৰ মালা
ক'ত পালা তুমি দান
ইমান ধুনীয়া মুকুতাৰ মালা ক'ত পালা তুমি দান
তোমাক কোনেনো শিকালে আবেগে তোমাক
বেথা ভৰা মধু গান
বেথা ভৰা মধু গান॥"

*(ইমান ধুনীয়া মুকুতাৰ মালা, মলিন চন্দ্ৰ বৰা)*



এটি পুৰণি গীত গুণগুণাই গাইছিল অৰূপে। কণমাণি পুত্ৰ ৰোহনে দেউতাকক শুধিলে, মুকুতানো কি ? এইটো ক'ত পায় ? পুত্ৰৰ প্ৰশ্নত এটি মিঠা হাঁহিৰে অৰূপে মুকুতাৰ জন্ম-কথা বিৱৰি ক'লে।

শামুক আৰু তেনেজাতীয় অ-মেৰু দাণ্ডী প্ৰাণীৰ অসীম যন্ত্ৰণাৰ ফলতে

মুকুতাৰ সৃষ্টি হয়। শামুকে পানীত বিচৰণ কৰি থকা কালত ম্যেন দুটি (শুংৰ দৰে মুখৰ অংশ) সামান্য খুলি অক্সিজন গ্ৰহণ কৰে। কেতিয়াবা অক্সিজেন গ্ৰহণ কৰোতে আচম্বিত সোমোৱা পানীৰ সৈতে ধূলিকণা বা কোনো পৰজীৱী শামুকৰ ম্যাণ্টলৰ ভিতৰলৈ সোমাই যায়। এনে অবাঞ্চিত পৰ্দাথই শামুকৰ শৰীৰত অসহ্য যন্ত্ৰণাৰ সৃষ্টি কৰা সত্বেও শামুকে ইয়াক বাহিৰলৈ উলিয়াই পেলাব নোৱাৰে। এই যন্ত্ৰণাৰ উপশম ঘটাবলৈ ম্যাণ্টলৰ পৰা নিৰ্গত হোৱা "নেকাৰ" নামৰ এবিধ উজ্জ্বল ৰসে নিউক্লিয়াটিক তৰপে তৰপে আবৰি পেলায়। অবাঞ্চিত পৰ্দাথটিক নিউক্লিয়াছ স্বৰূপে কেন্দ্ৰ কৰি "নেকাৰৰ" আবৰণ ক্ৰমান্বয়ে ডাঠ মুকুতাৰ ৰূপ প্ৰাপ্ত হয়। সৌভাগ্যৰ প্ৰতীক, মূল্যৱান সম্পত্তি বুলি ভবা মুকুতাৰ সৃষ্টিত শামুকৰ বেদনা আমি বিচাৰেই নকৰো, ৰোহনে এই কথা অনুভৱ কৰিলে।

"বাৰু দেউতা মুকুতা ক'ত পায় ? সকলো মুকুতা বগা চক-চকীয়ানে ?"

পূৰ্বতে ওমান আৰু কাটাৰৰ পেনিনচ্যুলা অঞ্চলত "পিঙ্কটাতা" প্ৰজাতিৰ অন্তৰ্গত শামুকৰ মাজত হোৱা অতি উন্নতমানৰ মুকুতা পোৱা গৈছিল। শ্ৰীলংকা আৰু মাদ্ৰাজৰ মান্নাৰ উপ-কূলতো এই প্ৰজাতিৰ পৰা সৃষ্টি হোৱা মুকুতাৰ আধিক্য দেখা পোৱা যায়। মুকুতা প্ৰেমীৰ হৃদয়ত বিশেষ আসন দখল কৰা মুকুতা বোৰৰ অধিকাংশ অষ্ট্ৰেলিয়া, কেলিফোৰ্ণিয়া, চাউথ পেচিফিক কেৰিবিয়ান উপকূল, মিচিচিপি আৰু স্কটলেণ্ডৰ কনোৰে নদীৰ পৰা সংগৃহীত হৈছিল। ইয়াৰ মাজতে অষ্ট্ৰেলিয়াৰ মুকুতাবোৰ ৰূপোৱালী আভাযুক্ত। সাধাৰণতে শুভ্ৰ মুকুতাই অধিক। মেক্সিকো উপকূলত কেতিয়াবা ক'লা মুকুতাও পোৱা যায়। বৰ্তমান কৃত্ৰিমভাৱে মুকুতা উৎপাদন কেন্দ্ৰও স্থাপিত হৈছে। ভাৰতেও মুকুতা উৎপাদন আৰু ব্যৱসায় কৰিবলৈ লৈছে। কৃত্ৰিম মুকুতা উৎপাদনৰ কাহিনী আৰু বেছি বেদনা দায়ক। এই বিষয়ে পাছত কেতিয়াবা কম॥

# STUDENTS' ACHIEVEMENTS IN VARIOUS ACTIVITIES IN ANNUAL COLLEGE WEEK

| POSITION | DEHING UTSAV, 2024-25 | RECORD OF ACHIEVERS IN SPORTS EVENTS |
|---|---|---|
| 1st POSITION | Poljyoti Phukan | Shot Put (Boys') |
| | Mahendra Das<br>Ritish Das<br>Jintu Ahom<br>Hirok Jyoti Das<br>Akash Tamuli<br>Satyajit Gogoi<br>Bishnu Das | Kabaddi (Boys') |
| | Swapna Saikia | Long Jump (Girls') |
| | Mompi Chamua | High Jump (Girls') |
| | Swapna Saikia<br>Mompi Chamua<br>Nikita Gogoi<br>Trishna Saikia | 4X100 Meter Relay Race (Girls') |
| 2nd POSITION | Mahendra Das | Shot Put (Boys') |
| | Mahendra Das | 800 Meter Race (Boys') |
| | Hirok Jyoti Das | Long Jump (Boys') |
| | Jintu Ahom | High Jump (Boys') |
| | Mahendra Das<br>Jintu Ahom<br>Akash Tamuli<br>Bishnu Das | 4X100 Meter Relay Race (Boys') |
| 3rd POSITION | Nikita Gogoi | 400 Meter Race (Girls') |
| | Mahendra Das | Discus Throw (Boys') |
| | Jintu Ahom | 800 Meter Race (Boys') |
| | Mompi Chamua | Long Jump (Girls') |
| | Nikita Gogoi | High Jump (Girls') |
| | Mahendra Das<br>Akash Tamuli<br>Jintu Ahom<br>Bishnu Das | 4X 400 Meter Relay Race (Boys') |
| | Swapna Saikia<br>Mompi Chamua<br>Nikita Gogoi<br>Trishna Saikia | 4X 400 Meter Relay Race (Girls') |

## DEHING UTSAV, 2024-25

Record Of Achievers In Cultural Events Prize List

| | | |
|---|---|---|
| 1st POSITION | Manashjyoti Dehingia | Biya Naam |
| | Swapna Saikia | Bihu Dance Competition |
| | Utpal Gogoi | Khowang College Icon |
| 2nd POSITION | Mompi Chamua | Biya Naam |
| | Swapna Saikia | Gogona |
| | Pranamika Gogoi<br>Utpal Gogoi | Traditional Dress Competition |
| | **Department Of Political Science** | **Cultural Rally** |
| 3rd POSITION | Manashjyoti Dehingia | Bihu Geet |

| POSITION | DEHING UTSAV, 2024-25 | RESULTS OF MAGAZINE AND LITERARY EVENTS |
|---|---|---|
| 1st POSITION | Paljyoti Phukan<br>Nihamoni Gogoi<br>Smrita Hazarika<br>Monikha Lahon<br>"Protidwani", Department of Political Science<br>Smrita Hazarika<br>Jintu Ahom<br>Smrita Hazarika<br>Ghoranjyoti Chelleng | Poem Recitation (Assamese)<br>On-Spot Letter<br>Limerick<br>Masthead Competition<br>Handmade Magazine<br>Best Writer<br>Poster Making<br>Article Writing<br>Flash Fiction Competition |
| 2nd POSITION | Mompi Chamua<br>Ghoranjyoti Chelleng<br>Ghoranjyoti Chelleng<br>Jintu Ahom<br>Surjamoni Dutta<br>"Protyoi", Department of Political Science<br>Smrita Hazarika<br>Surjamoni Dutta<br>Surjamoni Dutta | Poem Recitation (Assamese)<br>On-Spot Letter<br>Limerick<br>On-Spot Painting<br>Masthead Competition<br>Wall Magazine Competition<br>Poster Making<br>Article Writing<br>Flash Fiction Competition |
| 3rd POSITION | Surjamoni Dutta<br>Monikha Lahon<br>Smrita Hazarika<br>Smrita Hazarika | On-Spot Letter<br>Limerick<br>Masthead Competition<br>Flash Fiction Competition |

| POSITION | DEHING UTSAV, 2024-25 | DABATE AND LITERARY EVENT PRIZE LIST |
|---|---|---|
| 1st POSITION | Surjamoni Dutta<br>Saraswati Bora<br>Monikha Lahon | Quiz Competition |
| 2nd POSITION | Mompi Chamua | Extempore Speech Competition |
| 3rd POSITION | Mompi Chamua<br>Abhilekha Borah<br>Smrita Hazarika<br>Bhabana Deka<br>Surjamoni Dutta | News Reading<br>Quiz Competition<br><br><br>Extempore Speech Competition |

## Girls Common Room Prize List

| POSITION | NAME | COMPETITION NAME |
|---|---|---|
| 1st Position | Department Of Political Science<br>Smrita Hazarika<br>Bhabana Deka | Food Competition<br><br>Rangoli Competition |

| | | |
|---|---|---|
| | Smrita Hazarika | Embroidery Competition |
| 2nd Position | Poljyoti Phukan<br>Jintu Ahom | Rangoli Competition |
| 3rd Position | Smrita Hazarika | Hair Styling Competition |
| **Boys Common Room Event Prizes** | | |
| **POSITION** | **NAME** | **COMPETITION NAME** |
| Winner | Aneesh Ghatowar<br>Rishiraj Saikia<br>Nihamoni Gogoi | Carrom Boys (Group)<br>Chees Boys<br>Chees Girls |
| Runnners Up | Borokha Das<br>Jintu Ahom<br>Smrita Hazarika | Carrom Girls (Group)<br>Chees Boys<br>Chees Girls |

# *WE FEEL PROUD FOR YOUR SUCCESS*



**MONIKA KALITA**
KHOWANG COLLEGE BEST GRADUATE AWARD 2024



**SMRITA HAZARIKA**
KHOWANG COLLEGE BEST GRADUATE AWARD 2025

## *STUDENTS SECURED 1ST CLASS IN B.A 6TH SEMSESTER EXAMINATIONS*

*SESSION 2021-22*



BIDISHA CHANGMAI



TRISHNALI CHOUDHURY



PRANAB BORAH



JAHNOBEE BARUAH



AKSHAY CHUTIA

## *SESSION 2022-23*


PRANAB JYOTI BHRALI


SANJAY DEEP GOGOI


PRANJIT KALITA


KALYAN JYOTI CHUTIA


KOSTOV CHUTIA


RIKI CHUTIA

## *SESSION 2023-24*


MONIKA KALITA


AKASH DEB


THANU LUKHURAKHAN


JUSTIN XALXO


JAYANTI MECH

## *SESSION 2024-25*


SMRITA HAZARIKA


MANASH PRATIM HAZARIKA


HIMASHREE CHETIA


BHABANA DEKA


ABHILEKHA BORAH


MOMPI CHAMUA


RATNA BORAH


PRITAM NEWAR


PRATIKSHA KALITA


HIMANGSHU KONWAR

DEV TAMANG


DIPSIKHA BORAH


SURAJIT PHUKAN


ACHAL KAHAR


BHASKAR JYOTI KONWAR


SWAPNA SAIKIA


RAHUL DEY



NILAKSHI HAZARIKA

## STUDENTS AWARDED UGC ISHAN UDAY SCHOLARSHIP


***SMRITA HAZARIKA***


*MANISH TAMANG*


*MANASH PRATIM HAZARIKA*




ৰূপকোঁৱৰ মঞ্চৰ দ্বাৰা আগষ্ট ক্ৰান্তি দিৱস উদযাপন
০৯/০৮/২০২৩




বিভাগীয় নৱাগত আদৰণী সভা
১১/০৮/২০২৩




**Departmental Induction Program**
০১/০৪/২০২৩



প্ৰাচীৰ পত্ৰিকা “প্ৰত্যয়” উন্মোচন
উন্মোচক ড° ত্ৰৈলোক দিহিঙীয়া
০৫/০৯/২০২৩



বিভাগত সুধাকণ্ঠৰ জন্মদিন উদযাপন
০৪/০৯/২০২৩




ৰূপকোঁৱৰ মঞ্চৰ দ্বাৰা শিল্পী দিৱস উদযাপন
১৭/০১/২০২৪



নেতাজীৰ ১২৭ সংখ্যক জয়ন্তী উদযাপন

২৩/০১/২০২৪



১৪ তম ৰাষ্ট্ৰীয় ভোটাৰ দিৱস উদযাপন

২৫/০১/২০২৪




বিভাগীয় শৈক্ষিক বক্তৃতা

(HR and Emerging trends) Dr.Upen Konch.

২৭/০২/২০২৪



ভোটাৰ সজাগতা সভা ( ভোটাৰ সাক্ষৰতা ক্লাব )

৪/০৩/২০২৪



বিভাগীয় বিদায় সম্বৰ্ধনা সভা

২৬/০৪/২০২৪




বিভাগীয় চফাই অভিযান

৬/৮/২০২৪




বিভাগীয় নৱাগত আদৰণি সভা

১৭/৮/২০২৪




ৰাষ্ট্ৰ সংঘ দিৱস উদযাপন

২৪/১০/২০২৪




মানৱ অধিকাৰ সজাগতা সভা

১০/১২/২০২৩




আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ দিৱস উদযাপন

১০/১২/২০২৪




প্ৰত্যয়ৰ ষষ্ঠদশ সংখ্যাৰ উন্মোচন

২৪/১২/২০২৪




ৰূপকোঁৱৰ মঞ্চৰ দ্বাৰা শিল্পী দিৱস উদযাপন

১৭/১/২০২৫




নেতাজী জয়ন্তী

২৩/১/২০২৫




সম্প্ৰসাৰণ কাৰ্যসূচী

২৫/১/২০২৫

গেৰগেৰী দলনিকুৰ সূৰ্যোদয় সংঘ ।




৪১ সংখ্যক দিহিং উৎসৱৰ শ্ৰেষ্ঠ বিভাগ

(১৭/১/২০২৫ - ১/২/২০২৫)




বিভাগীয় বিদায় সম্বৰ্ধনা সভা

২৪/৫/২০২৫




**Departmental Induction Programme.**

১/৮/২০২৫




আগষ্ট ক্ৰান্তি দিৱস

৯/৮/২০২৫



বিভাগীয় নৱাগত আদৰণি সভা

১১/৮/২০২৫




বিভাগীয় আলোচনা
২৩/৮/২০২৫



শিক্ষক দিৱস
৫/৯/২০২৫



*United Nations Day 2025*



*Constitution Day in association with NSS Unit*




*Extension Activity at BorBil HS as a part of Year of Book,2025*



*Dehing Utshob,2025*

# ফটো গেলেৰি


ROOM NO.
1
DEPT OF
POLITICAL SCIENCE
NOTICE BOARD /
TATHYA KUSH


2024.09.20 08:08


প্ৰত্যয়
ৰাজনীতি বিজ্ঞান বিভাগ







## ফটো গেলেৰি











